GSK S5 04 (M)
Exam Code : SKM5D

মন্ত্র আৰু ব্রাহ্মণ

পঞ্চম ষাণ্মাসিক

সংস্কৃত

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৱা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৱক্ষী ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৱ সদস্য

অধ্যায়	**অৱিহণা যোগাইছে**
১-৭	অধ্যাপক থানেশ্বৱ শর্মা প্রাক্তন মুৱব্বী অধ্যাপক, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়ৱস্তু সম্পাদনা ঃ অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্তবিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৯

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৱ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৱাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৱ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ মন্ত্ৰ আৰু ব্ৰাহ্মণ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্ৰমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ প্ৰধান পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিৰ নাম হৈছে মন্ত্ৰ আৰু ব্ৰাহ্মণ। ইয়াত সৰ্বমুঠ চৈধ্যটা অধ্যায় আছে তথা পাঠ্যবিষয়টি দুটা খণ্ডত বিভক্ত কৰা হৈছে। প্ৰথম খণ্ডত সাতটা অধ্যায় আছে আৰু এই অধ্যায়সমূহত বৈদিক সাহিত্য সংস্কৃতি আৰু চাৰিখন বেদৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰথম অধ্যায়ত বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয় আলোচনা আৰু দ্বিতীয় অধ্যায়ত বৈদিক সমাজৰ বিষয়ে আলোচনা কৰা হৈছে। তৃতীয় আৰু চতুৰ্থ অধ্যায়ত বৈদিক সংস্কৃতি আৰু ঋগ্বেদৰ চমু পৰিচয় আগবঢ়োৱা হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত ক্ৰমে যজুৰ্বেদৰ পৰিচয় আৰু সামবেদৰ আলোচনা কৰা হৈছে। সপ্তম অধ্যায়ত অথৰ্ববেদৰ বিষয়ে পঢ়িব পাৰিব।পাঠ্যবিষয়টিৰ দ্বিতীয় খণ্ডৰ অষ্টম অধ্যায়ত ইন্দ্ৰসূক্ত, নৱম অধ্যায়ত দেৱীসূক্ত, দশম অধ্যায়ত ভূমিসূক্ত, একাদশ অধ্যায়ত অক্ষসূক্ত, দ্বাদশ অধ্যায়ত ব্ৰাহ্মণ গ্ৰন্থৰ সাধাৰণ পৰিচয়, ত্ৰয়োদশ অধ্যায়ত ঐতৰেয় ব্ৰাহ্মণ, চৰ্তুদশ অধ্যায়ত শতপথ ব্ৰাহ্মণৰ বিষয়ে আলোচনা কৰা হৈছে।

খণ্ড পৰিচয় - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্ৰমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ চতুৰ্থ পাঠ্যবিষয়ৰ প্ৰথম খণ্ডৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত বৈদিক সাহিত্য সংস্কৃতি আৰু চাৰিখন বেদৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত সৰ্বমুঠ সাতটা অধ্যায় আছে।

পাঠ্যবিষয়টিৰ অধ্যায়সমূহ হ'ল—

অধ্যায় ১ ঃ বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয়

অধ্যায় ২ ঃ বৈদিক সমাজ

অধ্যায় ৩ ঃ বৈদিক সংস্কৃতি

অধ্যায় ৪ ঃ ঋগ্বেদৰ চমু পৰিচয়

অধ্যায় ৫ ঃ যজুৰ্বেদৰ পৰিচয়

অধ্যায় ৬ ঃ সামবেদৰ পৰিচয়

অধ্যায় ৭ ঃ অথৰ্ববেদৰ পৰিচয়

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান আৰ্হি প্ৰশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয়** ৫-২২

বেদ শব্দৰ ব্যুৎপত্তি আৰু পর্যায়বাচক শব্দবোৰ ঃ ত্রয়ী বিদ্যা; বেদৰ লক্ষণ; বেদ বিভাজন; সংহিতাবোৰৰ চমু আভাস ঃ ঋক্‌বেদ, সামবেদ, যজুর্বেদ, অথর্ববেদ; কর্মকাণ্ড, জ্ঞানকাণ্ড তথা মীমাংসাদ্বয়ৰ উদ্ভৱ; বেদৰ কাল।

অধ্যায় ২ ঃ **বৈদিক সমাজ** ২৩-৩৬

বৈদিক সমাজ ঃ পাৰিবাৰিক চিত্র, দৈনন্দিন জীৱন-পান-ভোজন আদি, বসন-ভূষণ-মনোৰঞ্জন, সমাজত নাৰীৰ স্থান, বিৱাহ, বর্ণ ব্যৱস্থা, আশ্রম ব্যৱস্থা; পঞ্চ মহাযজ্ঞ; শিক্ষা-ব্যৱস্থা।

অধ্যায় ৩ ঃ **বৈদিক সংস্কৃতি** ৩৭-৫২

সংস্কৃতি শব্দৰ ব্যুৎপত্তি আৰু অর্থ; আর্থিক অৱস্থা ঃ কৃষি, পশুপালন, বাণিজ্য আৰু উদ্যোগ; ৰাজনৈতিক অৱস্থা; ধর্মীয় অৱস্থা ঃ বৈদিক যাগ-যজ্ঞ।

অধ্যায় ৪ ঃ **ঋগ্বেদৰ চমু পৰিচয়** ৫৩-৬৭

ঋক্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ; ঋগ্বেদৰ শাখা ঃ শাকল সংহিতাৰ বিৱৰণ; ঋগ্বেদসংহিতাৰ বিভাজন; ঋগ্বেদ সংহিতাৰ গঠন তত্ত্ব; ঋগ্বেদৰ সংহিতা পাঠ আৰু পদপাঠ; ঋগ্বেদৰ ব্রাহ্মণ, আৰণ্যক, উপনিষদ; ঋগ্বেদৰ বিষয় বস্তু।

অধ্যায় ৫ ঃ **যজুর্বেদৰ পৰিচয়** ৬৮-৭৯

যজুস্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ; কৃষ্ণ আৰু শুক্লভেদে যুজর্বেদৰ শ্রেণীবিভাগ; যজুর্বেদৰ শাখা; কৃষ্ণ যজুর্বেদৰ পৰিচয় ঃ তৈত্তিৰীয় সংহিতা, কাঠক সংহিতা, মৈত্রায়ণী সংহিতা; শুক্ল যজুর্বেদৰ পৰিচয় ঃ বাজসনেয়ী মাধ্যন্দিন সংহিতা, বাজসনেয়ী কাণ্বসংহিতা; যজুর্বেদৰ সংহিতা, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ গ্রন্থ; যজুর্বেদৰ ভাষ্য আৰু ভাষ্যকাৰসকল।

অধ্যায় ৬ ঃ **সামবেদৰ পৰিচয়** ৮০-৮৯

সামন্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ; সামবেদৰ শাখা ঃ কৌথুম শাখা, ৰাণায়নীয় শাখা, জৈমিনীয় শাখা; সামৰ ভাগ; ঋক্ আৰু সামৰ সম্বন্ধ ঃ স্বৰ লিপি, ঋকৰ সামলৈ পৰিৱর্তন; সামবেদৰ ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ; সামবেদৰ ভাষ্য আৰু ভাষ্যকাৰ।

অধ্যায় ৭ ঃ **অথর্ববেদৰ পৰিচয়** ৯০-১০০

অথর্ববেদৰ বিভিন্ন সংজ্ঞা; অথর্ববেদৰ শাখা-প্রশাখা; শৌণক সংহিতা আৰু পৈস্পলাদ সংহিতাৰ তুলনা; শৌণক সংহিতাৰ বিভাজন; শৌণক সংহিতাৰ সূক্তচয়ন প্রণালী; শৌণক সংহিতাৰ বিষয়বস্তু; অথর্ববেদৰ ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ গ্রন্থ; অথর্ববেদৰ ভাষ্য।

অধ্যায় ১ ঃ বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ বেদ শব্দৰ ব্যুৎপত্তি আৰু পর্যায়বাচক শব্দবোৰ

১.৩.১ ত্রয়ী বিদ্যা

১.৪ বেদৰ লক্ষণ

১.৫ বেদ বিভাজন

১.৬ সংহিতাবোৰৰ চমু আভাস

১.৬.১ ঋক্‌বেদ

১.৬.২ সামবেদ

১.৬.৩ যজুর্বেদ

১.৬.৪ অথর্ববেদ

১.৭ কর্মকাণ্ড, জ্ঞানকাণ্ড তথা মীমাংসাদ্বয়ৰ উদ্ভৱ

১.৮ বেদৰ কাল

১.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১.১০ অধিক জানিবলৈ

১.১১ অগ্রগতিৰ খতিয়ান

১.১২ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- বৈদিক সাহিত্যৰ প্রাচীনত্বৰ বিষয়ে কিছু কথা জানিব পাৰিব
- বেদ শব্দৰ ব্যুৎপত্তি আৰু পর্যায়বাচক শব্দবোৰৰ অর্থ জানিব পাৰিব
- বেদৰ লক্ষণৰ জ্ঞান লাভ কৰিব পাৰিব
- ত্রয়ী বা ত্রয়ী বিদ্যাৰ তাৎপর্য বুজিব পাৰিব
- বৈদিক সাহিত্যৰ স্তৰ চাৰিটাৰ সামান্য জ্ঞান লাভ কৰিব পাৰিব
- বৈদিক মন্ত্র-সংহিতাবোৰৰ আভাস পাব
- কর্মকাণ্ড আৰু জ্ঞানকাণ্ড তথা দুই মীমাংসাৰ উদ্ভৱ সম্বন্ধে জানিব পাৰিব।

১.২ পৰিচয়

বৈদিক সাহিত্যৰাজি, জগতৰ প্ৰাচীন সাহিত্যবিলাকৰ মাজত অধিক প্ৰাচীন আৰু মহত্ত্বপূৰ্ণ। একেদৰে ইয়াৰ পৰিসৰো বিশালতম বুলিব পাৰি। এই বিশালতম সাহিত্যক বুজোৱা 'বেদ', 'ব্ৰাহ্মণ' 'উপনিষদ' আদি শব্দবোৰৰ সৈতে আপোনাৰ পৰিচয় আছে। বেদ ভাৰতীয় আৰ্যসকলৰ পবিত্ৰ ধৰ্মগ্ৰন্থ। ইয়াক হিন্দুসকলে নিত্য, অপৌৰুষেয় আৰু অলংঘনীয় বুলি বিশ্বাস কৰে।

আপুনি হয়তো চাৰিবেদৰ নাম শুনিছে ঃ ঋগ্বেদ, সামবেদ, যজুৰ্বেদ আৰু অথৰ্ববেদ। বৰ্তমান অধ্যায়ত এই গ্ৰন্থসমূহৰ সামান্য পৰিচয় পাব আৰু পৰৱৰ্তী অধ্যায়ত সিবোৰৰ কিছু বহল বিৱৰণ অৱশ্যে পঢ়িবলৈ পাব।

জগতৰ সাহিত্যৰ মাজত প্ৰাচীনতম বুলি চিহ্নিত বৈদিক গ্ৰন্থমালাক লৈ আপুনি বৰ গৌৰৱান্বিত হোৱাৰ থল আছে। সেয়ে বৈদিক সমাজ আৰু সংস্কৃতিৰ আধাৰস্বৰূপ বৈদিক গ্ৰন্থশ্ৰেণীৰ সৈতে আপোনাৰ পৰিচয় নিশ্চয় শ্লাঘনীয়। এই অধ্যায়ত আপুনি বেদৰ অৰ্থ, বেদৰ লক্ষ্য, বেদৰ বিভাজন, বেদৰ কাল তথা সংহিতাসমূহৰ চমু পৰিচয় অধ্যয়ন কৰিব পাৰিব।

১.৩ 'বেদ' শব্দৰ ব্যুৎপত্তি আৰু পৰ্যায় বাচক শব্দবোৰ

'বেদ' শব্দটো সাধিত হৈছে জ্ঞানাৰ্থক 'ৱিদ্' (জ্ঞান সামান্যে) ধাতুৰ পৰা। 'বিদ্ + অচ্' = বেদ। বেদ শব্দৰ সাধাৰণ অৰ্থ জ্ঞান। কিন্তু ই বৰ্তমান বিষয়ত পৰম জ্ঞানক বুজাইছে। মানুহে সাধাৰণতে চকু, কান, নাক, জিভা আৰু ত্বক্ বা ছাল—এই পঞ্চ ইন্দ্ৰিয়ৰে পাঁচ প্ৰকাৰ পাৰ্থিব জ্ঞান অৰ্জন কৰে। সিবোৰ ক্ৰমশঃ ৰূপ, শব্দ, গন্ধ, ৰস আৰু স্পৰ্শ—জ্ঞান বুলি জনা যায়। কিন্তু এইবোৰ ইন্দ্ৰিয়ই অতীন্দ্ৰিয় জ্ঞান দিব নোৱাৰে। ঋষি যাজ্ঞবল্ক্যই কৈছে যে অতীন্দ্ৰিয় জ্ঞান দিব পাৰে একমাত্ৰ বেদশাস্ত্ৰই। তেওঁ কৈছে যে প্ৰত্যক্ষ আৰু অনুমানৰ দ্বাৰা যি জ্ঞান লাভ সম্ভৱ নহয় সেই অতীন্দ্ৰিয় জ্ঞান লাভ হয় বেদৰ পৰা—

প্ৰত্যক্ষেনানু মিত্যা বা য়স্তূপায়ো নি ৱিদ্যতে।
এনং ৱিদন্তি ৱেদেন তস্মাদ্ ৱেদস্য ৱেদতা।।

বেদ শব্দৰ কেইবাটাও প্ৰচলিত প্ৰতিশব্দ অমৰকোষৰ শব্দাদিবৰ্গত পোৱা যায়। যেনে—শ্ৰুতি, বেদ, আম্নায়, ত্ৰয়ী, আগম, ছন্দস্ প্ৰভৃতি। এই পৰ্যায়বাচক শব্দবোৰে বৈদিক পৰম্পৰাৰ বৈশিষ্ট্য প্ৰকাশ কৰে। যেনে—শ্ৰুতি (শ্ৰু + ক্তিন্)—যাৰ দ্বাৰা ধৰ্ম বাণী শুনা যায়। বেদ (বিদ্ + অচ্)—ধৰ্ম জনা যায় ইয়াৰ দ্বাৰা। আম্নায়-(আ + ম্না + ঘঞ্) - ধৰ্মৰ উপদেশ হয় ইয়াৰ দ্বাৰা ইত্যাদি।

ওপৰত দিয়া পৰ্যায়বাচক শব্দবোৰৰ ভিতৰত 'শ্ৰুতি' শব্দই বিশেষ তাৎপৰ্য বহন কৰে। বৈদিক যুগত লেখন পদ্ধতিৰ প্ৰচলন নাছিল। গুৰুৰ মুখৰ পৰা বেদবাণী শুনি শিষ্যই কণ্ঠস্থ কৰিছিল। এইদৰে গুৰু-শিষ্য পৰম্পৰাক্ৰমে বেদবিদ্যাৰ প্ৰচলন হৈছিল বাবে বেদক শ্ৰুতি বোলা হয়।

১.৩.১ ত্রয়ী বা ত্রয়ী বিদ্যা

বেদক প্রায়ে ত্রয়ী বা ত্রয়ী বিদ্যাও বোলা হয়। ত্রয়ী বা ত্রয়ী বিদ্যা বোলোতে ঋক্, যজুস্ আৰু সামবেদক বুজা যায়। যাগ-যজ্ঞত ক্রমে হোতাই ঋগ্বেদৰ মন্ত্র সমষ্টি 'শস্ত্র' পাঠ কৰে, উদ্গাতাই 'সাম্' গান গায় আৰু অধ্বর্যুয়ে যজুস্ মন্ত্র মাতি অগ্নিত দেবতাসকললৈ হব্য-ঘৃতাদি অর্পণ কৰে। গতিকে যজ্ঞকর্মত ত্রয়ী বিদ্যাৰ মন্ত্রৰ প্রয়োগ হয়, বিশেষতঃ শ্রৌত যাগবোৰত। ঋক্, যজুস্ আৰু সামমন্ত্রক ত্রয়ী বা ত্রয়ী বিদ্যা বোলা হয়। ইয়াৰ মাজত অথর্ববেদ পৰিগণিত নহয়। এই লৈ বাদানুবাদ নোহোৱা নহয়। পূর্ব মীমংসা দর্শনৰ প্রণেতা ঋষি জৈমিনিয়ে ঋক্, সাম্ আৰু যজুস্ এই তিনি প্রকাৰ মন্ত্রৰ লক্ষণ নিম্নোক্তধৰণে নির্দেশ কৰিছে—

তেষামৃক্ য়ত্র অর্থবশেন পাদব্যৱস্থা (জৈঃ সূঃ ২/১/৩৫)
গীতিষু সামাখ্যা (জৈঃ সূঃ ২/১/৩৬)
শেষে য়জুঃ শব্দঃ (জৈঃ সূঃ ২/১/৩৭)

বেদৰ যিবোৰ মন্ত্রত অর্থ অনুসৰি ছন্দঃ আৰু পাদব্যৱস্থা আছে, সেইবোৰ ঋক্ মন্ত্র। যিবিলাক ঋক্ মন্ত্র গোৱা হয় সেইবোৰক সাম বোলা হয়। যিবোৰ মন্ত্র উক্ত দুই লক্ষণৰ ভিতৰত নপৰে সেইবোৰক যজুস্ মন্ত্র বোলা হয়। ইয়াৰ তাৎপর্য ব্যাখ্যা কৰি কোনো কোনো পণ্ডিতে কয় যে অথর্ব বেদৰ মন্ত্রবোৰো ছন্দোময় আৰু পাদব্যৱস্থাৰ ভিতৰত পৰে। সেয়ে অথর্ববেদৰ মন্ত্রৰ সুকীয়া লক্ষণ দিয়া হোৱা নাই।

কিছুমানে বৈদিক যুগৰ আদিছোৱাত অথর্ব বেদৰ অস্তিত্ব লৈ সন্দেহ প্রকাশ কৰে। কিন্তু ঋগ্বেদৰ দশম মণ্ডলৰ পুৰুষসূক্তত (১০/৯০/৯) চাৰিওখন বেদৰ উৎপত্তি পুৰুষৰ পৰা যে হৈছে তাকে কোৱা হৈছে—

তস্মাদ্ য়জ্ঞাৎ সর্ব্বহুতঃ ঋচঃ সামানি জজ্ঞিৰে।
ছন্দাংসি জজ্ঞিৰে তস্মাদ্ য়জুস্তস্মাদজায়ত।।

অর্থাৎ সেই যজ্ঞৰ পৰা ঋক্, সাম্, ছন্দ আৰু যজুস্ মন্ত্রবোৰ উৎপন্ন হয়। ইয়াত বাকী তিনিবেদৰ লগতে 'ছন্দোময়' (অথর্ব বেদৰো) উৎপত্তি হোৱা বুলি কোৱা হৈছে।

একেদৰে আন এটা ঋকত অথর্ববেদক জাতবিদ্যা ৰূপে ব্রহ্মাই আবৃত্তি কৰা বুলি কোৱা হৈছে —

ঋচাং ত্বঃ পোষমাস্তে পুপুষ্বান্
গায়ত্রং ত্বো গায়তি শক্কৰীষু
ব্রহ্মা ত্বো ৱদতি জাতৱিদ্যাং
য়জ্ঞস্য মাত্রাং বিমিমীত উ ত্বঃ।।

যজ্ঞত এজনে ঋক্মন্ত্রৰে পুষ্টিসাধন কৰে, এজনে গায়ত্র মন্ত্র শক্কৰী ছন্দত

গায়, ব্রহ্মাই জাতবিদ্যা আবৃত্তি কৰে আৰু এজনে যজ্ঞীয় শালা, বেদী, কুণ্ডৰ মাত্রা জোখ-মাপ কৰে। ইয়াতো অথর্ববেদৰ উল্লেখ ত্রয়ীৰ লগতে কৰা হৈছে। গতিকে জৈমিনিয়ে ত্রয়ীৰ লক্ষণ ক'লেও আথর্বনীয় মন্ত্রৰ লক্ষণো তাৰ ভিতৰত পৰিছে।

১.৪ বেদৰ লক্ষণ

বেদ বুলিলে কোন কোন শাস্ত্রক বুজায় সেইটোও জনা আৱশ্যক। আপস্তম্ব নামে সূত্রকাৰ এজনে তেওঁৰ পৰিভাষাত বেদৰ লক্ষণ এইদৰে দিছে, 'মন্ত্র ব্রাহ্মণয়োর্বেদ নামধেয়ম্'। অর্থাৎ মন্ত্র আৰু ব্রাহ্মণক বেদ বোলা হয়। ভাষ্যকাৰ সায়ণাচার্যয়ো কৈছে 'মন্ত্রব্রাহ্মণাত্মকঃ শব্দৰাশির্বেদঃ'। গতিকে বেদ বুলিলে মন্ত্র আৰু ব্রাহ্মণ দুয়ো ভাগকে বুজিব লাগে। ব্রাহ্মণৰ আকৌ তিনিটা ভাগ। বিধি-অর্থবাদাত্মক যজ্ঞীয় বর্ণনাসহ ব্রাহ্মণ, আৱণ্যক আৰু উপনিষদ্। উপনিষদ্ কেতিয়াবা সংহিতাৰ অন্তত (যেনে ঈশোপনিষদ্ বাজসনেয়ী সংহিতাৰ অন্তত) কেতিয়াবা আৱণ্যকৰ মাজত আৰু কেতিয়াবা অন্তত থাকে।

১.৫ বেদ বিভাজন

অতি প্রাচীন কালত বেদ অখণ্ড আৰু একমাত্র আছিল। তাৰ বাবে ক্রিয়া-কাণ্ডত বা যাগ-যজ্ঞত মন্ত্রৰ প্রয়োগ আৰু অনুষ্ঠানত কেতবোৰ বেমেজালিয়ে দেখা দিলে। অবিভক্ত এই বেদত মন্ত্রসমূহৰ কোনো সুকীয়া বৈশিষ্ট্যৰ প্রতি নজৰ কৰা হোৱা নাছিল। বিশ্বৰ যিকোনো সাহিত্যৰ আদিছোৱাত থকাৰ দৰে মন্ত্রবোৰ বহুদিন ধৰি লোক সাহিত্যৰ ৰূপত মানুহৰ মুখে মুখে বাগৰি ফুৰিছিল বুলি ভাবিবৰ স্থল আছে। তেনে অৱস্থাত মন্ত্রবোৰ কালৰ বুকুত জাহ যোৱাৰ উপক্রম হৈছিল। প্রক্ষেপৰ অৱকাশো সদায় আছিল। মন্ত্রবোৰৰ লগে লগে যাগ-যজ্ঞ অনুষ্ঠানবোৰো জটিল হৈ পৰিল। ডাঙৰ যজ্ঞবোৰত ঋত্বিকৰ সংখ্যা চাৰিজনৰ পৰা ক্রমে সোতৰজনলৈ বৃদ্ধি পালে। পুৰোহিতসকলৰ কর্তব্যবোৰৰ সুবিহিত বিভাজন আবশ্যক হৈ পৰিল। পুৰোহিতসকলৰ সুবিধাৰ কাৰণে বেদৰ মন্ত্রবোৰ পুথিৰ ৰূপত প্রস্তুত কৰা প্রয়োজন হ'ল। এনেবোৰ কাৰণতে অখণ্ড বেদক চতুর্ধা খণ্ডত ভাগ কৰা হ'ল।

এই প্রাগ্ ঐতিহাসিক কামটো সম্পাদন কৰিছিল বশিষ্ঠৰ নাতি পৰাশৰৰ সুপুত্র কৃষ্ণ দ্বৈপায়নে। বিভাজন কৰা বাবে ইতিহাসে তেওঁক বেদব্যাস বুলিহে পৰিচয় দি আহিছে।

হস্তিনাপুৰত তেতিয়া ৰাজত্ব কৰিছিল প্রতীপৰ পুত্র শান্তনু বা শান্তনুয়ে। এদিনাখন বশিষ্ঠ ঋষিৰ নাতিয়েক পৰাশৰে গঙ্গাৰ পাৰত উপস্থিত হ'ল। ধীৱৰ ৰজাৰ কন্যা মৎস্যগন্ধাই (সত্যৱতী) নাও এখন লৈ ঋষিৰ ওচৰ চাপিল। ঋষি নাৱত উঠিল। তেওঁ ধীৱৰ কন্যাৰ ৰূপত মুগ্ধ হ'ল। তেওঁ ধীৱৰ কন্যাৰ পাণি গ্রহণ কৰিলে। যোগবলত গঙ্গাৰ মাজত দ্বীপ এটাৰ সৃষ্টি কৰি তাত দুয়ো যৌৱন উপভোগ কৰিলে। তেওঁলোকৰ মিলনৰ ফলত জন্ম হ'ল এটি পুত্রৰ। বৰণ কলা হৈছিল বুলিয়েই তেওঁৰ পিতৃদত্ত নাম কৃষ্ণ। দ্বীপত জন্ম হ'ল বাবে দ্বৈপায়ন আখ্যা পালে। বেদৰ বিন্যাস কৰা বাবে তেওঁ বেদব্যাস নামেৰে খ্যাতিমান হ'ল।

ব্যাসদেৱে বিভিন্ন কাৰণত অখণ্ডবেদ চাৰি ভাগত ভাগ কৰিলে। তেওঁ পৈলক ঋগ্বেদৰ, জৈমিনিক সামবেদৰ বৈশম্পায়নক যজুৰ্বেদৰ আৰু সুমন্তক অথর্ব বেদৰ ধাৰক, প্রসাৰক আৰু প্রচাৰক নিযুক্ত কৰিলে। পৈল, জৈমিনি, বৈশম্পায়ন আৰু সুমন্তয়ে ঋগাদি চাৰিবেদৰ প্রসাৰ আৰু প্রচাৰৰ বাবে আশাসুধীয়া চেষ্টা কৰিলে। কালক্রমত উক্ত চতুৰ্বেদৰ অনেক শাখা-প্রশাখা গঢ়ি উঠিল। প্রাপ্ত তথ্য মতে ঋগ্বেদৰ শাখা একৈশটা, সামবেদৰ এহেজাৰ, যজুৰ্বেদৰ কৃষ্ণ ভাগৰ ছিয়াসীটা আৰু শুক্লভাগৰ ষোল্লটা আৰু অথর্ব বেদৰ নটা শাখা হ'লগৈ।

ইবোৰৰ অনেক শাখা-প্রশাখাৰ নাম পুৰাণসমূহত পোৱা যায় যদিও সম্প্রতি ঋগ্বেদৰ শাকল শাখা, সামবেদৰ কৌথুম, ৰানায়নীয় আৰু জৈমিনীয় শাখা, কৃষ্ণ যুজুৰ্বেদৰ তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্টল আৰু মৈত্রায়ণী, শুক্ল যজুৰ্বেদৰ বাজসনেয়ী সংহিতাৰ কান্ব আৰু মাধ্যন্দিন শাখা আৰু অথর্ববেদৰ শৌনক আৰু পৈপ্পলাদ শাখাহে বর্তি আছে। আনবোৰৰ নামমাত্রহে জনা যায়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ 'বেদ' শব্দৰ ব্যুৎপত্তি আৰু অর্থ লিখক।

.....

.....

প্রশ্ন নং ২ঃ বেদক অতীন্দ্রিয় জ্ঞান কিয় বোলা হয়?

.....

.....

প্রশ্ন নং ৩ঃ ত্রয়ী বা ত্রয়ী বিদ্যা বুলিলে কি কি গ্রন্থক বুজায়?

.....

.....

প্রশ্ন নং ৪ঃ তিনি প্রকাৰ মন্ত্রৰ লক্ষণ কি কি?

.....

.....

প্রশ্ন নং ৫ঃ অথর্ব বেদৰ প্রাচীনত্ব বুজোৱা বেদৰ মন্ত্র এটা মুখস্থ লিখক।

.....

.....

প্রশ্ন নং ৬ঃ অখণ্ড বেদৰ বিভাজন-কর্তা কোন?

.....

.....

প্রশ্ন নং ৭ঃ চতুৰ্বেদৰ ধাৰকসকলৰ নাম লিখক।

.....

.....

১.৬ সংহিতাবোৰৰ চমু আভাস

ওপৰত উল্লিখিত চতুর্বেদৰ প্রতিখন বেদৰে নিজস্ব এক বা একাধিক সংহিতা, একাধিক ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ আছে। ইয়াৰ ভিতৰত সংহিতাবোৰৰ চমু পৰিচয় তলত তুলি ধৰা হ'ল —

১.৬.১ ঋগ্বেদ

ঋগ্বেদৰ পাঁচটা শাখাৰ নাম শৌনকৰ চৰণব্যূহত পোৱা যায় ঃ শাকল, বাষ্কল, আশ্বালায়ন, শাংখায়ন আৰু মাণ্ডূকায়ন। একমাত্র শাকল সংহিতাৰ বাহিৰে আন চাৰি শাখাৰ অস্বিত্বৰ কথা জনা নাযায়। শাকল সংহিতাত ১০৫৫২টা মন্ত্র আছে। এই মন্ত্রবোৰ দহটা মণ্ডলত ভাগ কৰা হয়। প্রথম মণ্ডলক শতর্চিন, দ্বিতীয়ৰ পৰা সপ্তম পর্যন্ত ছয় মণ্ডলক কুলমণ্ডল বোলা হয়। অষ্টম মণ্ডলক প্রগাথ মণ্ডল, নৱম মণ্ডলক সোম-পৱমান আৰু দশম মণ্ডলক ক্ষুদ্রসূক্ত-মহাসূক্ত বুলি কোৱা হয়। কিছুসংখ্যক ঋক্ মন্ত্রৰ সমষ্টিক সূক্ত বোলা হয়। সূক্তবোৰৰ একোটা সংকলনক মণ্ডল বোলা হয়। আধুনিক পণ্ডিতসকলে কোনো মন্ত্রৰ উল্লেখ কৰোঁতে মণ্ডল, সূক্ত আৰু মন্ত্র বুজাবলৈ তিনিটা সংখ্যা ব্যৱহাৰ কৰে। যেনে— ১.১.১, এই সংখ্যা তিনিটাই ঋগ্বেদৰ প্রথম মণ্ডলৰ প্রথম সূক্তৰ প্রথম মন্ত্রটোক বুজায়।

সূক্ত বা মন্ত্রৰ স্রষ্টাক দ্রষ্টা বুলি কোৱা হয়। সেই বাবে দ্রষ্টাজন ঋষি পদবাচ্য। পঠন-পাঠনৰ সময়ত পাঠকে মন্ত্র বা সূক্তৰ ঋষি, ছন্দ, দেৱতা আৰু বিনিয়োগৰ উল্লেখ কৰিব লাগে।

আচার্য শৌনকে তেওঁৰ বৃহদ্দেৱতাত কৈছে —

অবিদিত্বা ঋষিং ছন্দো দৈৱতং য়োগমেং চ।
য়োহধ্যাপয়েজ্জপৈদ ৱাপি পাপীয়ান্ জায়তে তু সঃ।।

অর্থাৎ 'ঋষি, দেৱতা, ছন্দ আৰু বিনিয়োগ নজনাকৈ মন্ত্র পাঠ বা জপ কৰিলে লোকে পুণ্য সঞ্চয় কৰা দূৰত থাকক অধিক পাপীহে হয়।'

আন এজন আচার্য কাত্যায়নে ঋষি আদি পদৰ পৰিভাষা বৰ সংক্ষিপ্তকৈ এনেদৰে দিছে; য়স্য ৱাক্যং স ঋষিঃ, যা তেন উচ্যতে সা দেৱতা, অক্ষৰ পৰিমাণং ছন্দ, য়োগঃ বিনিয়োগঃ।

অর্থাৎ যাৰ বাক্য তেঁৱে ঋষি, যাৰ কথা কোৱা হয় সেয়ে দেৱতা, অক্ষৰৰ সংখ্যাই ছন্দক বুজায় আৰু যোগেই বিনিয়োগ (মন্ত্রৰ যজ্ঞত প্রয়োগ)। উদাহৰণ ঃ অগ্নিমীড়ে ইতি মন্ত্রস্য ৱৈশ্বামিত্রো মধুচ্ছন্দা ঃ ঋষিঃ, অগ্নির্দেৱতা, গায়ত্রী ছন্দঃ জপে-হোমে চ বিনিয়োগঃ।

ঋগ্বেদৰ ঋষিসকলে প্রকৃতিৰ অনেক শক্তি আৰু সত্তাক মন্ত্রবোৰত স্তুতি

কৰিছিল। সেই দেৱতাসকলক স্তুতি কৰাৰ লগতে হোমাগ্নিত আহুতি দিয়াৰ আগে পাছে পুৰোনুৱাক্যা যাজ্যা আৰু অনুৱাক্যাৰূপে ঋগ্বেদীয় মন্ত্ৰবোৰ উচ্চাৰণ কৰিছিল। যজ্ঞৰ্হ দেৱতা সকলৰ মাজত ইন্দ্ৰ, অগ্নি আৰু সোমৰ প্ৰাধান্য আৰু জনপ্ৰিয়তা আছিল সৰ্বাধিক। সেয়ে দেখা যায় ঋগ্বেদৰ সৰ্বমুঠ ১০২৮টা সূক্তৰ এক চতুৰ্থাংশত ইন্দ্ৰৰ, এক পঞ্চমাংশত অগ্নিৰ আৰু এক অষ্টমাংশত সোমৰ স্তুতি পোৱা যায়। একেদৰে অশ্বিদ্বয়, মৰুৎসকল, ঊষা, বৰুণ, ঋভুসকল, সৱিতা, পূষা আদি দেৱতাসকলেও প্ৰাধান্য লাভ কৰিছিল। বিষ্ণু, ৰুদ্ৰ, সূৰ্য, বায়ু বা বাত, পৰ্জন্য, ভগ, ৰাত্ৰি আদি দেৱতাসকলেও সমাদৰ লাভ কৰিছিল বৈদিক আৰ্যসকলৰ মাজত।

সকলো বেদৱিদ্ পণ্ডিতে একমুখে স্বীকাৰ কৰিছে যে ঋগ্বেদ ইণ্ডো-ইউৰোপীয় আৰ্য সাহিত্যৰ মাজত সৰ্বপ্ৰাচীন গ্ৰন্থ। খৃষ্টপূৰ্ব পাঁচ ছহেজাৰ বছৰৰ আগতে ঋগ্বেদৰ মন্ত্ৰবোৰ আৰ্য সকলৰ মুখে মুখে শুনা গৈছিল।

তিনি বেদ-সাম, যজুস্ আৰু অথৰ্ববেদৰ ওপৰত ঋগ্বেদৰ অসীম প্ৰভাব পৰিছে। সামবেদৰ প্ৰায় সকলো মন্ত্ৰ ঋগ্বেদত পোৱা যায়। যজুৰ্বেদৰ ওপৰতো ঋগ্বেদৰ প্ৰভাব অনস্বীকাৰ্য। অথৰ্ববেদৰ (শৌনক সংহিতাৰ) প্ৰায় শতকৰা ২২% মন্ত্ৰ ঋগ্বেদৰ পৰা লোৱা হৈছে। বিশেষতঃ অথৰ্ববেদৰ ঊনবিংশ আৰু বিংশ কাণ্ডৰ মন্ত্ৰবোৰ ঋগ্বেদৰ পৰা ধাৰ কৰা। ঋগ্বেদৰ পাতত দেৱ-দেৱতাসকলৰ পুৰাকল্প প্ৰচুৰ পৰিমাণে পোৱা যায়। বেদৰ দেৱতাসকলৰ অৱয়ৱ মানবোচিত। ইন্দ্ৰৰ সকলো কাৰ্য অলৌকিক। বজ্ৰ তেওঁৰ প্ৰধান অস্ত্ৰ। সেই অস্ত্ৰেৰে তেওঁ বৃত্ৰক বধ কৰা ঘটনাৰ উল্লেখ ঋগ্বেদৰ পাতত ভৰি আছে। তেওঁ বৃত্ৰক বধ কৰি জলধাৰা বোৱাইছিল। একেদৰে তেওঁ দিবোদাসৰ বাবে শম্বৰাসুৰক বধ কৰিছিল। দাশৰাজ্ঞ যুদ্ধত তেওঁ সুদাসৰ পশুলৈ দহ-বাৰজন আৰ্য অনাৰ্যৰ জাক সিপুৰীলৈ পঠাইছিল। একেদৰে তেওঁ হৰিয়ূপিয়া যুদ্ধত সৃঞ্জয় আৰু চয়মানৰ পুত্ৰ অভ্যাৱৰ্তীক সহায় কৰিছিল আৰু বৃচীবানৰ বংশধৰ সকলক পৰাস্ত কৰিছিল। ইন্দ্ৰক মঘৱা বা ধনবান বোলা হৈছে। তেওঁ ভক্তসকলক ধন দান কৰিছিল। তেওঁ সোমৰস পান কৰি শক্তিমন্ত হৈ ভক্তসকলক সহায় কৰিছিল।

ঋগ্বেদত অগ্নিৰ মানবোচিত অৱয়ৱ পৰিপূৰ্ণ। তেওঁ ঘৃতপৃষ্ঠ, আৰু শোচিষ্কেশ। তেওঁ হব্যবাহ। তেওঁ দেৱদূত। যজ্ঞত তেওঁ ঋত্বিক্ পুৰোহিত হৈ কাৰ্যনিৰ্বাহ কৰে। তেওঁ গৃহপতি। তেওঁ যজমানৰ পিতা, মাতা, ভ্ৰাতা। তেৱোঁ যজমানক ধন দান কৰে।

একেদৰে ঋগ্বেদত মিত্ৰ, বৰুণ, সবিতা, মৰুৎসকল, অশ্বিদ্বয়, পৰ্জন্য, ত্বষ্টা, ঋভুসকল, ৰুদ্ৰ, বিষ্ণু, সূৰ্য আদি দেৱতাই মানৱীয় শৰীৰ ধাৰণ কৰি কেতিয়াবা অলৌকিক কৰ্ম কৰাৰ উল্লেখ আছে। সোমৰ বৰ্ণনা চকুত লগা। ঊষা, ৰাত্ৰি, পৃথিৱী, অদিতি আদি দেবীৰো স্তুতি ঋগ্বেদত পোৱা যায়।

ঋগ্বেদত ভালেমান দাৰ্শনিক ভাবপুষ্ট সূক্ত সন্নিবিষ্ট হৈছে। ঋঃ ১/১৬৪; ১০, ৭২; ১০, ৮১-৮২; ১০, ৯০; ১০, ১২১; ১০, ১২৫; ১০, ১২৯; ১০, ১৩০; ১০,

১৭০ আদি সূক্তত অস্যৰাম বা দাক্ষায়নী-বিশ্বকর্মা, পুৰুষ হিৰণ্যগর্ভ, বাগ্‌দেবী, পৰমেষ্ঠী, প্রজাপতি, বিভ্রাত্‌-বিৰাট্‌ আদিৰ স্তুতিৰ মাজেৰে সৃষ্টিতত্ত্বৰ ৰহস্য উদ্‌ঘাটনৰ যত্ন কৰিছে ঋষিসকলে।

ঋগ্বেদৰ পাতত ভালেসংখ্যক সংবাদ সূক্তও আছে। এনে সূক্তবোৰৰ ভিতৰত অগস্ত্য-লোপামুদ্রা (ঋ ১/১৭৯), বিশ্বামিত্র আৰু নদীসকল (৩/৩৩); উর্বশী আৰু পুৰূৰৱা সংবাদ (১০/৯৫) যম-যমী সংবাদ (১০/১১০); সৰমা আৰু পনিসকল (১০/১০৮) আদি সুখ্যাত।

অক্ষসূক্ত (১০/৩৪), ভিক্ষুসূক্ত (১০/১১৭), মণ্ডুক সূক্ত (৭/১০৩) আদি সূক্তক ধর্মনিৰপেক্ষ বুলি কোৱা হয়।

ঋগ্বেদ আদি বেদ চতুষ্টয় যদিও ধর্মগ্রন্থ বুলি চিহ্নিত তথাপি ইয়াৰ পাতত ঐতিহাসিক তথ্য বিৰল নহয়। দিবোদাসশম্বৰ যুদ্ধ, হৰিয়ূপীয়া যুদ্ধ আৰু দাশৰাজ্ঞ যুদ্ধৰ বর্ণনাৰ মাজত বেদজ্ঞ পণ্ডিতসকলে প্রাগৈতিহাসিক আৰু ঐতিহাসিক তথ্য দেখা পাইছে। তদুপৰি ঋগ্বেদৰ পাতত ইতস্ততঃ প্রাপ্ত দানস্তুতিবোৰে ইতিহাসৰ খণ্ডচিত্র বুলি পণ্ডিতসকলে দাবী কৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৮ঃ ঋগ্বেদৰ ধাৰক কোন আছিল?

.....

.....

প্রশ্ন নং ৯ঃ সূক্ত বুলিলে কি বুজায়?

.....

.....

প্রশ্ন নং ১০ঃ বেদব্যাসৰ পিতা-মাতাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১১ঃ ঋগ্বেদত কেইটা মণ্ডল আছে?

.....

.....

প্রশ্ন নং ১২ঃ ঋগ্বেদৰ কুলমণ্ডল বুলিলে কি বুজায়?

.....

.....

প্রশ্ন নং ১৩ঃ ঋগ্বেদত স্তুত পাঁচজন দেৱতাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১৪ঃ ঋগ্বেদত বর্ণিত তিনিগৰাকী দেবীৰ নাম লিখক।

.....

.....

১.৬.২ সামবেদ

ঋগ্বেদক জগতৰ সাহিত্যত সর্বপ্রাচীন সাহিত্য বোলাত কাৰো আপত্তি নাই। একেদৰে সামবেদো ঋগ্বেদৰ দৰেই প্রাচীন। কাৰণ ৭৫টা মন্ত্রৰ বাহিৰে সামবেদৰ প্রায় সকলোবোৰ মন্ত্র ঋগ্বেদৰ ১৮৭৫ পাতৰ পৰা আহৃত। গীতাৰ বিভূতি যোগত ভগবানে নিজকে বেদৰ মাজত সামবেদ বুলিছে (বেদানাং সামৱেদোহস্মি)।

সামবেদৰ চর্চা আৰম্ভ হৈছে কৌথুম সংহিতাৰ দ্বাৰা। ৰানায়নীয় আৰু জৈমিনি সংহিতাৰ ব্যাপক চর্চা এতিয়াও হোৱা নাই।

'সাম' মন্ত্রবোৰৰ মূল ঋক্ (ঋক্ সাম্নাং য়োনিঃ)। আচার্য জৈমিনিয়ে পূর্বমীমাংসাৰ পাতত কৈছে 'যত্র অর্থৱশেন পাদব্যৱস্থা সা ঋক্। গীতিষু সামাখ্যা। শেষে য়জুঃশব্দঃ'। ইয়াৰ পৰা বুজা যায় 'সাম'বোৰ গীত বা গান। আবৃত্তিৰ সময়ত ঋক্বোৰ উদাত্ত, অনুদাত্ত আৰু স্বৰিত স্বৰৰ সহায় লোৱা হয়। কিন্তু একেবোৰ ঋক্ সামগানৰূপে গাওঁতে সপ্তস্বৰৰ আশ্রয়ত গীতৰূপে গোৱা হয়। উক্ত স্বৰবোৰ ক্রমে ঃ ক্রুষ্ট, প্রথম, দ্বিতীয়, তৃতীয়, চতুর্থ, মন্ত্র আৰু অতিস্বার্য। পিছলৈ মার্গসঙ্গীতত এই সাতোটা স্বৰেই ষড়্জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ নাম পাইছে।

ঋক্ মন্ত্রবোৰ সাম গান কৰি গাওঁতে সিবোৰ ছয় প্রকাৰে বিকৃত হয়। সিবোৰে ক্রমশঃ বিকাৰ, বিশ্লেষণ, বিকর্ষণ, অভ্যাস, বিৰাম আৰু স্তোভৰ মাজেৰে গানৰ উপযোগী হয়।

সামগানৰ পদ্ধতি জটিল। সাধাৰণতে সামবেদী ঋত্বিক্ উদ্গাতাই আন তিনিজন সহকাৰী ঋত্বিকৰ সহায়ত সামগীত পৰিবেশন কৰে।

তলত কৌথুম শাখাৰ চমু ৰূপৰেখা মাত্র দিয়া হ'ল ঃ

সামবেদৰ প্রধান ভাগ দুটা। আর্চিক আৰু গান। আর্চিকৰো ভাগ দুটা, পূর্বার্চিক আৰু উত্তৰার্চিক। পূর্বাচিকত আছে ছটা প্রপাঠক। উত্তৰার্চিকত আছে নটা প্রপাঠক।

পূর্বাচিকৰ প্রথম প্রপাঠকক লৈ আগ্নেয় কাণ্ড দ্বিতীয় চতুর্থ প্রপাঠকক লৈ ঐন্দ্র কাণ্ড, পঞ্চম প্রপাঠকক লৈ পাৱমান কাণ্ড আৰু ষষ্ঠ প্রপাঠকক লৈ আৰণ্যক কাণ্ড গঠিত।

ইয়াৰ অন্য ভাগ গান। ই চাৰিভাগত বিভক্ত; গ্রামগেয় গান, আৰণ্যগেয় গান, ঊহগান আৰু ঊহ্যগান। পূর্বার্চিকৰ মন্ত্র সংখ্যা ৬৫০। উত্তৰার্চিকৰ মন্ত্রৰ সংখ্যা ১২২৫। দুয়ো আর্চিকৰ মন্ত্র সংখা (৬৫০ + ১২২৫ =) ১৮৭৫।

আৰণ্যগেয় গানবোৰ সকলোৰে শ্ৰব্য নহয়। সেইবাবে সিবোৰ লোকালয়ৰ পৰা দূৰত, অৰণ্য নাইবা মৰুভূমিতহে গেয়। অন্যথা শ্ৰোতাৰ অনিষ্ট হ'বৰ আশংকা।

১.৬.৩ যজুৰ্বেদ

ঋগ্বেদ আৰু সামবেদৰ সৈতে যজুৰ্বেদো ত্ৰয়ীৰ অন্তৰ্গত। ইয়াৰ মন্ত্ৰবোৰ প্ৰায়ে গদ্যত ৰচিত আৰু যজুস্ নামে জনাজাত। যজ্ ধাতুৰ পৰা যজুঃ শব্দ নিষ্পন্ন হৈছে। যজ্ ধাতুৰ অৰ্থ যজ্ঞ কৰা। ইয়াৰ মন্ত্ৰবোৰক অনিয়তাক্ষ ৰাৱসানো য়জুঃ' বুলি কোৱা হয়। যিহেতু এই বেদ অধ্বৰ্যু নামে ঋত্বিকৰ হাত পুথি সেয়ে ইয়াক 'আধ্বৰ্যৱ' বা 'কৰ্মবেদ' বোলা হয়।

এই বেদৰ দুটা ভাগ দেখা যায়, কৃষ্ণযজুৰ্বেদ আৰু শুক্লাযজুৰ্বেদ। দুয়োখন বেদৰ ভিতৰত কৃষ্ণযজুৰ্বেদ অধিক পুৰণি। তাৰ তুলনাত শুক্ল যজুৰ্বেদ অৰ্বাচীন। কৃষ্ণ যজুৰ্বেদৰ ছয়াশীটা শাখাৰ ভিতৰত এতিয়া মাত্ৰ চাৰিটা শাখাহে পোৱা যায়। সেই কেইখন হ'ল ঃ তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্টল আৰু মৈত্ৰায়ণী শাখা। আনহাতে শুক্লযজুৰ্বেদৰ (বাজসনেয়ী সংহিতাৰ) দুটা শাখা—কাণ্ব আৰু মাধ্যন্দিন শাখা প্ৰচলিত হৈ আছে।

শুক্লযজুৰ্বেদ কেবল পদ্যাত্মক মন্ত্ৰৰ সংকলন। আনহাতে কৃষ্ণ যজুৰ্বেদত মন্ত্ৰ আৰু গদ্যাত্মক ব্ৰাহ্মণৰ সংমিশ্ৰণ ঘটিছে। এই ক্ষেত্ৰত কৃষ্ণ' শব্দটো 'মিশ্ৰ' অৰ্থত ব্যৱহৃত হৈছে। তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্টল আৰু মৈত্ৰায়ণী সংহিতা মূলতঃ গদ্যত ৰচিত।

কৃষ্ণ যজুৰ্বেদ বা তৈত্তিৰীয় সংহিতা নিতান্ত মহত্বপূৰ্ণ। এই সংহিতা সাতটা কাণ্ডত বিভক্ত। ইয়াৰ মন্ত্ৰৰ সংখ্যা ১৯০০।

মৈত্ৰায়ণী সংহিতা চাৰিখণ্ডত বিভক্ত। ইয়াৰ মন্ত্ৰ সংখ্যা ২১৪৪। ইষ্টিযাগ, চাতুৰ্মাস্য, বাজপেয়, ৰাজসূয়, অশ্বমেধৰ দৰে গুৰুত্বপূৰ্ণ যজ্ঞবোৰ ইয়াত বৰ্ণিত হৈছে।

কৃষ্ণ যজুৰ্বেদৰ ভিতৰুৱা কাঠক সংহিতাখন পাঁচকাণ্ডত বিভক্ত। ইয়াতো বিবিধ সৰু-বৰ যাগ যজ্ঞৰ ভিতৰত পশুবন্ধ, বাজপেয়, ৰাজসূয়, চাতুৰ্মাস্য আৰু সৌত্ৰামনী যজ্ঞৰ বৰ্ণনা পোৱা যায়।

কঠ-কপিষ্টল সংহিতা অষ্টক, অধ্যায় আদি বিভাজনত বিভক্ত। ই চৰক শাখাৰ উপশাখা।

শুক্ল যজুৰ্বেদ ঃ শুক্লযজুৰ্বেদৰ আন নাম বাজসনেয়ী সংহিতা। ইয়াৰ দুই শাখা কাণ্ব আৰু মাধ্যন্দিন সংহিতা।

কোৱা বাহুল্য যে উক্ত দুয়ো শাখাৰ বিষয়বস্তু একে। পাৰ্থক্য মাত্ৰ বিষয় বস্তুৰ চয়নত। এই সংহিতা ৪০টা অধ্যায়ত বিভক্ত। ইয়াত ইষ্টি, পিণ্ড পিতৃযজ্ঞ, অগ্ন্যাধ্যান, চাতুৰ্মাস্য, অগ্নিষ্টোম, বাজপেয়, ৰাজসূয় আদি গুৰুত্বপূৰ্ণ যজ্ঞৰ বৰ্ণনা পোৱা যায়। লগতে অশ্বমেধ যজ্ঞ, পুৰুষমেধ যজ্ঞ, পিতৃমেধৰ বৰ্ণনাও ইয়াত পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৫ঃ সামবেদৰ তিনিটা শাখাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১৬ঃ সামবেদ আৰু ঋগ্বেদৰ মাজত উচ্চাৰণগত পার্থক্য কি?

.....

.....

প্রশ্ন নং ১৭ঃ সামগানৰ সপ্তস্বৰ কি কি?

.....

.....

প্রশ্ন নং ১৮ঃ সামবেদৰ বিভাগ দুটা কি কি?

.....

.....

প্রশ্ন নং ১৯ঃ ভাৰতীয় সঙ্গীতৰ গুৰি ক'ত?

.....

.....

প্রশ্ন নং ২০ঃ পৰৱর্তী কালৰ মার্গসঙ্গীতৰ সপ্তস্বৰ কি কি?

.....

.....

প্রশ্ন নং ২১ঃ যজুর্বেদৰ মূল বিভাগ দুটা কি কি?

.....

.....

প্রশ্ন নং ২২ঃ কৃষ্ণ যজুর্বেদৰ উপলব্ধ শাখা কেইটাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ২৩ঃ কৃষ্ণ যজুর্বেদৰ কাঠক মৈত্রায়ণী সংহিতাত বর্ণিত তিনিটা গুৰুত্বপূর্ণ যজ্ঞৰ নাম লিখক।

.....

.....



জানি থোৱা ভাল

ঋগ্বেদৰ ঋক্‌বোৰক সাম মন্ত্ৰৰ যোনি বা উৎস বোলা হয়। ভগৱান কৃষ্ণই সামবেদক শ্ৰেষ্ঠত্ব দান কৰি 'ৱেদানাং সামৱেদোহস্মি' বুলি কৈছে। সাম বেদৰ স্ৱৰাঙ্কন পৃথক। সামবেদৰ উপবেদ হৈছে গান্ধৰ্ব বেদ বা সঙ্গীত শাস্ত্ৰ।

ঋগ্বেদৰ তুলনাত সামবেদৰ স্ৱৰ অধিক অৰ্থাৎ সাতটা। সেইবোৰ ক্ৰুষ্ট, প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, মন্ত্ৰ আৰু অতিস্বাৰ্য। পৰৱৰ্তী কালত ইবোৰৰ সংস্কাৰ হয়। এই সপ্তস্ৱৰৰ নাম হয় ষড়্‌জ্, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ।

সামবেদৰ ইংৰাজী অনুবাদক দুজন ষ্টিভেনচন আৰু গ্ৰিফীথ।

কৃষ্ণ যজুৰ্বেদৰ অনুবাদক গ্ৰিফীথ। তেওঁ আছিল বাৰাণসীস্থ সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ।

১.৬.৪ অথৰ্ববেদ

অথৰ্ববেদ চতুৰ্থ বেদ। বহুদিনলৈ এই বেদ ত্ৰয়ীৰ বাহিৰত আছিল। কিন্তু ত্ৰয়ী বুলি পৰিচিত তিনিবেদৰ তুলনাত অথৰ্ববেদ জনপ্ৰিয় আছিল। আন তিনিবেদ উচ্চ সমাজত প্ৰচলিত অনুষ্ঠিত যজ্ঞবোৰত প্ৰযুক্ত হৈছিল। তাৰ বিপৰীতে ঘৰুৱা ক্ষুদ্ৰ যজ্ঞ, সংস্কাৰেৰে জড়িত হোমাদিতহে অথৰ্ববেদৰ মন্ত্ৰ প্ৰযুক্ত হৈছিল। সেইবাবে ত্ৰয়ীৰ ভিতৰুৱা বেদকেইখনক Vedas of the classes আৰু অথৰ্ববেদক Veda of the masses বুলি জনা গৈছিল।

বৈদিক সাহিত্যৰ প্ৰাক্‌কালত অথৰ্ববেদক অথৰ্বাঙ্গিৰস বোলা হৈছিল। অথৰ্ব আৰু আঙ্গিৰস শব্দ দুটাই দুই প্ৰকাৰ বিভাগক বুজাইছিল। শান্তি পৌষ্টিকাদি মঙ্গলময় ভাগক বুজাইছিল অথৰ্ব শব্দই। মাৰণ, উচাটন অভিচাৰ আদি অনিষ্টকাৰী—অমঙ্গলীয়া ক্ৰিয়াক বুজাইছিল আঙ্গিৰস ভাগে। তেতিয়া অথৰ্ব আৰু আঙ্গিৰস ভাগে উক্তবেদত সমানে গুৰুত্ব লাভ কৰিছিল। ইয়াৰ পাছত অথৰ্ব ভাগটোক ভৃগু শব্দটোৱে প্ৰতিনিধিত্ব কৰা হ'ল। তেতিয়া বেদখনৰ নাম হ'ল ভৃথ্বাঙ্গিৰস। শেষত আঙ্গিৰস ভাগৰ গুৰুত্ব কমি গ'ল আৰু বেদখনৰ নাম হ'ল অথৰ্ববেদ।

অথৰ্ব বেদক ব্ৰহ্মবেদ, ক্ষত্ৰবেদ, জাতবেদ, সৰ্পবেদ, পঞ্চকল্পী আদি নামেৰেও বুজোৱা হয়।

চৰণব্যূহৰ মতে অথৰ্ববেদৰ শাখা নটা। তাৰে ভিতৰত শৌনক আৰু পৈপ্পলাদ শাখা দুটাহে আবিষ্কৃত হৈছে। দুই শাখাৰ মাজত কেতবোৰ পাৰ্থক্য চকুত পৰে ঃ (১) শৌনক শাখাত আছে ৭৩১টা সূক্ত আৰু মন্ত্ৰৰ সংখ্যা ৭০০০। আনহাতে কাশ্মীৰত প্ৰাপ্ত পৈপ্পলাদ সংহিতাত মন্ত্ৰৰ সংখ্যা ৬৫০০ আৰু উৰিষ্যাত প্ৰাপ্ত পৈপ্পলাদ সংহিতাত

আছে প্ৰায় ৮০০০ মন্ত্ৰ।

(২) দ্বিজসকলে ব্ৰহ্মযজ্ঞত ব্যৱহাৰ কৰা অথৰ্ববেদৰ প্ৰতীক মন্ত্ৰটো (শন্নো দেৱীৰ ভিষ্টয় আপো ভৱন্ত পীতয়ে, শং য়োৰভি স্ৰৱন্তু নঃ) পৈপ্পলাদ সংহিতাৰ আদিতেহে পোৱা যায়। সম্ভৱতঃ এইখন সংহিতা শৌনক সংহিতাতকৈ পৰৱৰ্তী।

(৩) শৌনক সংহিতাৰ অন্তিম চৰণত প্ৰাপ্ত কুন্তাপ সূক্তবোৰ পৈপ্পলাদ সংহিতাত পোৱা নাযায়।

পৈপ্পলাদ সংহিতাৰ পাণ্ডুলিপি পলমকৈ আবিষ্কৃত হৈছে। তাৰ আগতে শৌনক সংহিতাৰ পাণ্ডুলিপি আবিষ্কৃত আৰু প্ৰকাশিত হয়। তাৰ ফলত এই বেদৰ অধ্যয়ন, চিন্তা-চৰ্চা শৌনক সংহিতাৰ ওপৰত ভেটি কৰিয়েই আৰম্ভ হয়।

শৌণক সংহিতা কুৰিটা কাণ্ডত বিভক্ত। ইয়াৰ সূক্তবোৰৰ কিছুমানত মাত্ৰ এটা মন্ত্ৰ থকাৰ বিপৰীতে কিছুমান সূক্ত অত্যন্ত দীঘলীয়া।

প্ৰথম-সপ্তম কাণ্ডৰ সূক্তবোৰৰ মন্ত্ৰ সংখ্যা বৰ কম। অষ্টম-দ্বাদশ কাণ্ডৰ সূক্তবোৰ দীঘলীয়া। ত্ৰয়োদশ-অষ্টাদশ কাণ্ড কেইটাত বিষয়ানুসৰি মন্ত্ৰবোৰ অন্তৰ্ভুক্ত কৰা হৈছে। ত্ৰয়োদশ কাণ্ডত অধ্যাত্ম, চতুৰ্দশ কাণ্ডত বিবাহ, পঞ্চদশ আৰু ষোড়শ কাণ্ডত ব্ৰাত্য, সপ্তদশ কাণ্ডত আভ্যুদয়িক আৰু অষ্টাদশ কাণ্ডত সন্নিৰিষ্ট হৈছে পিতৃমেধ সম্বন্ধীয় মন্ত্ৰবোৰ।

ঊনবিংশ আৰু বিংশ কাণ্ড দুটাত সন্নিৰিষ্ট মন্ত্ৰবোৰৰ অধিকখিনি ঋগ্বেদৰ পৰা আহৰণ কৰা হৈছে। ঋগ্বেদৰ দশম মণ্ডলৰ মন্ত্ৰবোৰৰ সৈতে অথৰ্ববেদৰ মন্ত্ৰবোৰৰ অধিক মিল দেখা যায়। বিংশ কাণ্ডৰ শেষত প্ৰাপ্ত কুন্তাপ সূক্তবোৰ অৱশ্যে মৌলিক আৰু ধূসৰ।

অথৰ্ব বেদৰ বিষয়-বস্তুৰ বৈচিত্ৰ চকুত লগা বিধৰ। ইয়াত প্ৰাপ্ত বিষয়বস্তু মুখ্যতঃ তিনিভাগত ভগাব পাৰি, যেনে ঃ (১) আধ্যাত্মিক, (২) আধিদৈৱিক আৰু (৩) আধিভৌতিক। ব্ৰহ্ম, পৰম ব্ৰহ্ম, আদি বিষয়ক মন্ত্ৰবোৰ আধ্যাত্মিক। দেব-দেৱতা, যজ্ঞ বিষয়ক মন্ত্ৰবোৰ আধিদৈৱিক আৰু ৰাজকৰ্ম, অভিচাৰ শান্তি-পৌষ্টিক আদি বিষয়ক মন্ত্ৰবোৰ আধিভৌতিক। পশ্চিমীয় পণ্ডিতসকলে অথৰ্ববেদৰ মন্ত্ৰবোৰৰ বিষয় বস্তু চৈধ্যটা ভাগত ভাগ কৰি আলোচনা কৰিছে।

১.৭ কৰ্মকাণ্ড-জ্ঞানকাণ্ড তথা মীমাংসাদ্বয়ৰ উদ্ভৱ

বৈদিক মন্ত্ৰ সংহিতা আৰু ব্ৰাহ্মণ বিলাকৰ বিষয় বস্তু ঘাইকৈ আধি দৈবিক আৰু আধিযাজ্ঞিক বুলি কলেও ভুল কৰা নহয়। দেৱতা বিষয়ক তথ্যবোৰে মন্ত্ৰবিলাকৰ উপজীব্য বস্তু। তাৰ বিপৰীতে ব্ৰাহ্মণ গ্ৰন্থশ্ৰেণী মূলতঃ যজ্ঞবিষয়ক আলোচনাৰে ভৰপূৰ।

আনহাতে আৰণ্যক আৰু উপনিষদবোৰ আত্মতত্ত্ব, ব্ৰহ্মতত্ত্ব, জীৱ আৰু ব্ৰহ্ম বিষয়ক আলোচনাৰে পৰিপূৰ্ণ।

সেইবাবে পণ্ডিতসকলে সংহিতা আৰু ব্ৰাহ্মণ গ্ৰন্থক বুজাবলৈ কৰ্মকাণ্ড শব্দ ব্যৱহাৰ কৰিছে। তাৰ বিপৰীতে আৰণ্যক আৰু উপনিষদ্ ভাগক বুজাবলৈ জ্ঞানকাণ্ড শব্দটো ব্যৱহাৰ কৰিছে।

বৈদিক পণ্ডিতসকলে ইয়াৰ মাজত দুই দৰ্শনৰ উৎপত্তি দেখা পাইছে। মন্ত্ৰ আৰু ব্ৰাহ্মণৰ মাজত তেওঁলোকে মীমাংসাৰ কৰ্ম-মীমাংসা, বা ধৰ্ম মীমাংসাৰ বীজ দেখা পাইছে। ইয়াক পূৰ্ব মীমাংসাও বোলে। ভগৱান জৈমিনিয়ে এই মন্ত্ৰ-ব্ৰাহ্মণাত্মক শব্দৰাশিৰ মাজত প্ৰাপ্ত চিন্তাধাৰাক কেন্দ্ৰ কৰি এই পূৰ্বমীমাংসা নামে এক আস্তিক দৰ্শনৰ সূচনা কৰিছিল।

আনহাতে মহৰ্ষি বাদৰায়ণে আৰণ্যক আৰু উপনিষদৰ ভেটিত সৃষ্টি কৰিছে উত্তৰ মীমাংসা বা বেদান্ত দৰ্শন। বেদান্ত দৰ্শনক শক্তিশালী আৰু প্ৰণালীবদ্ধ কৰিবলৈ বাদৰায়ণে ব্ৰহ্মসূত্ৰ প্ৰণয়ন কৰিছে। ইয়াৰ মূলত আছে উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰ—যাক ক্ৰমে শ্ৰুতি প্ৰস্থান, স্মৃতি প্ৰস্থান আৰু প্ৰকাৰ প্ৰস্থান বোলা হয়। যিহেতু শ্ৰুতি প্ৰস্থানৰূপ উপনিষদবোৰ বেদৰ অন্তত পোৱা যায় সেইবাবে এই দৰ্শনক বেদান্ত দৰ্শন বোলা হয়।

১.৮ বেদৰ কাল

বৈদিক সাহিত্যৰ কাল সম্বন্ধে পতিত সকলৰ অত্যন্ত মতভেদ আছে। বিভিন্নজনে নানান তথ্য পাতিৰ ওপৰত ভেটি কৰি একাধিক মতবাদ পোষণ কৰিছে। তলত তাৰ সংক্ষিপ্ত সূচী এখন দিয়া হ'ল।

১) ম্যাক্স ম্যূলাৰৰ মতে—
ঋগ্বেদৰ কাল খৃঃ পূঃ ১২০০-১০০০
সংহিতাৰ কাল খৃঃ পূঃ ১০০০-৮০০
ব্ৰাহ্মণৰ কাল খৃঃ পূঃ ৮০০-৬০০
সূত্ৰ কাল খৃঃ পূঃ ৬০০-২০০

২) য়াকোবিৰ মতে—
বৈদিক সভ্যতাৰ কাল খৃঃ পূঃ ৪৫০০-২৫০০ চনৰ ভিতৰত

৩) লোকমান্য বালগঙ্গাধৰ তিলকেও এনে কালকে নিৰ্দেশ কৰিছে।

৪) মেকডোনেলে কয় যে বৈদিক কাল খৃঃ পূৰ্বঃ ১৪০০ ৰ উৰ্দ্ধত নহয়।

৫) এ. বি. কীথেও কয় যে বৈদিক যুগ ১৬০০ খৃঃ পূৰ্বৰ পৰৱৰ্তী

৬) পাৰ্জিটাৰৰ মতে বৈদিক যুগ ২০৫০-১৬০০ খৃষ্টাব্দৰ ভিত ৰুৱা।

৭) ৱিণ্টাৰনিৎসৰ মতে বৈদিক কাল ২৫০০ খৃষ্টাব্দৰ পৰৱৰ্তী

৮) চি কুনহান ৰাজাৰ মতে বৈদিকযুগ খৃঃ পূৰ্ব ৫০০০-৪০০০ চনৰ মাজত।
বৈদিক যুগৰ ঐতিহাসিক আলোচনা কৰিলে দেখা যায় ঋদ্বেদৰ উদ্গম কাল ৩০০০-৩৬০০ খৃঃ পূৰ্বাব্দ হোৱা সম্ভৱ। অন্যান্য বেদৰ কাল খৃঃ ৩০০০-২০০০ খৃঃ পূৰ্বাব্দ হ'ব পাৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২৪ঃ অথর্ববেদৰ অন্য নাম কি কি?

.....

.....

প্রশ্ন নং ২৫ঃ অথর্ববেদৰ এতিয়া পোৱা শাখা কেইটা আৰু কি কি?

.....

.....

প্রশ্ন নং ২৬ঃ কর্মকাণ্ড বুলিলে কি বুজায়?

.....

.....

প্রশ্ন নং ২৭ঃ জ্ঞানকাণ্ড বুলিলে আমি কি বুজোঁ?

.....

.....



১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- বৈদিক সাহিত্যৰাজি ভাৰতীয় সাহিত্যৰ প্রাচীনতম অংশ
- বৈদিক সাহিত্য ৰ প্রাচীন ভাগক ত্রয়ী বা ত্রয়ী বিদ্যা বোলা হৈছিল
- ত্রয়ী বিদ্যা বুলিলে সততে ঋগ্বেদ, যজুর্বেদ আৰু সামবেদক বুজায়
- বেদৰ লক্ষণ অনুসৰি এয়ী বিদ্যাৰ বিভাজন হৈছে
- ব্যাসদেবে অখণ্ড বেদক চাৰিভাগ কৰিছে
- বেদৰ চাৰিভাগ ক্রমে ঋক্, যজুস্, সাম আৰু অথর্ব বুলি জনাজাত
- সামান্যভাবে চতুর্বেদৰ আভাস পোৱা গ'ল
- ঋগ্বেদত প্রাচীন দেৱ-দেৱীৰ পৰিচয় চমুকৈ পোৱা গ'ল
- কর্মকাণ্ড, জ্ঞানকাণ্ড, পূর্বমীমাংসা, উত্তৰ মীমাংসাৰ উৎপত্তিৰ সংকেত পোৱা গ'ল
- বৈদিক সাহিত্যৰ কাল সম্বন্ধে আভাস পোৱা গ'ল।



১.১০ অধিক জানিবলৈ

১) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) শৰ্মা, থানেশ্বৰ (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ বেদ বিদ্যালয়।

৩) শৰ্মা, থানেশ্বৰ (২০০৭), *বেদৰ সৌৰভ*, নগাঁও ঃ বৈদিক ৰিচার্চ এণ্ড গ্লোবেল ষ্টাডি চেণ্টাৰ।



১.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ 'বিদ্' ধাতুৰ সৈতে 'অচ্' প্ৰত্যয়ৰ যোগত 'বেদ' শব্দ পোৱা গৈছে; ইয়াৰ অৰ্থ 'জ্ঞান'।

২ নং প্ৰশ্নৰ উত্তৰঃ কাৰণ, কোনো ইন্দ্ৰিয়ৰ দ্বাৰা ইয়াৰ জ্ঞান লাভ নহয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ ঋক্, সাম আৰু যজুস্ সংহিতাক বুজায়।

৪ নং প্ৰশ্নৰ উত্তৰঃ য়ত্ৰ অথৰ্বশেন পাদব্যৱস্থা সা ঋক্।
গীতিষু সামাখ্যা।
শেষে য়জুঃ শব্দঃ।

৫ নং প্ৰশ্নৰ উত্তৰঃ তস্মাদ্ যজ্ঞাৎ সৰ্ৱহুতঃ ঋচঃ সামানি জজ্ঞিৰো।
সৰ্ৱহুতঃ ছন্দাংসি জজ্ঞিৰে তস্মাদ্ যজুস্তস্মাদজায়ত।।

৬ নং প্ৰশ্নৰ উত্তৰঃ বেদব্যাস বা কৃষ্ণ দ্বৈপায়ন

৭ নং প্ৰশ্নৰ উত্তৰঃ পৈল (ঋক্), জৈমিনি (সাম), বৈশম্পায়ন (যজুস্) আৰু সুমন্তু (অথৰ্ব)।

৮ নং প্ৰশ্নৰ উত্তৰঃ পৈল।

৯ নং প্ৰশ্নৰ উত্তৰঃ কিছু সংখ্যক ঋক্ মন্ত্ৰৰ সমষ্টিক সূক্ত বোলা হয়।

১০ নং প্ৰশ্নৰ উত্তৰঃ পৰাশৰ আৰু সত্যৱতী

১১ নং প্ৰশ্নৰ উত্তৰঃ দহটা

১২ নং প্ৰশ্নৰ উত্তৰঃ ঋগবেদৰ দ্বিতীয়ৰ পৰা সপ্তম পৰ্যন্ত এই ছটা মণ্ডলক কুলমণ্ডল বোলা হয়।

১৩ নং প্ৰশ্নৰ উত্তৰঃ অগ্নি, ইন্দ্ৰ, বায়ু, বৰুণ, আৰু সূৰ্য।

১৪ নং প্ৰশ্নৰ উত্তৰঃ অদিতি, ঊষা, আৰু বাক্ দেৱী।

১৫ নং প্ৰশ্নৰ উত্তৰঃ ৰানায়নীয়, কৌথুম, জৈমিনীয়।

১৬ নং প্ৰশ্নৰ উত্তৰঃ ঋগ্বেদত উদাত্ত, অনুদাত্ত, স্ৱৰিত—স্ৱৰ আছে।
সাম বেদত সাতবিধ স্ৱৰ আছে।

১৭ নং প্ৰশ্নৰ উত্তৰঃ সাম গানৰ সপ্তস্বৰ হৈছে ক্রুষ্ট, প্রথম, দ্বিতীয়, তৃতীয়, চতুর্থ, মন্ত্র আৰু অতিস্বার্য।

১৮ নং প্ৰশ্নৰ উত্তৰঃ পূর্বার্চিক আৰু উত্তৰার্চিক

১৯ নং প্ৰশ্নৰ উত্তৰঃ সামবেদ/গান্ধর্ব উপবেদ

২০ নং প্ৰশ্নৰ উত্তৰঃ ষড়জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ

২১ নং প্ৰশ্নৰ উত্তৰঃ কৃষ্ণ আৰু শুক্ল

২২ নং প্ৰশ্নৰ উত্তৰঃ তৈত্তিৰীয়, কাঠক, কঠ-কপিষ্ঠল আৰু মৈত্রায়ণী

২৩ নং প্ৰশ্নৰ উত্তৰঃ অগ্নিষ্টোম, অগ্নিহোত্র আৰু দর্শেষ্টি

২৪ নং প্ৰশ্নৰ উত্তৰঃ অথর্বাঙ্গিৰস, ব্রহ্মাবেদ, ক্ষত্রবেদ

২৫ নং প্ৰশ্নৰ উত্তৰঃ শৌনক আৰু পৈপ্পলাদ

২৬ নং প্ৰশ্নৰ উত্তৰঃ কর্মকাণ্ড বুলিলে বেদৰ সংহিতা আৰু ব্রাহ্মণ গ্রন্থক বুজায়।

২৭ নং প্ৰশ্নৰ উত্তৰঃ আৰণ্যক আৰু উপনিষদ গ্রন্থক বুজাবলৈ জ্ঞানকাণ্ড শব্দটো ব্যৱহাৰ কৰা হয়।



১.১২ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ বেদ চাৰিখনৰ ভিতৰত প্রাচীনতম বেদ কোনখন?

প্রশ্ন ২ঃ ঋগ্বেদৰ বিভাগ কি কি?

প্রশ্ন ৩ঃ কোনে বেদ বিভাজন কৰিছিল?

প্রশ্ন ৪ঃ বেদব্যাসৰ পিতৃ-মাতৃ কোন?

প্রশ্ন ৫ঃ বেদব্যাসৰ শিষ্যসকলৰ নাম কি কি?

প্রশ্ন ৬ঃ ব্যাসৰ শিষ্যসকলৰ কোন কি বেদৰ ধাৰক আছিল?

প্রশ্ন ৭ঃ ঋগ্বেদ আৰু সামবেদৰ সম্বন্ধ কি?

প্রশ্ন ৮ঃ সামবেদৰ স্বৰ কেইটা আৰু কি কি?

প্রশ্ন ৯ঃ কোন কেইখন বেদ পদ্যত ৰচিত?

প্রশ্ন ১০ঃ কোন কোন বেদ গদ্যত ৰচিত?

প্রশ্ন ১১ঃ বেদৰ কোন ভাগক জ্ঞান কাণ্ড বোলে?

প্রশ্ন ১২ঃ বেদৰ কোন ভাগক কর্মকাণ্ড বোলে?

প্রশ্ন ১৩ঃ জ্ঞানকাণ্ডৰ পৰা কি দর্শনৰ উদ্ভৱ হৈছে?

প্রশ্ন ১৪ঃ কর্মকাণ্ডৰ পৰা কোনখন দর্শন উদ্ভূত হৈছে?

প্ৰশ্ন ১৫ঃ বেদৰ কাল কি?

প্ৰশ্ন ১৬ঃ মন্ত্ৰ আৰু ব্ৰাহ্মণৰ সম্বন্ধ কি?

প্ৰশ্ন ১৭ঃ বেদান্ত বুলিলে কি বুজায়?

প্ৰশ্ন ১৮ঃ প্ৰস্থানত্ৰয়ে কি কি গ্ৰন্থক বুজায়?

(খ) চমু প্ৰশ্ন

প্ৰশ্ন ১ঃ বেদ শব্দৰ ব্যুৎপত্তিগত অৰ্থ লিখক।

প্ৰশ্ন ২ঃ বেদৰ কাল সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ ত্ৰয়ী বিদ্যা বুলিলে কি বুজা যায় চমুকৈ লিখক।

প্ৰশ্ন ৪ঃ অথৰ্ববেদৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ বেদৰ বিভাজনৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ প্ৰত্যেক বেদৰে সংহিতাবোৰৰ চমু পৰিচয় দাঙি ধৰক।

*** ***** ***

অধ্যায় ২ ঃ বৈদিক সমাজ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ বৈদিক সমাজ

- ২.৩.১ পাৰিবাৰিক চিত্ৰ
- ২.৩.২ দৈনন্দিন জীৱন-পান-ভোজন আদি
- ২.৩.৩ বসন-ভূষণ-মনোৰঞ্জন
- ২.৩.৪ সমাজত নাৰীৰ স্থান
- ২.৩.৫ বিৱাহ
- ২.৩.৬ বৰ্ণ ব্যৱস্থা
- ২.৩.৭ আশ্ৰম ব্যৱস্থা

২.৪ পঞ্চ মহাযজ্ঞ

২.৫ শিক্ষা-ব্যৱস্থা

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্ৰগতিৰ খতিয়ান

২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৈদিক কালৰ সমাজ ব্যৱস্থাৰ আভাস পাব
- বৈদিক কালৰ সমাজত পৰিয়ালৰ বৰ্ণনা পাব
- বৈদিক কালৰ দৈনন্দিন জীৱনৰ আভাস পাব
- বৈদিক কালৰ নাৰীৰ অৱস্থাৰ আভাস পাব
- বৈদিক কালৰ সমাজত প্ৰচলিত বৰ্ণাশ্ৰম ব্যৱস্থাৰ আভাস পাব
- সেই কালৰ গৃহস্থসকলে পালিবলগীয়া পঞ্চমহাযজ্ঞৰ আভাস লাভ কৰিব
- তদুপৰি সেইকালৰ শিক্ষা ব্যৱস্থাৰো আভাস পাব।

২.২ পৰিচয়

আপুনি নিশ্চয় আমাৰ পূৰ্বপূৰুষ ঋষি-মুনিসকলে ৰচনা বা দৰ্শন কৰি যোৱা বিশাল বৈদিক সাহিত্যৰ কিছু আভাস পালে।

বৈদিক সাহিত্যৰ পাতত জিলিকি থকা বৈদিক সমাজখনৰ কথা আমি সকলোৱে জনা উচিত। উদ্দেশ্যত কোৱা বিষয়বস্তুবোৰৰ সাধাৰণ পৰিচয় এই অধ্যায়ত পঢ়িবলৈ পাব। ঋগ্বেদ, যজুৰ্বেদ, সামবেদ, অথৰ্ববেদৰ মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ তথা শিক্ষা-কল্প-নিৰুক্ত-ব্যাকৰণ, ছন্দ আৰু জ্যোতিষ সাহিত্যত প্ৰাপ্ত তথ্যৰ কিছু আভাস চমুকৈ পাব— যিবোৰ তদানীন্তন সমাজত প্ৰচলিত আছিল।

বৈদিক সমাজৰ গঠন প্ৰণালীৰ আভাস এই অধ্যায়ত অধ্যয়ন কৰিবলৈ পাব। সেই কালৰ বৰ্ণাশ্ৰম ব্যৱস্থা, শিক্ষা ব্যৱস্থা, গৃহস্থসকলৰ দৈনন্দিন জীৱনৰ লগতো পৰিচিত হ'ব পাৰিব। বৈদিক কালৰ সমাজতত্ত্বৰ কথাৰ সৈতে আপোনাৰ পৰিচয় পৰৱৰ্তী কালৰ সমাজ ব্যৱস্থা বুজাত সহায় কৰিব।

বৈদিক সমাজৰ লগত পৰিচিত হ'লেই বৈদিক সংস্কৃতিৰ লগতো পৰিচিত হোৱাৰ সুযোগ লাভ কৰিব। ঋক্‌বেদ, যজুৰ্বেদ, সামবেদ, অথৰ্ববেদ নামে চাৰি সংহিতা, ঐতৰেয়, কৌষিতকী, ছান্দোগ্য, তৈত্তিৰীয়, শতপথ, জৈমিনীয়, পঞ্চবিংশ সামবিধান, ষড়বিংশ, বংশ, আৰ্ষেয়, উপনিষদ, দেৱতাধ্যায় আৰু গোপথ নামে চাৰিবেদৰ ব্ৰাহ্মণ; ঐতৰেয়, কৌষিতকী, তৈত্তিৰীয় আৰণ্যক; ঈশ, কেন, কঠ, বৃহদাৰণ্যক, ছান্দোগ্য, ঐতৰেয়, তৈত্তিৰীয়, মুণ্ডক, শ্বেতাশ্বতৰ, প্ৰশ্ন, মৈত্ৰী, মাণ্ডুক্য আৰু মহা নাৰায়ণ প্ৰভৃতি উপনিষদ্— তদুপৰি বৈদিক সাহিত্য বুলিলে ছয় বেদাঙ্গ যেনে— শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষকো বুজায়। বিশেষতঃ কল্পৰ ভিতৰুৱা-শ্ৰৌত, গৃহ্য, শুল্ব আৰু ধৰ্মসূত্ৰবোৰে বৈদিক সমাজৰ চিত্ৰ অঙ্কনত প্ৰভূত পৰিমাণে সহায় কৰে।

২.৩ বৈদিক সমাজ

এতিয়া আপুনি বৈদিক সমাজৰ অন্তৰ্গত পাৰিবাৰিক চিত্ৰ, দৈনন্দিন জীৱন-যাপনৰ খাদ্য সামগ্ৰী, সাজ-পাৰ, মনোৰঞ্জনৰ আহিলা, সমাজত নাৰীৰ স্থান, বিবাহ, বৰ্ণ ব্যৱস্থা, আশ্ৰম ব্যৱস্থা আদিৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

২.৩.১ পাৰিবাৰিক চিত্ৰ

বৈদিক কালৰ সমাজ আছিল পিতৃ-প্ৰধান পৰিয়ালৰ সমষ্টি। সেইবুলি নাৰীসকল যে উপেক্ষিত হৈছিল তেনে নহয়। সমাজত পুৰুষ আৰু নাৰীৰ কৰণীয় আছিল ইটো সিটোৰ পৰিপূৰক। একোটা পৰিয়ালত পিতামহ, পিতা বা জ্যেষ্ঠ ভ্ৰাতা অনুক্ৰমে পৰিয়ালৰ মুৰব্বী আছিল। তেওঁক কুলপতি বোলা হৈছিল। পৰিয়ালৰ সকলো সদস্য তেওঁৰ

আজ্ঞাবাহী আছিল। পিতৃৰ মৃত্যুৰ পাছত মৃতকৰ জ্যেষ্ঠ পুত্ৰ বা কেতিয়াবা সৰু ভায়েকে গৃহপতিৰ কার্যনির্বাহ কৰিছিল। গৃহপতিয়ে গ্রাম পৰিষদত অংশগ্রহণ কৰিছিল। পিতৃয়ে গৃহপতিৰ কর্তব্যৰ খাতিৰত অসৎ চৰিত্ৰৰ পুত্রক দণ্ড বিহিছিল। পুত্র আছিল পৈতৃক সম্পত্তিৰ উত্তৰাধিকাৰী। কেতিয়াবা প্রয়োজনবশতঃ পৈতৃক সম্পত্তিৰ বিভাজন হৈছিল। পুত্রীয়ে সম্পত্তিৰ ভাগ পোৱা নাছিল। যৌথ পৰিয়ালত উত্তৰ দায়িত্ব যৌথভাৱে চলিছিল। পৰিয়ালৰ সন্মান ৰক্ষা, নিয়ম-নীতি ৰক্ষাত জ্ঞাতি-কুটুম সকলোৱে সচেষ্ট হৈছিল। পতি আৰু পত্নী দুয়ো একেলগে যজ্ঞানুষ্ঠানত ভাগ লৈছিল। ঋগ্বেদৰ এটা মন্ত্রত (৩/৫৩/৪) পত্নীক গৃহস্বৰূপ বুলি কোৱা হৈছে।

২.৩.২ দৈনন্দিন জীৱন— পান-ভোজন আদি

আর্যসকলে ঘাইকৈ গো-মহিষ, ছাগলী, ভেৰা আদি পালন কৰিছিল। গৰুৰ দুগ্ধ আৰু দুগ্ধজাত বস্তুবোৰ তেওঁলোকৰ পান-ভোজনৰ দ্রব্য আছিল চাউল, যৱৰ গুৰিৰে দুগ্ধ মিহলাই খাদ্য প্রস্তুত কৰা হৈছিল। বৈদিক ভাৰতীয়সকল মাংসাহাৰী আছিল। তেওঁলোক ঘাইকৈ শাকাহাৰী আছিল যদিও পর্ব বা উৎসৱৰ খাতিৰত, যাগ-যজ্ঞত উৎসর্গিত মাংসাহাৰ গ্রহণ কৰিছিল। অন্ন প্রাশনত তিত্তিৰি চৰাইৰ মাংস বিহিত হৈছিল। তেওঁলোকৰ খাদ্যৰ তালিকাত ঘেঁহু, যৱ, চাউল, মণ্ড দাইল বা আন মাহজাতীয় শস্য বিশেষভাৱে আছিল। ঋগ্বেদত পুৰোডাশ আৰু ব্রাহ্মণত কৰম্ভৰ উল্লেখ পোৱা যায়।

সোমলতাৰ মূলৰ পৰা প্রস্তুত কৰা সোমৰস দেৱতাসকলৰ উদ্দেশ্যে অর্পণ কৰা হৈছিল। সেই যুগত গাখীৰ, মৌ, পানী, সোম আৰু সুৰা পানীয়ৰূপে ব্যৱহৃত হৈছিল। মৌ তেওঁলোকৰ খাদ্য তালিকাত মুখ্য স্থান পাইছিল বাবে তাৰ উল্লেখ ঋগ্বেদত বৰকৈ পোৱা যায়। কিন্তু সাধাৰণতে মদ্যপান ঘৃণনীয় আছিল। কুঁহিয়াৰৰ ৰসৰপৰা মিঠাই প্রস্তুত কৰা হৈছিল। তেওঁলোকে 'ক্ষীৰোদন', 'তিলোদন', 'মুদ্গোদন' (লাৰু), 'ঘৃতোদন', 'কৰম্ভ', 'যৱাগু', 'লাজ' (আখৈ), 'সক্তু' আদি খাদ্যৰ নাম তালিকাভুক্ত কৰিছিল।

২.৩.৩ বসন-ভূষণ-মনোৰঞ্জন আদি

ঋগ্বেদকালীন সমাজত আর্যসকলে তিনিপ্রকাৰ বস্ত্র ধাৰণ কৰিছিল ঃ (১) অধোবস্ত্র, (২) উত্তৰীয় আৰু (৩) অধিৰাস। মতা মানুহে মূৰত পাগুৰি মাৰিছিল। তেওঁলোকে কপাহী সূতা, ঊণ আৰু মৃগৰ ছালেৰে পৰিধেয় বস্ত্র প্রস্তুত কৰিছিল। তেওঁলোকে চিলাইৰ কাম জানিছিল। বিলাসী ধনী লোকসকলে নানা ৰঙীন বস্ত্র পিন্ধিছিল। উত্তৰ বৈদিক কালত পুৰুষে ধুতি, কম্বল আদিৰ ব্যৱহাৰ কৰিছিল। তিৰোতাসকলে ফুলেৰে বেনী অলংকৃত কৰিছিল। চুলিত তেল প্রয়োগ, চকুত কাজল লগোৱা আদি

সৌন্দর্যবর্ধক কার্য কৰিছিল। পুৰুষসকলে গাহৰিৰ ছালেৰে প্ৰস্তুত জোতা পিন্ধিছিল। তেওঁলোকে সুগন্ধিত দ্ৰব্যৰ প্ৰয়োগ জানিছিল। সোণ, ৰূপ, হীৰা, মানিক আৰু শঙ্খৰ পৰা প্ৰস্তুত কৰা বিভিন্ন অলংকাৰ ব্যৱহৃত হৈছিল। নিষ্ক, প্ৰৰ্ণ, প্ৰকাশ, বিমুক্তা আদি আছিল নাৰীৰ প্ৰিয় অলংকাৰ।

ঋগ্বেদৰ পাতত ভালেমান মনোৰঞ্জনৰ ব্যৱস্থা, সাধন আৰু প্ৰণালীৰ উল্লেখ পোৱা যায়। তেতিয়া সমন নামে উৎসৱ পালন কৰা হৈছিল। সঙ্গীত আছিল মনোৰঞ্জনৰ প্ৰধান সাধন। তাৰ তিনি অঙ্গ আছিল নৃত্য, গীত আৰু বাদ্য। বাদ্যৰ ভিতৰত বীণা, শঙ্খ, মৃদঙ্গ, দুন্দুভি আদি। মৃগয়া, ঘোঁৰাদৌৰ, মল্লযুদ্ধ, জুৱাখেল আদি আৰ্যসকলৰ প্ৰিয় খেল আছিল। শৈলুৰ শব্দৰ উল্লেখ আৰু সংবাদসূক্তৰ বিৱৰণৰ পৰা অনুমান কৰিব পাৰি সেই কালত নাট্যাভিনয়ৰ ব্যৱস্থাও সম্ভৱতঃ আছিল।

২.৩.৪ সমাজত নাৰীৰ স্থান

ঋগ্বেদৰ সাক্ষ্য আৰু প্ৰমাণৰ পৰা বুজা যায় যে সেই কালত নাৰীৰ অৱস্থা উন্নত আছিল। সমাজত মানসিক আৰু ধাৰ্মিক নেতৃত্বত নাৰীৰ পূৰ্ণ সহযোগ আছিল। তেতিয়াও পৰ্দাপ্ৰথা নাছিল। নাৰীৰ বাবে শিক্ষাৰ দ্বাৰ উন্মুক্ত আছিল। ঋগ্বেদৰ পাতত ঘোষা, অপালা, লোপামুদ্ৰা, বিশ্ববাৰা আদি দৰ্শন কৰা সূক্ত চকুত পৰে। সাহস আৰু বীৰত্বতো নাৰীৰ স্থান উল্লেখযোগ্য। উদাহৰণাৰ্থে বিশ্পলাৰ কথা ক'ব পাৰি। তেওঁ যুদ্ধত ভাগ লৈ আহত হোৱাত অশ্বিদ্বয়ে তেওঁৰ চিকিৎসা কৰিছিল। মুদ্গলানীয়ে ডকাইতৰ সন্মুখীন হোৱা পতিক সহায় কৰিছিল।

এইটো ঠিক যে সেই কালত লোকে পুত্ৰীতকৈ পুত্ৰৰ কামনা কৰিছিল অধিক। সেই সমাজত পুৰুষৰ ভূমিকা অধিক আছিল বাবে ঋগ্বেদৰ ঋষিয়ে দেৱতাৰ ওচৰত বীৰ্যবান পুত্ৰৰ কামনা কৰিছিল বেছিকৈ। একে কাৰণতে পৈতৃক সম্পত্তিৰ দাবীদাৰ আছিল পুত্ৰ। পুত্ৰীয়ে ভ্ৰাতৃহীনা হ'লে পৈতৃক সম্পত্তি অৱশ্যে লাভ কৰিছিল।

উপনিষদৰ পৰা জনা যায়, সেই কালত বিদুষী-ব্ৰহ্মজ্ঞানী নাৰীৰ অভাৱ নাছিল। গাৰ্গী বাচক্নবী আৰু মৈত্ৰেয়ী তাৰ প্ৰমাণ। গাৰ্গীয়ে জনকৰ সভাত যাজ্ঞবল্ক্য প্ৰভৃতিৰ সৈতে ব্ৰহ্মোদ্যত ভাগ লৈছিল। ঐতৰেয় আৰু কৌষীতকী ব্ৰাহ্মণত অনেক বিদুষী নাৰীৰ নামোল্লেখ দেখা যায়। কিন্তু ইয়াৰ ব্যতিক্ৰমো নোহোৱা নহয়। তৈত্তিৰীয় সংহিতাত নাৰীক শূদ্ৰতকৈও অধম বোলা হৈছে। গৃহ্যসূত্ৰত পুত্ৰৰ বস্ত্ৰোচ্চাৰণপূৰ্বক অন্নপ্ৰাশন বা জাতকৰ্মৰ কথা কোৱা হৈছে, কিন্তু পুত্ৰীৰ ক্ষেত্ৰত মন্ত্ৰহীন কৰ্মৰ নিৰ্দেশ দেখা যায়। বহুতো ক্ষেত্ৰত নাৰীয়ে সমাজত অপেক্ষাকৃত কম সন্মান, কম সুবিধা লাভ কৰিছিল। গতিকে সেই সমাজত নাৰীৰ স্থান, সমাধিকাৰ সম্বন্ধে অত্যুক্তি কৰা সম্ভৱ নহয়।

২.৩.৫ বিৱাহ

ঋগ্বেদৰ দশম মণ্ডলৰ (১০/৩০/৬) মন্ত্ৰ এটাত যুৱক-যুৱতীৰ প্ৰেম সম্বন্ধীয় কথা উল্লেখ আছে। আন এটা মন্ত্ৰমতে ধনীলোকৰ কন্যাৰ বিবাহৰ কাৰণে বহুতো যুৱক ইচ্ছুক হয়। অথর্ববেদত প্ৰেমিকে প্ৰেমত সাফল্য লাভৰ বাবে মন্ত্ৰসহ সম্পন্ন কৰা অভিচাৰ-ক্ৰিয়াৰ বৰ্ণনা আছে। প্ৰেমিকে কয়, 'তুমি মোৰ ওচৰলৈ আহা, মই কুঁহিয়াৰৰ জল লৈ তোমাৰ ওচৰলৈ যাওঁ।' তেনেকৈ প্ৰেমিকায়ো কয়, 'হে দেৱতাসকলহু তোমালোকে প্ৰেম প্ৰেৰণা কৰা, সেই পুৰুষৰ চিত্তত মোৰ প্ৰতি কামোদ্ৰেক হওঁক। হে মৰুৎসকলহু মোৰ বাবে তুমি পাগল হোৱা, মোৰ ওপৰতে যেন মৰা (অথর্ববেদ ১/৩৪/২, ৪, ৫)। এনেবোৰ বৰ্ণনাৰ পৰা বুজা যায় যে সেই কালত বাল্য বিৱাহৰ প্ৰচলন নাছিল। যুৱাৱস্থাত ডেকা-গাভৰুৱে স্বেচ্ছাই জীৱনৰ সঙ্গী বাচি লৈছিল।

কিন্তু সামাজিক দৃষ্টিৰে বিয়া-বাৰুৰ গুৰুত্ব অৱশ্যে আছিল। সমাজত যাগ-যজ্ঞৰ বেলিকা বিৱাহিত লোকৰ হে অধিকাৰ আছিল, বিপত্নীকৰ যজ্ঞানুষ্ঠান কৰা নিষেধ আছিল। ভাৰতীয় আদৰ্শমতে তিৰোতাই পুৰুষৰ পূৰ্ণতা প্ৰদান কৰে। পুত্ৰ লাভৰ বাবেও বিৱাহৰ প্ৰয়োজন। 'ব্ৰহ্মচৰ্য়েন কন্যা যুৱানং ৱিন্দতে পতিম্', অৰ্থাৎ পতিলাভৰ বাবে কন্যাই ব্ৰহ্মচৰ্যৰূপ নিয়মবোৰ পালন কৰিছিল। ইয়াৰ পৰাও বুজিব পাৰি যুৱতী হলেহে কন্যাৰ বিয়া অনুষ্ঠিত হৈছিল।

ঋগ্বেদৰ দশম মণ্ডলত প্ৰাপ্ত বিৱাহ সূক্তত সূৰ্য্যৰ বিয়াৰ যি বৰ্ণনা পোৱা যায়, সেইটো সেই কালৰ নৰ-নাৰীৰ বিয়াৰ প্ৰতীক স্বৰূপ। তাত উদাত্ত ভাষাৰে নৱবিৱাহিতা বধূক শহুৰ-শাহু, দেৱৰ-ননন্দসকলৰ ওপৰত সম্ৰাজ্ঞীৰ অধিকাৰ দান কৰা হৈছে। তাৰ পৰা শহুৰৰ ঘৰত বোৱাৰীৰ মহত্ত্বপূৰ্ণ অধিকাৰ সাব্যস্ত হয়।

তেতিয়াও বিৱাহ সংস্কাৰ উৎসৱৰ দৰে পালন কৰা হৈছিল। দৰা-ঘৰীয়াই লগৰীয়া লোকৰ সৈতে কইনাৰ ঘৰলৈ গৈছিল আৰু তাতে বিৱাহ সংস্কাৰ অনুষ্ঠিত হৈছিল। ঋগ্বেদত যৌতুক প্ৰথাৰ উল্লেখ নাই। বৈৱাহিক অনুষ্ঠানৰ ধৰ্মীয় গুৰুত্বও আছিল।

সেই সমাজত বিয়াৰ সময়ত জাতিৰ বিচাৰ কমেই চকুত পৰে। ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ মাজত বিৱাহ প্ৰায়েই অনুষ্ঠিত হৈছিল। উদাহৰণ স্বৰূপে ক'ব পাৰি যে ব্ৰাহ্মণ অগস্ত্যই বিদর্ভৰ ৰাজকুঁৱৰী লোপামুদ্ৰাক, চ্যৱান ঋষিয়ে শর্যাত মানৱৰ পুত্ৰী সুকন্যাক, কাক্ষ্বীৱতে ভাৱয়ব্যৰ পুত্ৰীক, শ্যাৱাশ্বই ৰথৱীতি দার্ভ্যৰ জীয়ৰীক বিয়া কৰাইছিল।

মৈত্ৰায়নী সংহিতাই মনুৰ দহজনী পত্নী আছিল বুলি কৈছে। তেতিয়া ৰজাসকলৰ বহুতো পত্নী আছিল। সতিনীৰ ভিতৰত কলহ হৈছিল। অথর্ববেদতে সপত্নীৰ বিপক্ষে অভিচাৰ ক্ৰিয়াৰ উল্লেখ আছে। অথর্ববেদতে এগৰাকী পত্নীয়ে এগৰাকীক অভিশাপ দি কৈছিল যে 'তোৰ কোনো সন্তান নহ'ব, তই পতিৰ বাবে বোজা হৈ পৰিবি।

বহু বিৱাহ পুৰুষৰ বাবেহে সম্ভৱ আছিল, স্ত্ৰীৰ বাবে একে সময়তে বহু পতি

গ্রহণ কৰাৰ ৰীতি নাছিল। (ঐতৰেয় ৩/২৩)। কিন্তু এজনী স্ত্রীয়ে ভিন্ ভিন্ সময়ত অর্থাৎ এক পতিৰ বিয়োগত দ্বিতীয় পতি গ্রহণ কৰিব পাৰিছিল। বিশেষতঃ পতিৰ বিয়োগত দেৱৰক পতিৰূপে গ্রহণত স্ত্রীক বাধা দিয়া নহৈছিল। দিধিষু, পৰপূর্বা আদি শব্দই তিৰোতাৰ দ্বিতীয় বা বিধৰা বিৱাহৰ প্রচলনকে সূচায়।

২.৩.৬ বর্ণ-ব্যৱস্থা

ঋগ্বেদৰ কালত বর্ণাশ্রম ব্যৱস্থাৰ কোনো স্পষ্ট ছবি চকুত নপৰে। বিশেষতঃ সেই কালত বর্ণবিলাকৰ উল্লেখে জাতিগত বা জন্মগত বর্ণ-ব্যৱস্থাৰ কোনো সঠিক উদাহৰণ দাঙি নধৰে। একমাত্র বহুবিখ্যাত পুৰুষ সূক্তত (১০/৯০/১২) চাৰিবর্ণৰ উল্লেখ একেলগে পোৱা যায় ঃ

ব্রাহ্মণোৎস্য মুখমাসীদ্
বাহু ৰাজন্যঃ কৃতঃ।
ঊৰু তদস্য যদ্বৈশ্যঃ
পদ্ভ্যাং শূদ্রো অজায়ত।।

ইয়াত প্রকাৰান্তৰে সমাজক এক পুৰুষ বুলি ধৰি তাৰ বিভিন্ন অঙ্গৰ কৰণীয় বা কার্যৰ নির্দেশহে কৰা হৈছে। বিৰাট্ পুৰুষৰ মুখৰপৰা ব্রাহ্মণসকলৰ জন্ম হৈছিল বুলি কোৱা হৈছে। অর্থাৎ ব্রাহ্মণসকল সমাজৰ মুখস্বৰূপ প্রধান অঙ্গ। ৰাজন্য বা ক্ষত্রিয়সকল বাহুবলী— তেওঁৰ জন্ম পুৰুষৰ বাহুৰূপে। তেনেকৈ সমাজ ৰূপী পুৰুষক স্থিৰ ৰূপে ৰাখিবলৈ শকত দুই ঊৰু আৰু পাদযুগলৰ আৱশ্যক। বৈশ্যসকলৰ জন্ম হৈছিল বিৰাট পুৰুষৰ ঊৰুৰ পৰা আৰু পাদযুগলৰ পৰা শূদ্রসকলৰ জন্ম হৈছিল। ইয়াৰ মাজত সমাজত বৈষম্যমূলক জাতিভেদৰ উল্লেখ পাবলৈ নাই। মনত ৰাখিবলগীয়া যে শূদ্র শব্দটো ঋগ্বেদৰ ১০৫৫২ মন্ত্রৰ ভিতৰত একমাত্র ইয়াতহে পোৱা যায়।

তথাপি কিছুমান পণ্ডিতে ইয়াৰ মাজত বর্ণব্যৱস্থাৰ অঙ্কুৰণ দেখা পাইছে। ঋগ্বেদৰ অর্বাচীন অংশত (দশম মণ্ডলত) প্রাপ্ত চাৰিবর্ণৰ উল্লেখৰ পৰা ধৰি লোৱা হয় আর্য সমাজত ইয়াৰ বিকাশ লাহে লাহে হয়তো হৈছে। বর্ণ ব্যৱস্থাৰ জটিলতা কালৰ গতিত বাঢ়িবলৈ ধৰে। ধর্মীয় অনুষ্ঠানবোৰৰ মহত্ব বঢ়াৰ লগে লগে আৰু জীৱনৰ প্রতি সলনি হোৱা দৃষ্টিকোণৰ দোহাই দি বর্ম সম্বন্ধীয় ভাৱনাবোৰ খৰখেদাকৈ প্রকাশ পাবলৈ ধৰিলে। সেয়ে বিয়া-বাৰুৰ নিয়মবোৰো অধিক কঠোৰ হ'বলৈ ধৰিলে। সমাজত মিশ্রণৰ ভয়ত নাৰীৰ স্বতন্ত্রতা খর্ব কৰাৰ দিশত আগবাঢ়িল। ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্যই এতিয়া সুসংগঠিতবর্ণৰ ৰূপ ধাৰণ কৰিলে। বর্ণ-ব্যৱস্থাৰ বিকাশ এইদৰে আৰম্ভ হ'ল যদিও ইয়াৰ পূর্ণতা লাভ ইমানতে সম্ভৱ নহ'ল।

ঋগ্বেদৰ পৰা বুজা যায় যে তেতিয়া আর্য সমাজত তেনেকৈ কোনো বর্ণবিভেদ নাছিল, সকলোৱে সমান মর্যাদা লাভ কৰিছিল। কিন্তু উত্তৰ বৈদিক যুগত ব্রাহ্মণসকলে

নিজৰ স্থিতিৰ বলত আৰু ক্ষত্রিয়সকলে বাহুবলৰ ওপৰত নির্ভৰ কৰি বৈশ্যসকলতকৈ উচ্চতৰ বুলি জহাবলৈ ধৰিলে। এই সময়ত ব্রাহ্মণ আৰু ক্ষত্রিয়ৰ মাজত মর্যাদাৰ ক্ষেত্রত বিশেষ তাৰতম্য নাছিল। সমাজত দুয়ো বর্ণই সমানে সমাদৃত হৈছিল। কোনো কোনো ৰাজন্যই যেনে— বিদেহ ৰাজ জনক, কাশীৰাজ অজাতশত্রু, কেকয়ৰাজ অশ্বপতি আৰু পাঞ্চালৰাজ প্রৱাহনে নিজৰ বৈদগ্ধ্যৰকাৰণে সমাজত প্রসিদ্ধি লাভ কৰিছিল। তেওঁলোকে ব্রাহ্মণকো উপদেশ দিছিল। কিন্তু যাগ-যজ্ঞৰ অনুষ্ঠান আৰু দান গ্রহণৰ ক্ষেত্রত ব্রাহ্মণৰ সৈতে কোনেও হেতা-ও পৰা কৰা নাছিল। ঋগ্বেদত প্রাপ্ত দানস্তুতিবোৰেও তাকে সমর্থন কৰে। এই কালছোৱাত বর্ণভেদৰ আধাৰ কর্মগত আছিল, জন্মগত নাছিল। এই যুগত সকলো শ্রেণীৰ লোকৰ মাজৰ পৰা ব্রাহ্মণত্ব লাভ কৰিছিল। তলত প্রতিটো বর্ণৰ বিষয়ে চমু বর্ণনা দিয়া হ'ল বিষয়টোৰ সম্যক জ্ঞানৰ বাবে।

ব্রাহ্মণ— কৃষ্ণযজুর্বেদীয় তৈত্তিৰীয় সংহিতা আৰু তৈত্তিৰীয় ব্রাহ্মণৰ মতে 'ব্রাহ্মণ দিব্য বর্ণময়, 'তেওঁ পৃথিৰীত প্রত্যক্ষ দেৱতা' আৰু তেওঁৰ সকলো দেৱতাই বাস কৰে।' পঞ্চবিংশ বা তাণ্ড্যব্রাহ্মণৰ মতে 'ব্রাহ্মণ ইমান পৰিত্র যে সেই বিষয়ে প্রশ্নৰ অৱকাশ নাই।' ইয়াৰ পৰা বুজা যায় যে উত্তৰ বৈদিক কালত ব্রাহ্মণসকলে সমাজত উচ্চতম স্থান অধিকাৰ কৰিছিল। শতপথ ব্রাহ্মণত ব্রাহ্মণক ক্ষত্রিয়তকৈ শ্রেষ্ঠ বোলা হৈছে। যাগ-যজ্ঞ অনুষ্ঠানৰ বৃদ্ধিৰ লগে লগে ব্রাহ্মণৰ পদমর্যাদা আৰু প্রতিষ্ঠা সুদৃঢ় হৈছিল। বিদ্যা আছিল ব্রাহ্মণৰ বলৰ আধাৰ। ব্রাহ্মণৰ কার্যক্ষেত্রৰ ভিতৰত বেদৰ পঠন-পাঠন, যজ্ঞ-সম্পাদন, ধর্মানুষ্ঠান আৰু ৰজাক মন্ত্রণা দানেই প্রধান আছিল। ব্রাহ্মণে নিজৰ তপস্যা, ত্যাগ আৰু আদর্শনীয় জীৱন-যাপনৰ বাবে সমাজত শ্রদ্ধাভাজন আছিল।

ক্ষত্রিয়— শতপথ ব্রাহ্মণৰ ঠাই বিশেষত ক্ষত্রিয় ব্রাহ্মণতকৈ শ্রেষ্ঠ বুলি কোৱা হৈছে। অনেক ক্ষত্রিয়ই গভীৰ অধ্যয়নৰ যোগেদি তত্ত্বজ্ঞান লাভ কৰিছিল। দেশৰক্ষা, সমাজ আৰু ৰাজ্যক সুব্যৱস্থা দান কৰা, শত্রুক জয় কৰা, ৰাজনৈতিক প্রভাৱ বিস্তাৰ কৰা ক্ষত্রিয়সকলৰ কর্তব্য আছিল। ক্ষত্রিয়সকলৰ সৈন্যবল, ৰাজনৈতিক প্রভুত্ব, বিদ্যাভ্যাস আছিল, যাৰ বলত তেওঁলোকৰ মতত্ত্ব ব্রাহ্মণতকৈ কিছু গুণেহে কম আছিল।

বৈশ্য— ব্রাহ্মণ আৰু ক্ষত্রিয়সকলৰ বাহিৰে আন সকলো আর্যক 'বিশ' অর্থাৎ প্রজাক বৈশ্য বোলা হৈছিল। এওঁলোক সকলোৱে ৰাজ্যত কৃষি, বাণিজ্য, উদ্যোগ, পশুপালন আদি আর্থিক দিশৰ কার্য সম্পন্ন কৰিছিল। ভৌগোলিক তথা অন্য ভালেমান কাৰণত বৈশ্যসকলৰ মাজত নানা উপজাতিগত বিভাজন হৈছিল। তেওঁলোকৰ অধিকাংশই কৃষি আৰু ব্যাপাৰ-বাণিজ্য কৰিছিল। কিছু সংখ্যক বৈশ্যই সোণাৰী, কমাৰ, কুমাৰ, বাঢ়ৈ, ৰথকাৰ আদিৰ কাম কৰি পেট-প্রবর্তন কৰিছিল। সেই বুলি তেওঁলোকৰ মাজত বুদ্ধিজীৱী যে নাছিল এনে নহয়। তেওঁলোকৰ মাজত মন্ত্রদ্রষ্টা ঋষিও আছিল।

শূদ্র— বৈদিক কালৰ বর্ণ ব্যৱস্থাত তিনিও বর্ণই সকলো আর্যকে সামৰি লৈছিল। তেওঁলোকৰ বাহিৰে অন্য নিম্নবর্গৰ অনার্য লোকসকলক চতুর্থ বর্ণত অন্তর্ভুক্ত কৰা

হৈছিল। এইসকল লোকে তিনি উচ্চ বর্ণৰ লোকৰ আলপৈচান ধৰিছিল। ঋগ্বেদত যিসকলক 'দস্যু' 'দাস' আদি আখ্যা দিয়া হৈছিল, তেওঁলোক শূদ্র বর্ণৰ ভিতৰুৱা আছিল। তথাপি কৱচ ঐলুষৰ দৰে শূদ্রবর্ণৰ লোককো ঋষিতুল্য বুলি কোৱা হৈছিল। অধিকাংশ শূদ্রবর্ণৰ লোকে শিক্ষাৰ পোহৰ পোৱা নাছিল। ঐতৰেয় ব্রাহ্মণৰ মতে শূদ্রসকল আর্যসকলৰ ভৃত্য আছিল। তেওঁলোকে সাধাৰণতে বেদ অধ্যয়নৰ পৰা বঞ্চিত আছিল। আর্যসকলে সততে শূদ্রসকলৰ সৈতে বৈৰাহিক সম্বন্ধৰ পৰা বিৰত আছিল। তেওঁলোকে মাটিবাৰীৰ অধিকাৰী হ'ব নোৱাৰিছিল।

২.৩.৭ আশ্রম ব্যৱস্থা

বর্ণ ব্যৱস্থাৰ লগে লগে আশ্রম-ব্যৱস্থাকো বৈদিক সমাজৰ মুখ্য আধাৰ-স্তম্ভ বোলা হৈছিল। সেই সময়ত মানুহৰ পূর্ণ আয়ুস এশ বছৰ বুলি ধৰা হৈছিল। জীৱনটোক চাৰিটা ভাগত ভাগ কৰা হৈছিল। প্রতিটো অংশৰে গড় আয়ুস আছিল ২৫ বছৰ। এই বিভাগবোৰ ক্রমশঃ ব্রহ্মচর্য, গার্হস্থ্য, বাণপ্রস্থ আৰু সন্ন্যাস আশ্রম নামে জনাজাত আছিল। সমাজত প্রতিজন ব্যক্তিয়ে জীৱনৰ প্রথম পঁচিশ বছৰ ব্রহ্মচর্যাশ্রমত বেদাদি অধ্যয়ন কৰি কটাবলগীয়া হৈছিল। এই সময়ছোৱাত প্রত্যেক ব্যক্তিয়ে গুৰুগৃহত বিদ্যাভ্যাস কৰি সময় কটাইছিল। গুৰুৰ গৃহত বাস কৰোঁতে বিদ্যার্থীয়ে গুৰুৰ গোপালন, অগ্নিচর্যা, অন্নভিক্ষাৰ দৰে কার্যবোৰ কৰিবলগীয়া হৈছিল। বিশেষতঃ পুৱা আৰু আবেলি সমিধ আহৰণ আৰু ভিক্ষাচর্যা তেওঁলোকৰ বাবে নিত্য আৰু অনিবার্য কার্য আছিল।

প্রথম পঁচিশ বছৰত ব্যক্তিয়ে বিদ্যাভ্যাস কৰি দ্বিতীয় পঁচিশ বছৰত (২৬-৫০) তেওঁ ঘৰলৈ উভতি আহি বিয়া-বাৰু কৰাই গার্হস্থ্য জীৱনত প্রৱেশ কৰিছিল। আগৰ আশ্রমত পিতৃ-ঋণ, দেৱ ঋণ আৰু ঋষি ঋণ পৰিশোধৰ যি প্রস্তুতি কৰা হৈছিল, তাকে এই আশ্রমত পৰিশোধৰ অৱসৰ পোৱা যায়। পিতৃ ঋণৰ পৰা মুক্ত হ'বলৈ বীর্যৱান পুত্র সন্তান জন্ম দিয়ে গৃহস্থজনে। বেদ অধ্যয়নৰ দ্বাৰা আত্মবিকাশ কৰি গৃহস্থজনে দেৱ ঋণ আৰু ঋষি ঋণ পৰিশোধৰ ব্যৱস্থা কৰে। যাগ-যজ্ঞৰে দেৱ ঋণ আৰু স্বাধ্যায়-প্রবচনৰে ঋষি ঋণ পৰিশোধ হয়। গৃহস্থই পঞ্চমহাযজ্ঞৰ অনুষ্ঠানৰ জৰিয়তে ঋণবোৰৰ পৰিশোধ কৰে। তেওঁ ধর্ম, অর্থ, কাম আৰু মোক্ষ এই চতুর্বর্গৰ সমভাবে অনুষ্ঠান কৰি সার্থকৰূপে গার্হস্থ্য জীৱন নির্বাহ কৰা প্রয়োজন। প্রকৃততে চাৰি আশ্রমৰ ভিতৰতে গার্হস্থ আশ্রমকে মূল বা শ্রেষ্ঠ আশ্রম বোলা হয়; কাৰণ, অন্য তিনি আশ্রমৰ নির্বাহ হয় গার্হস্থ্যাশ্রমৰ আশ্রয় লৈ।

এই গার্হস্থ্যাশ্রমৰ সার্থক সমাপ্তিৰ পাছত আহে তৃতীয় আশ্রম-বান প্রস্থাশ্রম। জীৱনৰ এই তৃতীয় ভাগত প্রতিজন লোকে তপস্যা আদিৰ দ্বাৰা সংযত হৈ কাল নিয়াব লাগে। এই বান প্রস্থীয়ে আত্মবিকাশৰ পথত প্রবৃত্ত হৈ দেশ আৰু সমাজৰ হিতৰ অর্থে নিজৰ পৰিণত অভিজ্ঞতা আৰু জ্ঞানৰ সহায়ত যথোচিত কার্য সম্পন্ন কৰিব পাৰে। উপনিষদতে ইয়াৰ উদাহৰণ পোৱা যায়।

মানুহে আগৰ তিনিটা আশ্রম যথোচিতৰূপে অতিবাহিত কৰি সন্ন্যাস আশ্রমত প্রৱেশ কৰে জীৱনৰ চতুর্থ ভাগত। এই আশ্রমত প্রৱেশ কৰোঁতে ব্যক্তিজনে সংসাৰৰ সকলো মায়া-বন্ধন ত্যাগ কৰিব লগীয়া হয়। সকলো বন্ধনৰ পৰা মুক্ত হৈ আধ্যাত্মিক বলেৰে বলীয়ান হৈ এই সন্ন্যাস আশ্রমত সোমায় গৃহত্যাগী ব্যক্তিয়ে। সন্ন্যাসীজনে একে ঠাইতে সৰহ কাল নেথাকে। পৰিভ্রমী চৰাইৰ দৰে তেওঁ অনবৰতে দেশ পর্যটন কৰি ফুৰে, সেয়ে তেওঁৰ আন নাম পৰিব্রাজক। ভগৱৎ ভক্তি আৰু মুক্তিকেই সাৰোগত কৰি সন্ন্যাসীয়ে নির্লিপ্ত জীৱন-যাপন কৰে। ভিক্ষা কৰি আৰু হাবি-বননিত তল সৰা ফল আৰু লতাৰ মূল ভক্ষণ কৰি সন্ন্যাসীয়ে জীৱন-যাপন কৰে। তেওঁলোকে লোকালয়ৰ পৰা আঁতৰত গিৰি-গুহা বা বনৰ মাজত পর্ণকুটীৰত দিন কটোৱাটো নিয়ম।

আর্যসকলৰ মাজত প্রচলিত এই চাৰি আশ্রমৰ ব্যৱস্থাই সমাজত এনেদৰে শিপাইছিল যে কোনেও তাৰ ব্যতিক্রম কৰিবলৈ নোৱাৰিছিল। বৰঞ্চ সনাতন আর্য ধর্মৰ বিৰোধ আচৰণ কৰি উদ্ভূত হোৱা জৈন আৰু বৌদ্ধ ধর্মীসকলৰ বাবেও সন্ন্যাসাশ্রম হৈ পৰিছিল আদর্শনীয়।

২.৪ পঞ্চমহাযজ্ঞ

আর্যসকলে বৈদিক কালত গার্হস্থ্য আশ্রমত নিতৌ পাঁচবিধ যজ্ঞ কৰিব লাগিছিল। এই যজ্ঞবোৰ কৰিবলগীয়া হৈছিল তিনি প্রকাৰ ঋণ পৰিশোধৰ বাবে আৰু অন্য জীৱ-জন্তুৰ প্রতি থকা অনুভূতিৰ বাবে। এই যজ্ঞীয় ভাৱনা গুৰুৱে স্নাতকৰ সমাবর্তন উৎসৱতে উপদেশ ৰূপে প্রকৃত কৰিছিল। তাত তেওঁ কয়, 'সত্যং ৱদ। ধর্মং চৰ। স্বাধ্যায়ন্মা প্রমদঃ। দেৱপিতৃকার্য়াভ্যাং মা প্রমদঃ। মাতৃদেৱো ভৱ। পিতৃদেৱো ভৱ। আচার্য় দেৱো ভৱ। অতিথিদেৱো ভৱ ইত্যাদি (শিক্ষাবল্লী, তৈত্তিৰীয় উপনিষদ্)।

শতপথ ব্রাহ্মণত (১১/৫/৬/১) পোনতে পঞ্চ মহাযজ্ঞৰ উল্লেখ দেখা যায়, যথা ব্রহ্মযজ্ঞ, ভূতযজ্ঞ, নৃযজ্ঞ, দেৱযজ্ঞ আৰু পিতৃযজ্ঞ। আশ্বালায়ন গৃহ্যসূত্রত (৩/১/১-৪) এই যজ্ঞবোৰৰ চমু বর্ণনা এনেকৈ সৰল সংস্কৃতত পোৱা যায়। 'ওঁ অথাতঃ পঞ্চযজ্ঞাঃ। দেৱযজ্ঞো ভূতয়জ্ঞঃ পিতৃযজ্ঞো ব্রহ্মযজ্ঞো মনুষ্যযজ্ঞ ইতি। তদগ্নে জুহোতি স দেৱযজ্ঞৌ, যদ্ বলিং কৰোতি স ভূতযজ্ঞো, ষৎ পিতৃভ্যো দদাতি স পিতৃযজ্ঞো, যৎ স্বাধ্যায়মধীয়তে স ব্রহ্মায়জ্ঞো, যন্মনুষ্যেভ্যো দদাতি স মনুষ্যযজ্ঞ ইতি। তানেতান্ যজ্ঞান্ অহৰহঃ কুর্বীতে।' অর্থাৎ ইয়াৰ পাছত পাঁচবিধ মহাযজ্ঞৰ কথা কোৱা হৈছে। যথা দেৱযজ্ঞ, ভূত যজ্ঞ, পিতৃযজ্ঞ, ব্রহ্মযজ্ঞ আৰু মনুষ্যযজ্ঞ। যেতিয়া অগ্নিত আহুতি দিয়া হয় সেয়ে দেৱযজ্ঞ, প্রাণীৰ উদ্দেশ্যত নৈৱেদ্য দিয়া হয় সেয়ে ভূতযজ্ঞ (বা বলিহৰণ), যেতিয়া পিতৃসকললৈ দ্রব্যদান কৰা হয় সেয়া পিতৃযজ্ঞ, যেতিয়া স্বাধ্যায়ৰ অধ্যয়ন কৰা হয় সেয়ে ব্রহ্মযজ্ঞ, যেতিয়া কোনো মানুহক (অন্নাদি দান কৰা হয় সেয়ে মনুষ্যযজ্ঞ (বা নৃযজ্ঞ)। এই যজ্ঞ অহৰহ। (অর্থাৎ সদায়) অনুষ্ঠিত কৰা উচিত।

তলত এই যজ্ঞবোৰৰ চমু বিৱৰণ দিয়া হ'ল ঃ

ব্রহ্মযজ্ঞ — বেদ অধ্যয়ন বা স্বাধ্যায়ক বুজাবলৈ ব্রহ্মযজ্ঞ শব্দ প্রযুক্ত হৈছে। বোধায়নৰ মতে গৃহস্থই গার্হপত্য বা উপাস্য অগ্নিৰ পশ্চিমফালে বহি অগ্নিক সম্বোধন কৰে, তাৰ পাছত তেওঁ তিনিবাৰ প্ৰাণায়াম কৰি এহাজাৰ বাৰ বা এশ বাৰ বা অন্ততঃ দহবাৰ সাৱিত্রী মন্ত্র জপ কৰিব। তাৰ পাছত তেওঁ বেদসমূহৰ প্রতীক মন্ত্রবোৰ আবৃত্তি কৰিব লাগে।

অন্য এক গৃহ্যসূত্রৰ মতে গৃহস্থই (ওঁঙ্কাৰ পূর্বক ব্যাহৃতিসহ) গায়ত্রী মন্ত্র জপ কৰাৰ পাছত ঋক্, যজুস্, সাম, অথর্ব, অঙ্গিৰস, ব্রাহ্মণ, কল্প, গাথা, নাৰাশংসী, ইতিহাস আৰু পুৰাণৰ কিয়দংশ আবৃত্তি কৰিব আৰু অগ্নি, পৃথিৱী, ঔষধি, বাক্, বনস্পতি আৰু বিষ্ণুলৈ সেৱা জনাব লাগে।

এই পঞ্চ মহাযজ্ঞ সমাজত গৃহস্থজনৰ অৱশ্যকৰণীয় কার্য বুলি ইয়াত চমু আলোচনা কৰা হৈছে। দেৱযজ্ঞৰে দেৱঋণ, পিতৃযজ্ঞৰে পিতৃঋণ আৰু ব্রহ্মযজ্ঞৰে ঋষিঋণ পৰিশোধ হয়। ভূতযজ্ঞ আৰু নৃযজ্ঞৰ দ্বাৰা মানৱীয় কর্তব্য সাধিত হয়।

দেৱযজ্ঞ — প্রতিজন আহিতাগ্নি দ্বিজ বা গৃহস্থই প্রতিদিনে ৰাতিপুৱা আৰু গধূলি পৰত যজ্ঞৰ উপযোগী দ্রব্য ক্রমে অগ্নি আৰু প্রজাপতিক আৰু সূর্য আৰু প্রজাপতিলৈ আহুতি দিয়ে। ভাৰদ্বাজ গৃহ্য সূত্রৰ মতে গৃহস্থজনে আজীৱন পুৱা আৰু গধূলি অগ্নিত যৱ বা চাউলৰ গুৰিৰে প্রস্তুত কৰা পুৰোজশৰ আহুতি দিয়া নিয়ম।

ভূতযজ্ঞ — যজ্ঞাগ্নিৰ বাহিৰত অন্যত্র ভোজ্যবস্তু প্রাণীসকলৰ বাবে বিতৰণ কৰাকে ভূতযজ্ঞ বা বলিহৰণ বোলে। গৃহস্থই দেৱযজ্ঞ কৰি অগ্নিশালাৰ বাহিৰত পৰিস্কৃত ঠাইত পানী ছটিয়াই তাৰ ওপৰত বলি বা নৈৱেদ্য বিতৰণ কৰে। পৃথিৱী, বায়ু, বিশ্বেদেৱা আৰু প্রজাপতিলৈ বলিদান কৰে। তাৰ পাছত জলপাত্রৰ ওচৰত, ঘৰৰ মুধচৰ খুটাৰ কাষত বলি দিব লাগে। দুৱাৰৰ ওচৰতো এটা বলি দিব লাগে। শোৱনি ঘৰত কাম বা মন্যুলৈ এটা বলি দিয়া হয়। বিভিন্ন গৃহ্যসূত্রত ইয়াৰ বিবিধ বর্ণনা পোৱা যায়।

পিতৃযজ্ঞ — মৃত পিতৃৰ উদ্দেশ্যত কৰা জলাদি তর্পণকে পিতৃযজ্ঞ বোলে। আপস্তম্বৰ মতে ভূতযজ্ঞৰ পাছতে পিতৃযজ্ঞৰ অনুষ্ঠান হ'ব লাগে। বৈশ্বদেৱ যজ্ঞৰ বাবে তৈয়াৰ কৰা অন্নৰ বাকী অংশ 'পিতৃভ্যঃ স্বধা' বুলি দক্ষিণ দিশত টালি দিব লাগে। মনুৰ মতে পিতৃৰ প্রতি তর্পণ কৰাকে (পানীৰ আঁজলি দিয়াকে) পিতৃযজ্ঞ বোলা হয়।

নৃযজ্ঞ বা মনুষ্যযজ্ঞ — সূত্রকাৰসকলৰ মতে বৈশ্বদেৱ যজ্ঞ কৰাৰ পাছতে গৃহস্থই কোনো অতিথিৰ আগমনলৈ অপেক্ষা কৰে। আগন্তুক অতিথিক খুউওৱাৰ পাছতহে গৃহস্থই ভোজন কৰিব লাগে। সাংখ্যায়ন গৃহ্যসূত্রৰ মতে দেৱযজ্ঞ, ভূতযজ্ঞ আৰু পিতৃযজ্ঞ কৰাৰ পাছত গৃহস্থই শ্রোত্রিয় ব্রাহ্মণক অন্নদান কৰিব। তাৰ পাছত ব্রহ্মচাৰীক অন্নদান কৰিব। তাৰ পাছত পৰিয়ালৰ লোকক খুৱাব, কুকুৰক মাটিত অন্ন দিব, চণ্ডালক খুৱাব আৰু চৰাই-চিৰিকটিলৈ অন্ন দিব।

২.৫ শিক্ষা-ব্যৱস্থা

ঋগ্বেদকে ধৰি সকলো সংহিতা, ব্রাহ্মণ, উপনিষদ তথা সূত্র সাহিত্যৰ পৰা বৈদিক যুগৰ শিক্ষা পদ্ধতিৰ অনেক কথা জনা যায়। সেই বিদ্যা-বুদ্ধিত পৈণত গুৰুৰ আশ্রমেই বিদ্যা-শিক্ষ্যাৰ স্থল আছিল। সেইবাবে সেই বিদ্যা চর্চাৰ প্রণালীক গুৰুকুল শিক্ষা পদ্ধতি বোলা হৈছিল। তাত স্বনামধন্য একোজন গুৰুৱে শিক্ষাৰ কেন্দ্র বিন্দু আছিল। ইচ্ছুক ছাত্রই হাতত সমিধ লৈ গুৰুৰ ওচৰ চাপিছিল। গুৰুৱে উপাগত শিষ্যৰ উপনয়ন সংস্কাৰ কৰি নিজৰ কুলৰ সদস্যৰূপে তেওঁক স্বীকাৰ কৰি লৈছিল। উপনীত শিষ্যই গুৰুৰ কুলৰসদস্য ৰূপে কার্য নির্বাহ কৰিছিল। প্রধানতঃ তেওঁ পুৱা-গধূলি অৰণ্যত সমিধ কাঠ আহৰণ কৰি গুৰুৰ ঘৰত থকা গার্হপত্য অগ্নিৰ পৰিচর্যা কৰিছিল। তেনেকৈ শিষ্যই ভিক্ষাচর্যা কৰি গুৰুৰ ঘৰত জীৱন-নির্বাহ কৰিছিল। তদুপৰি গুৰুৰ গো-সম্পদৰ প্রতিপালন কৰিছিল। এইদৰে গুৰুৰ গৃহত কটোৱা শিষ্যৰ জীৱনক ব্রহ্মচর্যাশ্রম বুলি কোৱা হৈছিল। এই কালছোৱাত বিশাল পাণ্ডিত্যৰ অধিকাৰী গুৰুৰ ওচৰত ব্রহ্মচর্য্যব্রতী শিষ্য নানা বিষয়ক বিদ্যাৰ জ্ঞান আহৰণ কৰিছিল। গুৰুকুলৰ উপৰিও পৰিষদ বা পার্ষদ নামে উচ্চ শিক্ষাৰ কেন্দ্র আছিল বুলিও অনুমান কৰা হয়।

ঋগ্বেদ আদি সংহিতাত বিভিন্ন শাস্ত্র আৰু বিদ্যাৰ জ্ঞান নিহিত আছে। তেতিয়া সাহিত্যৰ বিভিন্ন অঙ্গৰ বিকাশ ঘটিছিল। বৈদিক সাহিত্যৰ সংহিতাপাঠ, পদপাঠ, ক্রমপাঠ আদি তথা উদাত্ত, অনুদাত্ত, স্বৰিতাদি স্বৰৰ প্রয়োগৰ পৰা তেতিয়াৰ দিনত ব্যাকৰণ, প্রাতিশাখ্য, শিক্ষাদিৰ বিকাশ বুজিব পাৰি। গায়ত্রী, ত্রিষ্টুপ্, অনুষ্টুপ, জগতী, পংক্তি আদি ছন্দবোৰেও বিকাশ লাভ কৰিছিল। ইয়াৰ উপৰিও নাসদীয় সূক্ত, হিৰণ্য গর্ভসূক্ত, পুৰুষ সূক্তৰ পৰা দর্শনশাস্ত্র, সমাজশাস্ত্র, অর্থশাস্ত্র আদিৰো বিকশিত ৰূপ দেখা যায়। উষা, সূর্য, সবিতা, ৰাত্রি, বৰুণ আদি সূক্তত সুন্দৰ কাব্য কলাৰ উদাহৰণ চকুত পৰে। জ্যোতিষ শাস্ত্র, গণিত আদি বিদ্যা, আয়ুর্বেদ আদিৰ তথ্যও তাত দৃষ্টিগোচৰ হয়। ভূগোল আৰু বুৰঞ্জীৰ তথ্য পাতিও ঋগ্বেদাদিত দেখা পোৱা যায়।

ছান্দোগ্য উপনিষদত মহর্ষি সনৎকুমাৰে কৰা প্রশ্নৰ উত্তৰত নাৰদে ইতিমধ্যে জ্ঞাত শাস্ত্রৰ কথা এনেদৰে কয়— ভগৱান্হ্ল মই ইতিমধ্যে ঋগ্বেদ, যজুর্বেদ, সামবেদ, অথর্ববেদ, ইতিহাস-পুৰাণ বেদার্থৰ সহায়ক গ্রন্থ, পিতৃবিদ্যা, ৰাশিবিদ্যা, দেৱবিদ্যা, নিধিবিদ্যা, বাকোবাক্যবিদ্যা, একায়নবিদ্যা, ভূতবিদ্যা, ক্ষত্রবিদ্যা, নক্ষত্রবিদ্যা, সর্প আৰু দেৱজনবিদ্যা অধ্যয়ন কৰিছোঁ।' সম্ভৱতঃ সেই সময়ত সঙ্গীত আৰু অভিনয় বিদ্যাৰ প্রসাৰো ঘটিছিল। তদুপৰি অধ্যাত্মবিদ্যাৰো বিকাশ হৈছিল।

উত্তৰ বৈদিক যুগত ব্রাহ্মণসকলৰ তুলনাত ক্ষত্রিয়সকলে বিদ্যা-বুদ্ধিৰ ক্ষেত্রত অধিক উন্নতি লাভ কৰিছিল। বিবিধ শাস্ত্রৰ জ্ঞান থকা ৰজাসকলে পণ্ডিতসকলৰ সভা আহ্বান কৰি ব্রহ্মবিদ্যাৰ দৰে বিষয়ৰ আলোচনাত উদগনি দিছিল। এই ক্ষেত্রত বিদেহৰাজ জনক আগৰণুৱা আছিল। পাঞ্চাশৰাজ প্রৱাহন জৈৱলি, জানশ্রুতি পৌত্রায়ন, বৃহদ্রথ আদিৰ নামো এই দিশত উল্লেখনীয়। উপনিষদৰ কালত যাজ্ঞবল্ক্য যথাসম্ভৱ শ্রেষ্ঠ ব্রহ্মবিদ আছিল। উদ্দালক আৰুণি, তেওঁৰ পুত্র স্বেতকেতুৰ নামো উল্লেখনীয়।

বৈদিক কালত নাৰীসকলেও পুৰুষৰ সমানে শিক্ষা লাভ কৰিছিল। ঘোষা, অপালা, লোপামুদ্রা আদিয়ে ঋষিকাৰূপে খ্যাতি লাভ কৰিছিল। গার্গী, মৈত্রেয়ী প্রভৃতিয়ে ব্রহ্মবিদ্যাত পাৰদর্শিতা লাভ কৰিছিল।

এইদৰে আপুনি বৈদিক যুগৰ শিক্ষাৰ কিছু আভাস লাভ কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ বৈদিক সমাজত পৰিয়ালৰ মুৰব্বীজনক কি বোলা হৈছিল?

.....

প্রশ্ন নং ২ঃ বৈদিক সমাজত লোকসকলে প্রধানকৈ কি কি প্রাণী পালন কৰিছিল?

.....

প্রশ্ন নং ৩ঃ বৈদিক কালৰ খাদ্য তালিকাত প্রধানকৈ কি কি শস্যজাত দ্রব্য অন্তর্ভুক্ত হৈছিল।

.....

প্রশ্ন নং ৪ঃ বৈদিক যুগৰ পানীয় কি কি আছিল?

.....

প্রশ্ন নং ৫ঃ বৈদিক সমাজৰ লোকসকলৰ পৰিধেয় বস্ত্র কিহেৰে নির্মিত হৈছিল?

.....

প্রশ্ন নং ৬ঃ সেই সময়ৰ নাৰীৰ প্রিয় অলংকাৰ কি কি আছিল?

.....

প্রশ্ন নং ৭ঃ ঋক্‌বেদৰ কোনটো সূক্তত চাৰি বর্ণৰ উল্লেখ একেলগে কৰা হৈছে?

.....

প্রশ্ন নং ৮ঃ পঞ্চ মহাযজ্ঞৰ নামকেইটা কি কি?

.....

প্রশ্ন নং ৯ঃ প্রাচীন ভাৰতীয় শিক্ষা প্রণালীটোৰ নাম কি?

.....

প্রশ্ন নং ১০ঃ বৈদিক সমাজৰ ব্রহ্মবিদ্যাত পাৰদর্শী নাৰী দুগৰাকীৰ নাম উল্লেখ কৰক।

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা বৈদিক যুগৰ সমাজ সম্বন্ধে থূলমূলকৈ আপুনি এনেবোৰ কথা শিকিলে—

- সেই যুগৰ সমাজ যে পিতৃ প্ৰধান আছিল, তাৰ আভাস পালে।
- বৈদিক যুগৰ পানাহাৰৰ কথা জানিলে।
- বৈদিক যুগৰ লোকসকলৰ বসন-ভূষন আৰু মনোৰঞ্জনৰ আহিলাৰ বিষয়ে জানিলে।
- বৈদিক যুগৰ নাৰীসকলৰ উৎকৰ্ষৰ কথা জানিলে।
- বৈদিক যুগৰ বিৱাহ অনুষ্ঠানৰ ভূ পালে।
- সেই কালৰ বৰ্ণ ব্যৱস্থাৰ বিষয়ে জানিলে।
- সেই কালৰ আশ্ৰম ব্যৱস্থাৰ কথা শিকিলে।
- বৈদিক যুগৰ সমাজত গৃহস্থৰ বাবে বিহিত পঞ্চমহাযজ্ঞৰ আভাস পালে।
- শেষত বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ আভাস পালে।



২.৭ অধিক জানিবলৈ

1) Das, A. C. (1925), *Rqvedic Culture*; Calcutta.
2) Kausambe, D.D. (1965), *The Culture and Civilization of Ancient India*, London.
3) Panikkar, K.M. (1947), *A Survey of Indian History*, Bombay.
4) Altebar, A. S. (2009), *Position of Women in Hindu Civilization*, Delhi.
5) শৰ্মা, থানেশ্বৰ (২০০৯), *বেদৰ সৌৰভ*, পুৰণিগুদাম।



২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বৈদিক সমাজত পৰিয়ালৰ মুৰব্বীজনক কুলপতি বোলা হৈছিল।

২ নং প্রশ্নৰ উত্তৰঃ বৈদিক সমাজৰ লোকসকলে প্রধানকৈ গো-মহিষ, ছাগলী, ভেৰা আদি পালন কৰিছিল।

৩ নং প্রশ্নৰ উত্তৰঃ বৈদিক সময়ৰ খাদ্য তালিকাত প্রধানকৈ ঘেঁহু, যৱ, চাউল, মগু দাইল বা আন মাহজাতীয় শস্যজাত দ্রব্য অন্তর্ভুক্ত হৈছিল।

৩ নং প্রশ্নৰ উত্তৰঃ বৈদিক যুগত গাখীৰ, মৌ, পানী, সোম আৰু সুৰা পানীয়ৰূপে ব্যৱহৃত হৈছিল।

৫ নং প্রশ্নৰ উত্তৰঃ বৈদিক সমাজৰ লোকৰ পৰিধেয় সামগ্রী নির্মিত হৈছিল প্রধানকৈ কপাহী সূতা,ঊণ আৰু মৃগৰ ছালেৰে।

৬ নং প্রশ্নৰ উত্তৰঃ সেই সময়ত নাৰীৰ প্রিয় অলংকাৰৰ ভিতৰত উল্লেখযোগ্য আছিল নিষ্ক, প্রৱর্ণ, প্রকাশ, বিমুক্তা আদি।

৭ নং প্রশ্নৰ উত্তৰঃ ঋগ্বেদৰ দশ মণ্ডলৰ পুৰুষসূক্তত (১০/৯০/১২) ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, সূত্র— এই চাৰি বর্ণৰ উল্লেখ একেলগে কৰা হৈছে।

৮ নং প্রশ্নৰ উত্তৰঃ পঞ্চ মহাযজ্ঞকেইটা হৈছে (১) ব্রহ্মযজ্ঞ, (২) দেৱযজ্ঞ, (৩) ভূতযজ্ঞ, (৪) পিতৃযজ্ঞ (৫) নৃযজ্ঞ বা মনুষ্যযজ্ঞ

৯ নং প্রশ্নৰ উত্তৰঃ প্রাচীন ভাৰতীয় শিক্ষা প্রণালীটোৰ নাম হৈছে গুৰুকুল শিক্ষাপদ্ধতি।

১০ নং প্রশ্নৰ উত্তৰঃ বৈদিক সমাজৰ ব্রহ্মবিদ্যাত পাৰদর্শী নাৰীসকলৰ ভিতৰত দুগৰাকী হৈছে গার্গী আৰু মৈত্রেয়ী।



২.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ বৈদিক সমাজ ব্যৱস্থাত পিতৃৰ ভূমিকা কেনে আছিল চমুকৈ লিখক।

প্রশ্ন ২ঃ বৈদিক যুগৰ দৈনন্দিন জীৱন কেনে আছিল চমুকৈ লিখক।

(খ) চুটি প্রশ্ন

প্রশ্ন ১ঃ বৈদিক যুগত নাৰীৰ অৱস্থা কেনেকুৱা আছিল?

প্রশ্ন ২ঃ বৈদিক কালত বর্ণাশ্রম ব্যৱস্থা কেনেকুৱা আছিল?

(গ) ৰচনাধর্মী প্রশ্ন

প্রশ্ন ১ঃ বৈদিক সমাজত পঞ্চমহাযজ্ঞৰ অনুষ্ঠান সম্বন্ধে চমু প্রবন্ধ লিখক।

প্রশ্ন ২ঃ বৈদিক যুগৰ সমাজত শিক্ষা ব্যৱস্থা কেনে আছিল সেই বিষয়ে চমু আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ বৈদিক সংস্কৃতি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ সংস্কৃতি শব্দৰ ব্যুৎপত্তি আৰু অর্থ

৩.৪ আর্থিক অৱস্থা

- ৩.৪.১ কৃষি
- ৩.৪.২ পশুপালন
- ৩.৪.৩ বাণিজ্য আৰু উদ্যোগ

৩.৫ ৰাজনৈতিক অৱস্থা

৩.৬ ধর্মীয় অৱস্থা

- ৩.৬.১ বৈদিক যাগ-যজ্ঞ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- বৈদিক কালৰ সংস্কৃতিৰ কিছু আভাস পাব
- 'সংস্কৃতি' শব্দৰ তাৎপর্য বুজিব পাৰিব
- বৈদিক কালৰ আর্থিক অৱস্থাৰ বিষয়ে আভাস পাব
- বৈদিক কালৰ কৃষি, বাণিজ্যৰ আভাস পাব
- বৈদিক কালৰ পশুপালনৰ আভাস পাব
- বৈদিক কালৰ ৰাজনৈতিক অৱস্থাৰ আভাস পাব
- বৈদিক কালৰ ধর্মীয় অৱস্থাৰ বিষয়ে জানিব পাৰিব।

৩.২ পৰিচয়

বৈদিক কাল আমাৰ ভাৰতীয় ইতিহাসৰ প্রথম পর্ব। গতিকে এই অধ্যায়টো অধ্যয়ন কৰি আপুনি ভাৰতীয় সংস্কৃতিৰ প্রাচীনত্ব সম্বন্ধে জ্ঞান লাভ কৰিব। প্রাচীনতম সমাজত প্রচলিত আর্থিক অৱস্থাৰ পৰিচয় পাব। সেইকালৰ পশুপালন, কৃষি, বাণিজ্য আদি অৱস্থাৰ সৈতে পৰিচিত

হ'ব পাৰিব। কেৱল তেনে নহয়, এই অধ্যায়ৰ অধ্যয়নে আপোনাক বৈদিক যুগৰ ৰাজনৈতিক অৱস্থাৰ আভাস পোৱাত সহায় কৰিব। ৰাজনৈতিক সংগঠন, ৰজা আৰু ৰাজবিষয়া, তেতিয়াৰ প্ৰদান ৰাজ্যবোৰৰ সৈতেও পৰিচিত হ'ব পাৰিব। একেদৰে এই অধ্যায়ত বৈদিক কালৰ ধৰ্মীয় অৱস্থাৰ পৰিচয়ো পাব। বৈদিক কালৰ দেৱতাসকল, বিভিন্ন সিদ্ধান্ত, যাগ যজ্ঞ আদিৰ পৰিচয়ো এই অধ্যায়ৰ পৰা লাভ কৰিব।

কোৱা বাহুল্য যে বৈদিক সংস্কৃতি বৰ ব্যাপক বিষয়। তাৰ সম্যক পৰিচয় লাভ কৰিবলৈ হ'লে আমি বৈদিক সাহিত্যসমূহেৰে পৰিচিত হ'ব লাগে। বৈদিক সাহিত্যই হাজাৰ হাজাৰ বছৰ ধৰি ৰচিত, চর্চিত, অনুশীলিত ঋগ্বেদ, সামবেদ, যজুর্বেদ, অথর্ববেদৰ ভিতৰুৱা মন্ত্ৰ,ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ, তথা শিক্ষা, কল্প, নিৰুক্ত, ব্যাকৰণ, ছন্দ আৰু জ্যোতিষ প্ৰভৃতি বেদাঙ্গ সাহিত্যক বৈদিক সাহিত্যই সামৰি লয়। এই অধ্যায়ত সেই যুগৰ সভ্যতা-সংস্কৃতিৰ কিছু পৰিচয় লাভ কৰিব।

৩.৩ সংস্কৃতি শব্দৰ ব্যুৎপত্তি আৰু অর্থ

এতিয়া আপুনি 'সংস্কৃতি' শব্দটোৰ ব্যুৎপত্তি আৰু অর্থৰ বিষয়ে জানিব পাৰিব। 'সংস্কৃতি' শব্দটোৰ মূল 'কৃ' ধাতু, অর্থাৎ 'কৰা'। প্ৰকৃততে ব্যাকৰণগত ব্যুৎপত্তি এনেকুৱা ঃ সম্ + সুট্ আগম +কৃ ধাতু + ক্তিন্ প্ৰত্যয় = সম্ + স্ + কৃ + তি = সংস্কৃতি। ইয়াৰ অর্থ সম্যক কৃতি বা কার্য। অর্থাৎ বিবেক বুদ্ধিৰে কৰা মানুহৰ সকলো কার্যকে সংস্কৃতি বোলে। ইয়াৰ ইংৰাজী প্ৰতিশব্দ culture, ই লেটিন cultus শব্দৰ পৰা উদ্ভৱ হৈছে। মানুহৰ ক্ৰিয়া-কলাপ, সংস্কাৰ, পৰিষ্কাৰ পৰিচ্ছন্নতা বুজাবলৈ ইয়াৰ সমগোত্ৰীয় লেটিন শব্দ cultura বর্তমান ই ধৰ্মীয় কার্যৰ এটা দিশকহে বুজায়।

সংস্কৃতি শব্দটোৰ অর্থ বৰ ব্যাপক। মানুহৰ জীৱনত কৰা সৎকার্যবোৰকে এই শব্দটোৱে সামৰি লয়। এক কথাত মানুহৰ সদাচাৰ-সদ্ব্যৱহাৰবোৰ সংস্কৃতিৰ ভিতৰুৱা।

ঘৰ-দুৱাৰ সাজিবলৈ যেনেকৈ চাৰিটা খুঁটাৰ আৱশ্যক হয়, সংস্কৃতিময় জগতখনৰো চাৰিটা স্তম্ভ দেখা যায়। এই চাৰিটা লাইখুঁটা হৈছে— সামাজিক, ৰাজনৈতিক, আর্থিক আৰু ধৰ্মীয় দিশ। আমাৰ বহল সমাজখনৰ এই চাৰিটা অৱস্থা বা দিশ অতি ব্যাপক। যিহেতু আমাৰ পাঠ্য বৰ সংহত আৰু সংক্ষিপ্ত হ'ব লাগিব, সেয়ে আমি তলত মূল বিষয়বোৰ স্পর্শ কৰি যাম।

উক্ত দিশকেইটাৰ ভিতৰত বৈদিক সংস্কৃতিৰ সামাজিক দিশৰ কথা পূর্ববতী অধ্যায়ত বৈদিক সমাজৰ পৰিচয় দিওঁতে সামৰি লোৱা হৈছে। গতিকে এই অধ্যায়ত আর্থিক, ৰাজনৈতিক আৰু ধৰ্মীয় অৱস্থাৰ চমু বর্ণনাহে যুগুতোৱা হ'ব।

৩.৪ আর্থিক অৱস্থা

আপুনি জানে যে সমাজ জীৱন পৰিচালনাৰ বাবে মানুহৰ অর্থৰ প্ৰয়োজন। আর্থিক বা বিত্তীয় ব্যৱস্থাৰ দিশ একাধিক। ঘাইকৈ ইয়াক কৃষি, পশুপালন, বাণিজ্য আৰু উদ্যোগ আদিৰ

সমাহাৰ বুলিব পাৰি। প্ৰথম দুটা ঘাইকৈ গ্ৰাম কেন্দ্ৰিক আৰু বাকী দুটা নগৰ কেন্দ্ৰিক বুলিলে ভুল কৰা নহ'ব।

৩.৪.১ কৃষি ব্যৱস্থা

পণ্ডিতসকলৰ মতে ঋগ্বেদকালীন আৰ্যসকলে গাঁৱত বাস কৰিছিল আৰু কৃষি আছিল তেওঁলোকৰ মুখ্য জীৱিকা। ঋগ্বেদত 'কৃষি' শব্দটো বহুবাৰ উল্লেখিত হৈছে। কৃষি আৰু এই ব্যৱস্থাৰ লগত সংযুক্ত ভালেমান আহিলাৰ উল্লেখৰ পৰা বুজা যায় যে বৈদিক কালত কৃষিয়েই আছিল মুখ্য জীৱিকা। এই ব্যৱস্থাই আছিল মানুহৰ সমৃদ্ধিৰ কাৰণ। তেতিয়া প্ৰধানতঃ ঘেহুৰ খেতি কৰা হৈছিল। শাক-পাচলি আৰু দাইলৰ খেতিও কৰা হৈছিল। কৃষিৰ উন্নতিৰ কাৰণে ঋষিসকলে দেৱতাক স্তুতি কৰিছিল। কৃষি কৰ্ম মৰ্যাদাপূৰ্ণ আছিল বা জু�ৰাৰীকো কৃষিকৰ্ম কৰি বিত্তবান হ'বলৈ ঋষিয়ে উদাত্ত আহ্বান জনাইছিল। (অক্ষৈৰ্মা দীব্যঃ কৃষিমিৎ কৃষস্ব ৱিত্তে ৱমস্ব বহু মন্যমানঃ ১০/৩৪/১৩)। উত্তৰ বৈদিক যুগত পোৱা তথ্য মতে সেই কালত হাবি ভাঙি বহু ঠাই কৃষি যোগ্য ভূমিলৈ ৰূপান্তৰ কৰা হৈছিল। তেনেবোৰ ভূমি কৃষকৰ ব্যক্তিগত সম্পত্তিৰ অধীনস্থ হৈছিল।

অথৰ্ববেদত কৃষক আৰু বনিকৰ উন্নতিৰ কাৰণে বহু ঠাইত দেৱতাৰ ওচৰত প্ৰাৰ্থনা কৰা হৈছে। কৃষি কৰ্মৰ আহিলাবোৰৰ পৰ্যাপ্ত বিকাশ হোৱা কাৰণে খাদ্যান্নৰ প্ৰচুৰ উৎপাদন হৈছিল। কাঠক সংহিতাৰ ঠাই বিশেষত চৱ্বিশটা বলধে টনা হালৰ কথা কোৱা হৈছে। তেতিয়া খেতি পথাৰত সাৰ প্ৰয়োগ কৰাৰ প্ৰথাও আছিল। তৈত্তিৰীয় সংহিতাৰ মতে শীতকালত ঘেঁহু আৰু বৰ্ষা ঋতুত ধান ৰোপণ কৰা হৈছিল। বছৰত তিনিবাৰ শস্য ৰোপণ হৈছিল। ঘেঁহু মাহজাতীয় শস্য, কপাহ, তিল আদিৰ খেতি কৰা হৈছিল। খেতিৰ জৰিয়তে কৃষকসকলে সমৃদ্ধি লাভ কৰি সুখময় জীৱন-যাপন কৰিছিল।

৩.৪.২ পশুপালন

কৃষি কৰ্মৰ লগে লগে ঋগ্বৈদিক কালত পশুপালনো আৰ্যসকলৰ এক পেচা আছিল। কিছুমান পণ্ডিতৰ মতে আৰ্যসকলে পোনতে পশুপালন কৰিয়ে জীৱিকা নিৰ্বাহ কৰিছিল। ভাৰতলৈ আহি উৰ্ৱৰা মাটি লাভ কৰি তেওঁলোকে কৃষি কৰ্মত ৰত হয়। সেয়ে হ'লেও কৃষিৰ বাবে গৰু ম'হৰ সহায়ত হলকৰ্ষণ কৰি খেতি কৰিবলগীয়া হৈছিল। তদুপৰি দুগ্ধ আদি গব্য বস্তুবোৰ পাবলৈ পশুপালন আৱশ্যকীয় হৈছিল।

অকল সিমানেই নহয়, গবাদি পশুধনৰ প্ৰাচুৰ্যৰ ওপৰত ভিত্তি কৰি বিত্তশালী লোকৰ জোখ কৰা হৈছিল। অধিক গৰু গাই থকা লোকক অধিক সমৃদ্ধ বুলি বিবেচনা কৰা হৈছিল। পশুৰ বিনিময়ত অন্য দ্ৰব্য ক্ৰয়-বিক্ৰয় কৰা হৈছিল। পশু শব্দৰ পৰাই ক্ৰমশঃ পইচা শব্দৰ উদ্ভৱ হৈছে ঃ সংস্কৃত পশু— লেটিন pecu ইংৰাজী pice, ইণ্ডো

আর্য > পইচা।

বৈদিক কালত গৰু-গাইৰ উপৰিও ঘোঁৰা, ভেৰা, ছাগলী, গাধ, কুকুৰ, উট প্ৰভৃতি জীৱজন্তু পালন কৰা হৈছিল। গৰু গাইৰ পৰা দুগ্ধ, দৈ, ঘিউ, মাখন আদি গব্য খাদ্যান্ন পোৱা হৈছিল। গোবৰ সাৰৰূপে ব্যৱহৃত হৈছিল। বলধেৰে গাড়ী টনা হৈছিল। ঘোঁৰা আৰোহণৰ যোগ্য আছিল। ঘোঁৰাৰে ৰথ টনোৱা হৈছিল। হাতী আৰু গাধকো বাহন হিচাপে ব্যৱহাৰ কৰা হৈছিল। ভেৰাৰ নোমেৰে ঊলৰ কাপোৰ প্ৰস্তুত কৰা হৈছিল। ছাগলী, ম'হ আদিৰ দুগ্ধও ব্যৱহাৰ কৰিছিল। মৰুভূমিত উটক বাহনৰূপে ব্যৱহাৰ কৰা হৈছিল। সম্ভৱতঃ উটৰ গাখীৰো পানীয়ৰূপে খাদ্যান্নৰ সূচীত অন্তৰ্ভুক্ত আছিল।

৩.৪.৩ বাণিজ্য আৰু উদ্যোগ

বৈদিক কালত বহুবোৰ গৃহ উদ্যোগৰ প্ৰচলন আছিল। বাঢ়ৈসকলে কাঠৰ কাম কৰিছিল। কমাৰসকলে লোৰ পৰা বিভিন্ন আহিলা প্ৰস্তুত কৰিছিল। হালৰ ফাল, ৰথৰ ধুৰা, যুদ্ধোপোযোগী অস্ত্ৰ-যাঠি, জোং, বাণৰ সুতীক্ষ্ণ অগ্ৰভাগ, তৰোৱাল, খড়্গ আদি প্ৰস্তুত কৰিছিল। সোনাৰীয়ে অলংকাৰ গঢ়িছিল। কুমাৰে সাজিছিল মাটিৰ বিভিন্ন পাত্ৰবোৰ। চমাৰ বা চৰ্মকাৰে পশুৰ ছালেৰে মানুহৰ নানান প্ৰয়োজন পূৰাবলৈ সঁজুলিবোৰ সাজিছিল। তেতিয়া দ্ৰাপী নামে জন্তুৰ ছালেৰে নিৰ্মিত মোনাৰে পাণী বহন কৰা হৈছিল। আন আন শিল্পকাৰে জীৱনৰ উপযোগী নানা বস্তু তৈয়াৰ কৰিছিল। তিৰোতাসকল সূতাকটা আৰু কাপোৰ বোৱাত পাৰ্গত আছিল।

বৈদিক যুগত বেপাৰ-বাণিজ্যও প্ৰচুৰ পৰিমাণে চলিছিল। ঋগ্বেদত 'পণি' নামে এক শ্ৰেণীৰ লোকৰ নামোল্লেখ অনেক ঠাইত পোৱা যায়। এই শ্ৰেণীৰ লোকে আভ্যন্তৰীণ আৰু বহিঃ বাণিজ্যত লিপ্ত আছিল। তেওঁলোক অনাৰ্য আছিল। তেওঁলোকে কেতিয়াবা আৰ্যসকলৰ পোহনীয়া জন্তু অপহৰণ কৰি পৰ্বতীয়া ঠাইত লুকাই ৰাখিছিল। তেওঁলোক দেৱতাৰ উপাসনা আৰু যজ্ঞানুষ্ঠানৰ বিৰোধী লোক আছিল, সেয়ে ঋষিসকলে তেওঁলোকক উপযুক্ত শাস্তি বিহিবলৈ পূষা আদি দেৱতাক অনুৰোধ কৰিছিল। সেই কালতো নাৱেৰে জলপথত আৰু গৰুগাড়ীৰে বা গাধ-উট আদিৰ পিঠিত তুলি বয়-বস্তু কঢ়িয়াই বেহা-বেপাৰ চলোৱা হৈছিল। কাপোৰ-পোছাক, অলংকাৰ, মূল্যৱান ধাতুবোৰ ব্যৱসায়ৰ সামগ্ৰী আছিল। বহিঃ বাণিজ্যৰ তথ্য প্ৰায় বিৰল।

ঋগ্বেদৰ যুগত ভাৰতীয় আৰ্যসকলে বেহা-বেপাৰৰ ক্ষেত্ৰত বৰকৈ উন্নতি কৰিছিল যদিও ই সীমিত সাধনৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেতিয়াও তেওঁলোকে মুদ্ৰাৰ নিৰ্মাণ কৰা নাছিল। গাই-গৰু আৰু বলধকে ধনৰ জোখ আৰু বিনিময়ৰ সাধন ৰূপে মানি লোৱা হৈছিল। ঋগ্বেদত 'নিষ্ক' শব্দ পোৱা যায়। কোনো কোনো পণ্ডিতে তাক মুদ্ৰা আছিল বুলি ক'লেও আন পণ্ডিতসকলে তাক অলংকাৰ বুলিহে স্বীকাৰ কৰে। কিন্তু পিছৰ যুগত নিশ্চিতভাৱে তাক মুদ্ৰা অৰ্থত স্বীকাৰ কৰি লোৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ বৈদিক যুগত কি কি শস্যৰ খেতি কৰা হৈছিল?

.....

.....

প্রশ্ন নং ২ঃ বৈদিক যুগত কেনেকৈ কৃষিভূমি প্রস্তুত কৰা হৈছিল?

.....

.....

প্রশ্ন নং ৩ঃ বৈদিক কালত কি কি পোহনীয়া জন্তু পালন কৰা হৈছিল?

.....

.....

প্রশ্ন নং ৪ঃ বৈদিক কালত প্রচলিত উদ্যোগজাত চাৰিবিধ সামগ্রীৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৫ঃ বৈদিক কালত প্রচলিত এবিধ মুদ্রাৰ নাম লিখক।

.....

.....

৩.৫ ৰাজনৈতিক অৱস্থা

ঋগ্বেদৰ সূক্তবোৰ পাঠ কৰিলে বুজা যায় যে ঋগ্বেদৰ ঋষিসকল কুভা (কাবুল), কুৰ্মু (কুৰুম), গোমতী (গোমল), সুৱস্তু বা স্বাত, সিন্ধু, বিতস্তা (জেলম), অসিক্নী, (চেনাৱ), পৰুষ্ণী (ৰাৱী), বিপাশ্ (বিয়াস), শুতুদ্রী (সুতলেজ), সৰস্বতী, যমুনা আৰু গঙ্গাৰ সৈতে পৰিচিত আছিল। বিশেষতঃ আর্যসকলে সৰস্বতী আৰু যমুনাৰ মাজভাগত বসতি কৰিছিল। তেওঁলোকে হিমালয়ৰ বৰফাবৃত্ত চূড়াবোৰ দেখা পাইছিল। তাৰ পৰা বুজা যায় তেওঁলোকে হিমালয়ৰ পাদদেশলৈকে বসতি বিস্তাৰ কৰিছিল। এইদৰে বসতি বিস্তাৰ কৰোঁতে আর্যসকলে পূর্বৰ বাসিন্দা অনার্যসকলৰ সৈতে সংঘর্ষ কৰিবলগীয়া হৈছিল। দিৱোদাস আৰু সুদাস নামে ভাৰত বংশীয় দুই ৰজাই ক্রমশঃ শম্বৰ আৰু দশাধিক ৰজাৰ সৈতে যুদ্ধত জয়লাভ কৰি পূর্বলৈ নিজ নিজ ৰাজৎক্ষেত্র বিস্তৃত কৰিছিল। তেনেদৰে সার্ঞ্জয় প্রস্তোক আৰু অভ্যাৱর্তী চায়মানেও অনার্য ৰাজশক্তিৰ মুখা-মুখি হৈছিল। তেওঁলোক পুৰুবংশীয় আছিল। সিন্ধু আৰু চেনাৱৰ মাজত পাঞ্চালসকলে, অনুবংশ, দ্রুহ্যবংশ, যদুবংশ আৰু তুর্বশবংশীয় লোকসকলে পঞ্জাৱৰ বিভিন্ন ভাগত বসতি কৰিছিল। বৎস্যবংশই (বর্তমানৰ) জয়পুৰ অঞ্চলত, চেদিসকলে যমুনাৰপৰা বিন্ধ্যলৈ মাজভাগত, উশীনৰ বংশই সৰস্বতীৰ নিকট অঞ্চলত বসতি কৰিছিল। পূর্বতে এই অঞ্চলবোৰত লিঙ্গ পূজক অনার্যসকলে বসতি কৰিছিল।

অনার্য বাসিন্দাসকলৰ কবলৰ পৰা নানা অঞ্চল দখল কৰাৰ পাছত বিজিত অঞ্চলবোৰৰ ভোগ দখললৈ আৰ্যসকলৰ মাজত প্ৰতিদ্বন্দ্বিতা আৰম্ভ হৈছিল। তাৰ উদাহৰণস্বৰূপে দাশৰাজ্ঞ যুদ্ধৰ কথা উল্লেখ কৰিব পাৰি। ঋগ্বেদৰ সপ্তম মণ্ডলত বসিষ্ঠসকলে বৰ্ণনা কৰা এই দাশৰাজ্ঞ যুদ্ধত ভাৰতবংশীয় সুদাসৰ বিৰুদ্ধে দশাধিক আৰ্য আৰু অনাৰ্য ৰজাৰ সংঘই অস্ত্ৰ ধাৰণ কৰিছিল। যুদ্ধখন পৰুষ্ণী আৰু যমুনাৰ পাৰত অনুষ্ঠিত হৈছিল। কিন্তু বসিষ্ঠৰ মন্ত্ৰণা তথা সহযোগ আৰু ইন্দ্ৰৰ হস্তক্ষেপত যুদ্ধখনত সুদাসেই জয়লাভ কৰিছিল।

ৰাজনৈতিক সংগঠনবোৰ ঃ (১) ক্ষুদ্ৰতম সংগঠন আছিল গৃহ, কুল বা পৰিয়াল। পৰিয়ালৰ মুৰব্বীজনক গৃহপতি বোলা হৈছিল। (২) গৃহ বা কুল বা পৰিয়ালসকলৰ সমষ্টিৰে গঠন হৈছিল 'গ্ৰাম' নামে ক্ষুদ্ৰ সংস্থা। তাৰ সদস্য আছিল গৃহপতিসকল আৰু মুৰব্বীজনক গ্ৰামীণ (গাঁওবুঢ়া) বোলা হৈছিল। তেঁৱে গাঁৱৰ প্ৰশাসন আৰু সুৰক্ষাৰ ব্যৱস্থা কৰিছিল। (৩) কেতবোৰ গ্ৰামৰ সমষ্টিক 'বিশ্' বোলা হৈছিল। তাৰ অধিকাৰীজন আছিল 'বিশ্পতি'। (৪) একাধিক 'বিশ'ৰ সমষ্টিৰে গঠিত হৈছিল 'জন'বা 'জনপদ'। 'জন' শব্দই ৰাজ্যৰ ভিতৰুৱা অঞ্চলবোৰকে বুজাইছিল। ঋগ্বেদত পঞ্চজন, যাদৱজন, ভৰতজন আদিৰ উল্লেখ দেখা যায়। (৫) সম্পূৰ্ণ ৰাজ্যক্ষেত্ৰক বুজাবলৈ ব্যৱহৃত হৈছিল 'ৰাষ্ট্ৰ'শব্দ। ঋগ্বেদত 'ৰাষ্ট্ৰ' শব্দৰ পৰ্যায়বাচক হিচাপে 'গণ' শব্দও পোৱা যায়। ৰাষ্ট্ৰ বা গণ শব্দৰ দ্বাৰা সংঘাত্মক শাসন প্ৰণালীৰ সংকেত কৰে। সম্ভৱতঃ জন শব্দই প্ৰান্তীয় প্ৰশাসনক আৰু ৰাষ্ট্ৰই কেন্দ্ৰীয় শাসনক বুজাইছিল।

শাসন ব্যৱস্থা ঃ ঋগ্বেদত ৰজাক বুজাবলৈ ৰাজন্ শব্দ প্ৰয়োগ কৰিছিল। ৰজাক (ৰাজনক) জনস্য গোপ্তা অৰ্থাৎ (প্ৰজাৰ ৰক্ষক) বোলা হৈছিল। ৰজাই শান্তিৰ সময়ত ৰাজ্য পালন, যুদ্ধৰ সময়ত প্ৰধান সেনাধ্যক্ষৰ দৰে কাৰ্যনিৰ্বাহ কৰিছিল। ৰজাৰ অভিষেকৰ মন্ত্ৰবোৰ বেদত পোৱা যায়। ৰাজপদ আছিল বংশানুক্ৰমিক। কেতিয়াবা ৰাজবংশৰ বাহিৰৰ পৰাও ৰজাৰ নিৰ্বাচন কৰা হৈছিল। ঋগ্বেদত ৰজাক প্ৰজাৰ সহায়ক বোলা হৈছে। ৰাজ্যাভিষেকৰ সময়ত ৰজাই ধৰ্মানুসৰি প্ৰজা পালন কৰিব বুলি শপত বাক্য পাঠ কৰিবলগীয়া হৈছিল।

ৰাজকাৰ্য ঃ ঋগ্বেদ আদিত ৰজাৰ কাৰ্যৰ কোনো সূচী দেখা নাযায়। কিন্তু বুজা যায় যে ৰজাৰ মুখ্য কাৰ্য আছিল ধৰ্মত ঃ প্ৰজা পালন, শত্ৰু বিতাৰণ, ধৰ্মৰ স্থাপনা, শাস্ত্ৰীয় বিধি অনুসাৰে সমাজত আচৰণ কৰা, নিৰপেক্ষ ন্যায় আৰু দণ্ডবিধান ব্যৱস্থাকৰণ, প্ৰজাৰ ভৌতিক আৰু আধ্যাত্মিক উন্নতিৰ বাবে সকলো প্ৰকাৰৰ প্ৰয়াস কৰা।

পদাধিকাৰীসকল ঃ ঋগ্বেদত পুৰোহিত বা পুৰোধাকে ৰজাৰ প্ৰধান মন্ত্ৰীৰূপে উপস্থাপন কৰিছে। তেওঁ শান্তিৰ সময়ত প্ৰধান ধৰ্মাধিকাৰী আৰু যুদ্ধৰ সময়ত প্ৰধান উপদেষ্টা (কেতিয়াবা সেনাপতি) ৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। তদুপৰি তেওঁ ৰজাৰ পথ-প্ৰদৰ্শক, পৰামৰ্শদাতা আৰু পৰমমিত্ৰ আছিল। তেওঁ ৰাজ্যৰ ন্যায়পালিকা, সন্ধি, বিগ্ৰহ, যুদ্ধ, ৰাজ্য বিস্তাৰ, আৰ্থিক নীতি আদি অন্যান্য বিষয়ত ৰজাক সহায় কৰিছিল। তদুপৰি ধৰ্মীয় কাৰ্য, যজ্ঞাদি কাৰ্যৰ আয়োজন আৰু অন্যান্য কাৰ্যানুষ্ঠানতো তেওঁ ৰজাৰ সহায়ক আছিল। তেওঁৰ উপৰি আৰু এচাম ৰাজপদাধিকাৰী আছিল। যথাঃ অংগৰক্ষক, ধৰ্মাধ্যক্ষ, দ্বাৰপাল, পৰিচাৰক, বৃন্দাধ্যক্ষ, প্ৰভৃতিৰ নামো ৰাজ

কর্মচাৰীৰূপে পৰিগণিত হৈছিল। এইসকলৰ উপৰিও দূত বা কটকী আৰু গুপ্তচৰৰ নামো উল্লেখযোগ্য।

ঋগ্বেদৰ সময়তকৈ উত্তৰ বৈদিক যুগত ৰাজ্যবোৰৰ সীমা অধিক প্ৰসাৰিত হয়। প্ৰথম অৱস্থাত কৰ আদি সংগ্ৰহ সিমান বিধিবদ্ধ নাছিল। পাছলৈ ৰাজকাৰ্য ব্যয় বহুল হৈ পৰে। তাৰ বাবে ৰাজ্যৰ প্ৰজাসকলে এক নিৰ্ধাৰিত হাৰত কৰ বা ৰাজহ ৰজাক শোধাবলগীয়া হয়। কৰ সংগ্ৰহৰ বাবে 'ভাগদুঘ' নামে অধিকাৰী নিযুক্ত হৈছিল।

সভা আৰু সমিতি ঃ ঋগ্বেদৰ পাতত সভাৰ উল্লেখ পোৱা যায়। কিন্তু ইয়াৰ গঠন প্ৰণালী সম্বন্ধে কোনো তথ্য পোৱা নাযায়। সম্ভৱতঃ ই সম্মেলনৰ পৰ্যায়ৰ আছিল। ঋগ্বেদত সম্মেলন কক্ষক 'সভা', সভাৰ প্ৰমুখ জনক 'সভাপদ্' আৰু সভাত অংশ গ্ৰহণ কৰাৰ যোগ্য ব্যক্তিক 'সভেয়' বোলা হৈছিল। ড° জয়স্বয়ালৰ মতে সমিতিৰ লগত সভাৰ সম্বন্ধ আছিল। যিমানদূৰ বুজা যায়, সভা এখন স্থায়ী সংস্থা আছিল যিয়ে সমিতিৰ অধীনত কাৰ্যনিৰ্বাহ কৰিছিল। ঋগ্বেদৰ দশম মণ্ডলৰ এঠাইত কোৱা হৈছে যে সভাৰ দ্বাৰা দোষশূন্য বুলি বিবেচনা কৰা লোকৰ বন্ধু বান্ধৱসকলে প্ৰসন্নতা প্ৰকাশ কৰিছিল। অথৰ্ববেদত 'সভা' আৰু 'সমিতি'ক প্ৰজাপতিৰ দুজনী দুহিতা বুলি কৈছে। সম্ভৱত ঃ ৰাজ্যৰ বয়োবৃদ্ধ, জ্ঞানবৃদ্ধ লোকসকলে সভাত সন্মিলিত হৈছিল।

সমিতি ঃ ঋগ্বেদত কোৱা হৈছে যে ৰজাই ৰাজ্যৰ সমৃদ্ধিৰ কাৰণে সমিতিৰে একমত হোৱা প্ৰয়োজন। ঋগ্বেদৰ এটি সূক্তত ৰজাই সমিতিৰ জৰিয়তে 'মন্ত্ৰ', 'মনস্', বিত্ত আৰু প্ৰযত্নৰ একাগ্ৰতাৰ বাবে প্ৰাৰ্থনা জনাইছে। 'সমিতি'ৰ মুখ্য কাৰ্য আছিল ৰজাক বৰণ কৰা। ঋগ্বেদৰ এঠাইত কোৱা হৈছে যে সকলো প্ৰজাৰ উপস্থিতিত 'সমিতি'য়ে ৰজাৰ নিৰ্বাচন কৰিছিল।

অথৰ্ববেদত প্ৰাৰ্থনা কৰা হৈছে যে 'প্ৰজাপতিৰ দুই পুত্ৰ সভা আৰু সমিতিয়ে আমাৰ ওপৰত কৃপা কৰক।' অথৰ্ববেদত বহুতো ঠাইত এনে বহুত আভিচাৰিক ক্ৰিয়াৰ উল্লেখ কৰা হৈছে, যাৰ বলত সমিতি ৰজাৰ বশত থাকে। সমিতিক 'নৰিষ্টা' (অনিষ্টহীন) বোলা হৈছে। তাৰ পৰা বুজা যায় যে সমিতিয়ে ৰাজ্যৰ প্ৰজাসকলক প্ৰতিনিধিত্ব কৰিছিল আৰু মহত্বপূৰ্ণ বিষয়বোৰৰ আলোচনাত ভাগ লৈছিল। বুজা যায় যে সমিতিয়ে সৰু-সুৰা ৰাজ্যবোৰতহে অধিক গুৰুত্ব লাভ কৰিছিল।

আৰ্য সভ্যতা-সংস্কৃতিৰ বিস্তাৰ (উত্তৰ বৈদিক কাল) ঃ ঋগ্বেদৰ সমসাময়িক কালত আৰ্যসকলৰ বসতিস্থান সপ্তসিন্ধুৰ তীৰ আৰু অৱবাহিকাতে সীমাৱদ্ধ আছিল। লাহে লাহে আৰ্যসকলে ক্ৰমশঃ সৰসূ নদীৰ তীৰলৈ পূৰ্বত আৰু দক্ষিণতো গঙ্গাৰ তীৰ পাইছিলগৈ। ঐতৰেয় ব্ৰাহ্মণৰ পৰা জনা যায় যে সেই কালত আৰ্যসকলৰ সংস্কৃতিৰ কেন্দ্ৰ কুৰুক্ষেত্ৰৰ ওচৰত আছিল। কুৰু-পাঞ্চাল ৰাজ্যৰ খ্যাতি বাঢ়িছিল সংস্কৃতিৰ কেন্দ্ৰ ৰূপে। পূৰ্বলৈ মগধ আৰু অঙ্গ ৰাজ্যলৈ আৰ্য সংস্কৃতিয়ে ক্ৰমশঃ বিস্তৃতি লাভ কৰিছিল। পশ্চিমত গান্ধাৰ, বাহ্লীক আৰু মুজবন্ত পৰ্যন্ত আৰ্য সভ্যতা বিস্তৃত হৈ আছিল।

ঋগ্বেদোত্তৰ কালত কুৰুক্ষেত্ৰ আছিল আৰ্য-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। কুৰুক্ষেত্ৰ যুদ্ধৰ অন্তত যুধিষ্ঠিৰে প্ৰায় ছয়ত্ৰিশ বছৰ কাল ৰাজত্ব কৰে হস্তিনাপুৰত। তেওঁলোকৰ স্বৰ্গাৰোহণৰ পাছত

হস্তিনাপুৰত পৰীক্ষিত ৰজা হয়। তাৰ পাছত ৰাজত্ব কৰে পাৰীক্ষিত জনমেজয়ে। গঙ্গাৰ বাঢ়নী পানীয়ে হস্তিনাপুৰ প্লাবিত কৰাৰ পাছত জনমেজয়ে ৰাজধানী হস্তিনাপুৰৰ পৰা (মিৰাটৰ ওচৰৰ পৰা) এলাহবাদৰ সমীপস্থ কোশাম্বীলৈ তুলি নিয়ে।

ইয়াৰ পাছত উত্তৰ ভাৰতত বিদেহ ৰাজ্যৰ উত্থান হয়। ইয়াৰ ৰাজধানী আছিল মিথিলা। শতপথ ব্ৰাহ্মণৰ মতে সেই সময়ত ৰজা জনক 'চক্ৰৱৰ্তী' ৰূপে প্ৰতিষ্ঠিত হয়। ব্ৰাহ্মণ আৰু উপনিষদৰ সমসাময়িক কালত যিবিলাক ৰাজ্যই প্ৰতিপত্তি লাভ কৰিছিল তাৰ বিৱৰণ তলত দিয়া হৈছে।

গন্ধাৰ — এই ৰাজ্য পশ্চিম পাঞ্জাৱৰ ৰাৱলপিণ্ডী আৰু উত্তৰ-পশ্চিম সীমান্তপ্ৰদেশ পেশোৱাৰলৈকে বিস্তৃত আছিল। ইয়াৰ প্ৰসিদ্ধ নগৰ আছিল তক্ষশিলা আৰু পুষ্কলাৱতী।

কেকয় — গন্ধাৰ ৰাজ্যৰ পূবত বিয়াস নদী পৰ্যন্ত এই ৰাজ্য বিস্তৃত আছিল। জনকৰ সমসাময়িক কালত কেকয়ৰ ৰজা আছিল অশ্বপতি।

মদ্ৰ — এই ৰাজ্য তিনি ভাগত বিভক্ত আছিল। (১) উত্তৰ মদ্ৰ সম্ভৱত ঃ কাশ্মীৰত, (২) পূব মদ্ৰ কাংৰাত আৰু দক্ষিণমদ্ৰ অমৃত সৰলৈ বিয়পি আছিল।

উশীনৰ — এই ৰাজ্য সম্ভৱতঃ উত্তৰ প্ৰদেশৰ উত্তৰ ভাগত ব্যাপ্ত আছিল।

মঃস্য — আলৱাৰ, জয়পুৰ আৰু ভৰতপুৰৰ ওচৰলৈকে ব্যাপ্ত ঠাইবোৰ ইয়াৰ অন্তৰ্ভুক্ত আছিল।

পঞ্চাল — উত্তৰ প্ৰদেশৰ বেৰেলি, বদায়ুঁ, ফৰুখাবাদ জিলা এই ৰাজ্যত চামিল আছিল। পঞ্চালৰ ৰজা প্ৰবাহণ জৈৱালি প্ৰসিদ্ধ পণ্ডিত আছিল বুলি উপনিষদত উল্লেখ কৰা হৈছে।

কাশী — ইয়াৰ ৰাজধানী আছিল বাৰানসী। অজাতশত্ৰু জনকৰ সমকালীন ৰজা আছিল।

কোশল — এই ৰাজ্য অবধত প্ৰতিষ্ঠিত আছিল। ইয়াৰ পূবত আছিল বিদেহ ৰাজ্য। সম্ভৱতঃ অযোধ্যা আছিল ইয়াৰ ৰাজধানী।

উপনিষদৰ যুগত আৰ্য সভ্যতা সংস্কৃতিয়ে বিন্ধ্য পৰ্বত পাৰ হৈ নৰ্মদাৰ দক্ষিণত গোদাবৰী পৰ্যন্ত ব্যাপ্ত হৈ পৰিছিল। ইয়াৰ পৰা বুজা যায় যে আৰ্য সংস্কৃতিয়ে এই সময়ছোৱাত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। মনুসংহিতাৰ ৰচকে সেয়ে বিশ্বৰ সকলো ফালৰ জ্ঞানান্বেষীয়ে আৰ্যাবৰ্তত শিক্ষা লাভাৰ্থে এই দেশলৈ আহিছিল বুলি কৈছে।

যুদ্ধ আৰু যুদ্ধৰ উপকৰণবোৰ

যুদ্ধ আৰু যুদ্ধৰ উপকৰণৰ কিছু কথা আগতে উল্লেখ কৰা হৈছে। আমি জনাত ইন্দ্ৰ-বৃত্ৰ যুদ্ধই ঋগ্বেদৰ অনেক পাত অধিকাৰ কৰিছে। যেতিয়া য'ত ইন্দ্ৰৰ স্তুতি কৰা হৈছে, তাতে ঋষিসকলে ইন্দ্ৰৰ হাতত বৃত্ৰবধৰ কাহিনীৰ উল্লেখ কৰিছে।

তাৰ পাছত শম্বৰ আৰু দিৱোদাসৰ যুদ্ধৰ বৰ্ণনা পোৱা যায়। ইন্দ্ৰই শম্বৰক বধ কৰি তেওঁৰ প্ৰায় এশ দুৰ্গ বা নগৰ ধ্বংস কৰিছিল। চুমুৰি, ধূনী, পিপ্রু, শুষ্ণ আদি দস্যু অসুৰ সকলকো ইন্দ্ৰই যুদ্ধত পৰাজিত কৰি আৰ্যসকলৰ জীৱন-যাত্ৰা সুগম কৰিছিল।

ঋগ্বেদৰ পাতত প্ৰাপ্ত 'দাশৰাজ্ঞ' যুদ্ধকেই পণ্ডিতসকলে ঐতিহাসিক ঘটনা বুলি ক'ব খোজে। দহজনৰো অধিক আৰ্য আৰু অনাৰ্যই ভৰত বংশীয় সুদাসৰ বিপক্ষে যুদ্ধত অৱতীৰ্ণ হয়।

পুৰোহিত বসিষ্ঠৰ আহ্বানক্ৰমে ইন্দ্ৰই সুদাসৰ হকে যুদ্ধত হস্তক্ষেপ কৰে। পৰুষ্ণীৰ তীৰত সংঘটিত যুদ্ধত সুদাসে আপেক্ষিকভাৱে কম সৈন্য-বলেৰে যুদ্ধত জয় লাভ কৰে।

ঐতিহাসিক ঘটনাৰূপে চিহ্নিত আন এখন যুদ্ধ সংঘটিত হৈছিল যৱ্যাৱতী আৰু হৰিয়ূপীয়া নদীৰ তীৰত। যুদ্ধখন হৈছিল প্ৰস্তোক সাঞ্জয় আৰু অভ্যাবর্তী চায়মান তথা বৰাশিখৰ মাজত। তাতো ইন্দ্ৰই যুদ্ধত নামি ভাৰত কুমাৰ প্ৰস্তোক আৰু অভ্যাৱর্তীক জয়যুক্ত কৰে।

যুদ্ধৰ উপকৰণবোৰ ঃ ঋগ্বেদৰ ষষ্ঠ মণ্ডপৰ সংগ্ৰামাশিষ অন্তিম সূক্তটি (৬/৭৫) বুলি জনাজাত। তাতে প্ৰায়বোৰ যুদ্ধৰ উপকৰণ বা আহিলাৰ নাম পোৱা যায়। সেই সময়তো যুদ্ধত পদাতিক, অশ্বাৰোহী, ৰথাৰোহী, হস্তাৰোহী— এই চতু�ৰঙ্গ বাহিনীয়ে যুদ্ধত অৱতীর্ণ হৈছিল। যুদ্ধৰ আগতে যুদ্ধৰ উপকৰণবোৰ পুৰোহিতে মন্ত্ৰপূত কৰিছিল। যুদ্ধত নমাৰ আগতে যুঁজাৰুৱে মন্ত্ৰপূত কবচ বা বর্ম পৰিধান কৰিছিল। ৰথাৰোহীসকলে ধনু শৰ লৈ যুদ্ধ কৰিছিল। গতিকে ৰথ, অশ্ব, ধনু, জ্যা, আর্ত্নী, বাণ, ৰশ্মিবোৰ লেখত পৰে উপকৰণৰূপে। পার্ষ্ণি ৰক্ষক ৰূপে দুজনকৈ ৰথগোপ্তা থাকে। ৰথৰ সাৰথিয়ে এহাতেৰে ঘোঁৰাৰ লেকাম ধৰে আৰু আনখন হাতত কশা বা চাবুক লয়। হাতৰ ৰক্ষাৰ বাবে যুঁজাৰুৱে হস্তঘ্ন বান্ধি লয়। ৰথাৰোহীসকলে শক্তি বা যাঠি গ্ৰহণ কৰে। তেওঁ অসি চালনাত পার্গত পদাতিকসকলে অসি আৰু যাঠিৰে যুদ্ধ কৰিছিল। গদাৰো ব্যৱহাৰ কৰা হৈছিল।

ধনুর্বেদ মতে অস্ত্ৰবোৰ চতুর্ধা বিভক্ত — মুক্ত, অসুক্ত, মুক্তামুক্ত আৰু যন্ত্ৰমুক্ত। (কৃষ্ণৰ) সুদর্শনচক্ৰ মুক্তাস্ত্ৰৰ উদাহৰণ। খড়্গ আদি অমুক্তৰ উদাহৰণ। শেল বা শক্তি মুক্তামুক্তৰ দৃষ্টান্ত। ধনুশৰ যন্ত্ৰমুক্তৰ উদাহৰণ।

মহাভাৰতৰ যুগত যুদ্ধস্ত্ৰ আৰু যুদ্ধৰ উপকৰণ বৃদ্ধি পায়। শঙ্খ, দন্দুভি, ভোৰ আদি বাদ্যবোৰো যুদ্ধত বজোৱা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ বৈদিক কালত বর্তি থকা চাৰিখন ৰাজ্যৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৭ঃ বৈদিক কালত ৰাজ্যৰ গঠন প্ৰণালীত থকা চাৰিটা সংস্থাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৮ঃ বৈদিক কালত প্ৰবর্তিত ৰাজতন্ত্ৰত নিযুক্ত চাৰিগৰাকী পদাধিকাৰীৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৯ঃ বৈদিক কালত ৰজাৰ কৰ সংগ্রাহক বিষয়াজনৰ নাম কি আছিল?

.....

.....

প্রশ্ন নং ১০ঃ বৈদিক কালৰ যুদ্ধত ব্যৱহৃত অস্ত্রবোৰৰ বিৱৰণ ঋক্‌বেদৰ কোনটো মণ্ডলত অন্তর্ভুক্ত হৈছে?

.....

.....

৩.৬ ধর্মীয় অৱস্থা

সনাতন আর্য ধর্ম বা যাক আজিকালি হিন্দুধর্ম বুলি কোৱা হয় তাৰ আদি কেন্দ্র ঋগ্বেদ বুলি কোৱা হয়। কিন্তু ভালদৰে বিবেচনা কৰিলে বুজা যায় যে ঋগ্বেদৰ ঋষিয়ে সেই যুগত পূর্বকালৰ পৰা চলি অহা এক সুপ্রতিষ্ঠিত ধর্মৰ বিষয়ে নিজৰ ৰচিত সূক্তবোৰত প্রকাশ কৰিছে। ই হঠাতে আহি পৰা ধর্ম নহয়। প্রাচীন ইৰানীয় ধর্মৰ সৈতে থকা সাদৃশ্যয়ো তাকে প্রমাণিত কৰে। বিশ্বৰ সকলো ধর্মৰ আদিছোৱাত যিদৰে প্রকৃতিৰ শক্তিসমূহৰ পূজাৰ দৃষ্টান্ত দেখা যায়, ঋগ্বেদৰ পাততো একেদৰে ঋষিসকলে প্রকৃতিৰ শক্তিবোৰক স্তুতি কৰা দেখা যায়। অগ্নি, বায়ু, পর্জন্য, ইন্দ্র, বৰুণ, ৰুদ্র, মৰুৎ, ঊষা, ৰাত্রি প্রভৃতি দেৱ-দেৱীসকলৰ স্তুতিৰ আঁৰত প্রকৃতিৰ শক্তিৰ ক্রিয়া-কলাপ সজীৱ হৈ আছিল। সেই কালৰ ঋষি-মুনি আৰু জনগণে নিজৰ শাৰীৰিক, মানসিক দুঃখ-কষ্টবোৰ প্রকৃতিৰ ৰোষৰ কাৰণে হোৱা বুলি ভাবি প্রাকৃতিক শক্তিবোৰৰ ওচৰত সেই দুঃখ-কষ্টৰ নিৰাময়ৰ বাবে স্তুতি-প্রার্থনা কৰিছিল। যিহেতু জগতত প্রাকৃতিক শক্তি অনেক সেয়ে ঋষিসকলৰ বর্ণনাত অনেক দেৱতাৰ অস্তিত্ব দেখা যায়। সেই কাৰণেও বৈদিক ধর্মত বহুদেৱবাদৰ প্রাচুর্য দেখা যায়। ইন্দ্র, অগ্নি, বৰুণ আদি দেৱতাৰ বর্ণনা বিবেচনা কৰিলে উক্ত তথ্য চকুত পৰে। লাহে লাহে ঋষিসকলে অনেক দেৱতাৰ মাজত একত্ব দেখা পালে আৰু 'বহুদেৱবাদ' 'একেশ্বৰ'বাদত পৰিণত হ'ল। পৰবর্তী সংহিতাবিলাকত উক্ত দেৱতাসকলক সন্তুষ্ট কৰিবলৈ অনেক যাগ-যজ্ঞৰ বাহুল্য হয়। তাৰ ফলত হোৱা বিপ্লৱৰ ফলত উপনিষদৰ পাতত পূর্ব প্রচলিত বহুদেৱবাদ আৰু একেশ্বৰ বাদৰ প্রতিবাদস্বৰূপে বৌদ্ধিক সমাজত 'সর্বেশ্বৰবাদ'ৰ উদ্ভৱ হয়। জৈন আৰু বৌদ্ধ মতবাদবোৰবো উদ্ভৱ একে কাৰণতে হয়।

বৈদিক যুগত জন-জীৱনৰ আৰম্ভতে দুটা ধাৰা দৃষ্টি গোচৰ হয়— (১) ভক্তিৰ ধাৰা আৰু (২) যাগ-যজ্ঞবহুল কর্ম-কাণ্ডৰ ধাৰা। ঋগ্বেদাদি সংহিতাত দেৱতাসসকলৰ যি স্তুতি কৰা হৈছে, তাত ভক্তিৰ ভাৱনা প্রচুৰ পৰিমাণে দেখা যায়। ঋষিসকলে ঐহিক সুখ-সমৃদ্ধিৰ কাৰণে দেৱতাসকলৰ ওচৰত ভক্তিপূর্ণ স্তুতি-গীত গাইছিল। বৰুণ, ইন্দ্র, বিষ্ণু আদি দেৱতাৰ উদ্দেশ্যত গীত-সূক্তবোৰ ভক্তিমার্গৰ অমিত ভাণ্ডাৰ। তাৰ অনুসৰণ পৌৰাণিক যুগৰ স্তোত্র আদিত বহুলভাৱে প্রচলিত হৈছে। ইয়াৰ লগে লগে অগ্নিৰ মাধ্যমত দেৱতাসকললৈ দিয়া হবিস্, পুৰোডাশ আদিৰ দ্বাৰা বৈদিক সম্পাদিত বৈদিক যজ্ঞৰ ভাৱনাই কর্মকাণ্ডৰ সূচনা কৰে। লাহে লহে যাগ-যজ্ঞৰ

বিস্তাৰ হয়। যজুৰ্বেদ আৰু ব্ৰাহ্মণ গ্ৰন্থৰসমূহত যাগ-যজ্ঞবোৰৰ ব্যাপক বৰ্ণনা কৰা হৈছে।

বৈদিক দেৱতাসকল ঃ ঋগ্বেদ একাধাৰে ধৰ্মগ্ৰন্থ আৰু উৎকৃষ্ট সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন। তাত দেৱতাসকলৰ আলংকাৰিক বৰ্ণনা পোৱা যায়। ঋগ্বেদত ঋষিসকলে অগ্নি, ইন্দ্ৰ, বায়ু, মিত্ৰ, বৰুণ, অশ্বিদ্বয়, মৰুৎসকল, বৰুণ, সৱিতা, ভগ, প্ৰজাপতি, পূষা, ৰুদ্ৰ, বিষ্ণু, আপঃ, বিশ্বেদেৱা, সৰস্বতী, ইলা, ভাৰতী, পৰ্জন্য, দ্যাৱাপৃথিৱী, ইন্দ্ৰাণী, বৰুণানী, ঊষা, ৰাত্ৰি আদি দেৱ-দেৱীসকলৰ স্তুতি কৰিছিল। তাৰ উদ্দেশ্য ঐহিক জগতত সুখ-সমৃদ্ধি, বীৰ্যৱান পুত্ৰ লাভ আৰু নানান শত্ৰুৰ পৰা নিষ্কৃতি লাভ।

ঋগ্বেদত বৰ্ণিত দেৱতাসকলক তিনিভাগত ভাগ কৰা হৈছে ঃ (১) স্বৰ্গস্থিত, (২) অন্তৰীক্ষ স্থিত আৰু (৩) মৰ্ত্যস্থিত বা পাৰ্থিৱ। এই তিনি প্ৰকাৰ দেৱতাৰ উদাহৰণ ক্ৰমে, সূৰ্য, ইন্দ্ৰ বা বায়ু আৰু অগ্নি আদি। দেৱতাসকলৰ সংখ্যা তেত্ৰিশ। এই বিভাজন নিৰুক্তকাৰ যাস্ক আৰু বৃহদ্দেৱতাৰ ৰচক শৌনকেও সমৰ্থন কৰিছে। এই বিভাজন অনুসৰি দ্যৌ, বৰুণ, মিত্ৰ, আদিত্যসকল, সূৰ্য, সৱিতা, পূষা, বিষ্ণু, অশ্বিনৌ, উষস্, ৰাত্ৰি আদি দ্যুস্থানীয় দেৱতা। ইন্দ্ৰ, ৰুদ্ৰ, মৰুদ্‌গণ, বায়ু বা বাত, অপাংনপাৎ, পৰ্জন্য, আদি অন্তৰীক্ষস্থানীয় দেৱতা। অগ্নি, আপঃ, বৃহস্পতি, পৃথিৱী, সোম আদি পাৰ্থিৱ দেৱতা। তলত কেইগৰাকীমান দেৱতাৰ চমু পৰিচয় দিয়া হ'ল ঃ

ইন্দ্ৰ ঃ ঋগ্বেদৰ ১০২৮টা সূক্তৰ এক চতুৰ্থাংশ (২৫০) সূক্তও ইন্দ্ৰৰ মাহাত্ম্য কীৰ্তন কৰা হৈছে। ইন্দ্ৰই যুদ্ধক্ষেত্ৰত অসুৰ, দাস, দস্যু, ৰাক্ষস আদিক বধ কৰে। বিশেষতঃ বৃত্ৰ, শম্বৰ, নমুচি, চুমুৰি, ধূনী, পিপ্ৰু, শুষ্ণ আদিক বধ কৰে। বৃত্ৰবধৰ বৰ্ণনা অনেক ঠাইত বৰ্ণনা কৰা হৈছে। ইন্দ্ৰ সোমপ্ৰিয়। তেওঁ সোমৰস পাণ কৰি তাৰ উছাহতে বৃত্ৰাদি শত্ৰুসকলক যুদ্ধত বধ কৰিছিল। ইন্দ্ৰক মঘবান বা ধনবান বোলা হৈছে। বৃত্ৰক বধ কৰি তেওঁ পানীৰ সোঁত বোৱাইছিল। অগ্নি, মৰুদ্‌গণ, বিষ্ণু আদি ইন্দ্ৰৰ সহায়ক দেৱতা। তেওঁৰ বল-বীৰ্য ইমানেই আছিল যে তেওঁ জন্মৰ সময়ত দ্যাৱাপৃথিৱী আদি কঁপিছিল।

বৰুণ ঃ ঋগ্বেদত বৰুণক প্ৰায় বাৰটা সূক্তত স্তুতি কৰা হৈছে। তথাপি তেওঁৰ মহত্ব ইন্দ্ৰৰ পাছতে পৰিগণিত। তেওঁ নৈতিক দেৱ. পাপীসকলক তেওঁ পাশেৰে বান্ধি শাস্তি দিয়ে। সূৰ্য তেওঁৰ চকু। তেওঁ মানুহৰ সকলো সৎ অসৎ কাৰ্য নিৰীক্ষণ কৰি থাকে। তেওঁ ত্ৰিলোকৰ সম্ৰাট। বৰুণে দ্যাৱাপৃথিৱীক স্থাপনা কৰে, সূৰ্যক আকাশত উদ্ভাসিত কৰে আৰু তেওঁৰ বাবে মাৰ্গ প্ৰশস্ত কৰে। বৰুণক ধৃতব্ৰত আৰু ঋতবৃধ বোলা হৈছে।

বিষ্ণু ঃ ঋগ্বেদত মাত্ৰ পাঁচটা সূক্তত বিষ্ণুৰ স্তুতি কৰা হৈছে। তেওঁৰ তিনি পদৰ উল্লেখ কৰা হৈছে। দীঘলীয়াকৈ তেওঁ খোজ পেলায়। তেওঁক ইন্দ্ৰৰ সহায়ক বোলা হৈছে। কেতিয়াবা ইন্দ্ৰ আৰু বিষ্ণুক একেলগে স্তুতি কৰা হৈছে। ভৰদ্বাজ, বসিষ্ঠ আৰু দীৰ্ঘতমা আদি ঋষি পৰিয়ালত বিষ্ণুৰ উপাসনা কৰা হৈছিল। বেদোত্তৰ কালত বিষ্ণুৰ মহত্ব সৰ্বময় হৈ পৰে।

মিত্ৰ ঃ বৰুণৰ সৈতে মিত্ৰৰ সম্বন্ধ বৰ ঘনিষ্ঠ। মাত্ৰ এটা সুকীয়া সূক্তত মিত্ৰৰ স্তুতি কৰা হৈছে। মিত্ৰ অন্যতম আদিত্য দেৱতা। তেওঁৰ সূৰ্যৰ গতি আৰু বিষ্ণুৰ পদ নিয়ন্ত্ৰিত কৰে।

সৱিতা ঃ এঘাৰটামান সূক্তত সৱিতাৰ স্তুতি কৰা হৈছে। এই দেৱতাজনৰ অৱয়ব স্বৰ্ণময়,

তেওঁ ৰথ-বাহনো সোণেৰে নির্মিত। তেওঁৰ শক্তিশালী সুর্বণ প্রকাশে আকাশ, বায়ু আৰু পৃথিৰীক পোহৰায়। সৰিতা অন্যতম আদিত্য দেৱতা। তেওঁ ঊর্ধলোক আৰু অধোলোকত প্রাণীসকলক নিৰীক্ষণ কৰি স্বর্ণময় ৰথত উঠি পৰিভ্রমণ কৰে।

পূষা ঃ আঠটামান সূক্তত পূষা দেৱতাৰ স্তুতি কৰা হৈছে। ঋগ্বেদত ষষ্ঠ মণ্ডলত প্রধানকৈ ভাৰদ্বাজসকলে পূষাৰ স্তুতি কৰিছে। পূষা পশুপালক/গোপালকসকলৰ সহায়ক দেৱতা। কোনো বস্তু নষ্ট হ'লে পূষাক স্তুতি কৰা হয়। পূষাৰ অনুগ্রহত নষ্টবস্তু লাভ হয়।

অশ্বিদ্বয় ঃ ইন্দ্র, অগ্নি আৰু সোমৰ পাছতে ঋগ্বেদৰ ঋষিসকলে অশ্বিদ্বয়ক মহত্ব কীর্তন কৰিছে। পঞ্চাশটাৰ অধিক সূক্তত ঋগ্বেদৰ ঋষিসকলে এই যমজ দেৱতা দুজনৰ স্তুতি কৰিছে। তেওঁলোকক দস্র আৰু নাসত্য নামেও জনা যায়। তেওঁলোক দুয়ো উপাসকসকলক প্রভূত সহায়ক। দুয়ো দেববৈদ্য। দুয়োৰে বিষয়ে ঋগ্বেদত অনেক চমৎকাৰ বর্ণনা কৰা হৈছে। তেওঁলোক বিৱস্বান আৰু মৰণ্যুৰ পুত্র।

ঊষা/উষস্ ঃ ঊষা ঊষকালৰ দেৱী। ঋগ্বেদত প্রায় একুৰি সূক্তত ঋষিসকলে ঊষাৰ স্তুতি কৰিছে। ঊষা নিত্য সুৱতী। তেওৰ উদয় হয় সূর্যোদয়ৰ আগে আগে। তেওঁ নিশাৰ অন্ধকাৰ নাশ কৰে। ঋষিয়ে কৈছে, 'ডেকালৰাই গাভৰুৰ পাছ লোৱাৰ দৰে সূর্যই দেৱী ঊষাক অনুসৰণ কৰে।' এয়া প্রকৃতিৰ পৰিঘটনাৰ আলংকাৰিক ভাষাৰে কৰা বর্ণনা।

অগ্নি ঃ ঋগ্বেদত প্রায় এক পঞ্চমাংশ সূক্তত অগ্নিৰ স্তুতি কৰা হৈছে। যাগ-যজ্ঞৰে অগ্নিৰ সম্বন্ধ অত্যন্ত ঘনিষ্ঠ। প্রকৃততে যাগ-যজ্ঞৰ মাধ্যম হৈছে এই অগ্নি। তেওঁ দেৱতাসকললৈ যজমান বা ঋত্বিকৰ আহুতি বহন কৰে, সেয়ে তেওঁক হব্য বাহন আৰু বহ্নি নাম দিয়া হৈছে। অগ্নি মানুহৰ বৰ ঘনিষ্ঠ। তেওঁক সেয়েহে গৃহপতি বোলা হয়। তেওঁ উপাসকৰ পিতৃ-মাতৃ আৰু ভ্রাতৃ। কেতিয়াবা পৃথিৰীক, আৰু কেতিয়াবা অৰণিদ্বয়ক তেওঁৰ মাতৃ বোলা হয়। তেওঁ সহসৰ পুত্র, বলৰ পুত্র। তেওঁ অন্যতম বসু, ধনৱান আৰু ধনদাতা। তেওঁ যজ্ঞৰ হোতা, পোতা, নেষ্টা— ঋত্বিক্ তথা পুৰোহিত।

সোম ঃ ঋগ্বেদত ১১৭টা সূক্তত সোমৰ স্তুতি কৰা হৈছে। কোৱা বাহুল্য যে ১১৪টা সূক্তৰ সংগ্রহ নৱম মণ্ডলত কেৱল সোমদেৱতাৰে স্তুতি দেখা যায়। সোম এক প্রকাৰ লতা। মুজৱত পর্বতত সোমলতা পোৱা গৈছিল। তাৰ মূল থেতালি ৰস উলিয়াই তাৰ লগত মৌ মিহলাই দেৱতাৰ উদ্দেশ্যত আগবঢ়োৱা হৈছিল। সেই সোমকে সোমযাগবোৰত ৰাজসন্মান প্রদর্শন কৰা হয়। সোমৰস ইন্দ্রাদি দেৱতা আৰু ঋত্বিকসকলৰ উৎকৃষ্ট পেয় বস্তু আছিল। বিশেষতঃ ইন্দ্র সোমপ্রিয় আছিল। পৰৱর্তী কালত সোমক ইন্দু বা চন্দমাৰ লগত একীকৃত কৰা হয়।

ৰুদ্র ঃ ঋগ্বেদত মাত্র তিনিটা সূক্তত ৰুদ্রৰ স্তুতি পোৱা যায়। সেয়ে ঋগ্বেদত ৰুদ্রই বিশেষ গুৰুত্ব লাভ কৰা যেন নালাগে। তেওঁৰ হাত-ভৰি আৰু অন্য অৱয়বৰ উল্লেখ কৰা হৈছে। ৰুদ্রৰ ধনুৰ উল্লেখ দেখা যায় ঋগ্বেদত। তেওঁৰ হেতি বা অস্ত্র ভয়ঙ্কৰ। তেওঁৰ জলসাভেষজৰ উল্লেখো ঋগ্বেদত পোৱা যায়। পাচলৈ ৰুদ্রৰে শিৱৰ একীকৰণসম্পন্ন হয়। ভয়ঙ্কৰ দেৱতাজন শিৱ-শঙ্কৰ, ময়োভূৱ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ঃ ঋগ্বেদৰ কিমানটা সূক্তত ইন্দ্রদেৱতাৰ স্তুতি কৰা হৈছে?

.....

.....

প্রশ্ন নং ১২ঃ ঋগ্বেদত স্তুত দেৱতাৰ শ্রেণী তিনিটাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১৩ঃ ঋগ্বেদত স্তুত পাঁচজন দ্যুস্থানীয় দেৱতা আৰু তিনিজনকৈ অন্তৰীক্ষ স্থানীয় আৰু পার্থিৱ দেৱতাৰ নাম লিখক।

.....

.....

৩.৬.১ বৈদিক যাগ-যজ্ঞ

বৈদিক ধর্মৰ দ্বিতীয় ধাৰাটো হৈছে যাগ-যজ্ঞ প্রধান কর্মকাণ্ড (উপনিষদ আৰু বেদান্তৰ অবিদ্যা/অপৰাবিদ্যা)। যাগ-যজ্ঞ আছিল বেদকালীন সমাজ ব্যৱস্থাৰ এক এৰাব নোৱৰা অঙ্গ। ইয়াৰ অন্য নাম কর্মকাণ্ড। যাগ-যজ্ঞ কৰা হৈছিল অগ্নিৰ মাধ্যমত। সেয়ে বিৱাহিত আর্যলোকে বিয়াৰ পাছতে অগ্নি স্থাপন কৰে অগ্নিগৃহত। তেতিয়া আহিতাগ্নিজনে নিজ ঘৰতে গার্হপত্য অগ্নি স্থাপন কৰি অগ্নিহোত্র আদি যজ্ঞ সদা-সর্বদা পুৱা-গধূলি অনুষ্ঠিত কৰিবলৈ ধৰে। আহিতাগ্নি শব্দৰ অর্থ হ'ল যাৰ গার্হপত্য অগ্নি প্রতিষ্ঠিত হৈছে। যজ্ঞ পাঁচ প্রকাৰ ঃ হোম, সোম, ইষ্টি, পশু আৰু সত্র। অগ্নিহোত্র যজ্ঞ এক প্রকাৰ নিত্য হোম, গৃহস্থৰ বাবে নিত্য কর্ম। গৃহস্থ আৰু গৃহিনীয়ে নিতৌ পুৱা আৰু গধূলি গার্হপত্য অগ্নিৰ পৰা অগ্নি নি আহৱনীয় কুণ্ডত অগ্নি প্রজ্বলিত কৰে। যজ্ঞৰ বাবে পোহা গাইৰ দুগ্ধ অগ্নিত আহুতি দিয়ে। পুৱা সূর্য আৰু প্রজাপতিলৈ আৰু গধূলি অগ্নি আৰু প্রজাপতিলৈ আহুতি দিয়ে।

ইষ্টি ঃ আহিতাগ্নি গৃহস্থই প্রতিদিন অগ্নিহোত্র হোম কৰাৰ উপৰিও পূর্ণিমাত পৌর্ণমাস আৰু অমাৱস্যাত দর্শ নামে যি যজ্ঞ কৰে তাকে দর্শ-পৌর্ণমাস ইষ্টি বোলা হয়। ই নৈমিত্তিক যজ্ঞ।

সোমযাগ ঃ এই যজ্ঞত সোম আহুতিৰ প্রধান দ্রব্য। এই যজ্ঞৰ আদর্শ যাগ অগ্নিষ্টোম। ইয়াত ষোলজন পুৰোহিতে ভাগ লয়। এদিনতে সমাপ্ত হোৱা সোমযাগক একাহ বোলে। বাৰদিনলৈকে বিস্তৃত সোমবাগক অহীন বোলে। উক্থ, ষোড়শী, অতিৰাত্র, অত্যগ্নিষ্টোম, ৰাজসূর্য, বাজপেয় আৰু আপ্তোর্বাণ ইয়াৰ সাতপ্রকাৰ বিকৃতি।

পশুযাগ ঃ এই যজ্ঞৰ প্ৰকৃতি নিৰূঢ়পশুবন্ধ। যজমানে অধ্বৰ্যু, প্ৰতিপ্ৰস্থাতা, হোতা, মৈত্ৰাৱৰুণ, অগ্নীধ্ৰ আৰু ব্ৰহ্মাৰ সহায়ত এই যজ্ঞ কৰে। অজ, অশ্ব, গো, মহিষ, বৰাহ, গাধ, ভেৰা, উটৰ নাম পশুৰ নামত তালিকাৱদ্ধ হয়। পশুৰ পক্কমাংস যজ্ঞত আহুতি দিয়া হয়।

সত্ৰ ঃ গৱাময়ন যাগ সত্ৰৰ আদৰ্শ যাগ। এই যজ্ঞ ৩৬১ দিনত সম্পন্ন হয়। ইয়াৰ প্ৰথম ১৮০ দিনক পূৰ্বপক্ষ আৰু শেষৰ ১৮০ দিনক উত্তৰ পক্ষ বোলা হয়। মাজৰ দিনটো বিষুব বোলে। প্ৰথম ১৮০ দিনত ক্ৰমশঃ অতিৰাত্ৰ, উক্থ, অভিপ্লবষড়হ, পৃষ্ঠষড়হ, আদি অনুষ্ঠিত হয়। পৰৱৰ্তী ১৮০ দিনত (১৮২-৩৬১) উক্ত যাগবোৰ ওলোটা ক্ৰমত অনুষ্ঠিত কৰা হয়।

বৈদিক কালৰে পৰা আৰ্যসকলৰ অনেক সংস্কাৰ কৰ্ম সম্পন্ন কৰাটো নিয়ম। জাত কৰ্ম, নিষ্ক্ৰামণ, অন্নপ্ৰাশন, চূড়াকৰ্ম, উপনয়ন, বেদাধ্যায়ন, সমাবৰ্তন, গোদান বিৱাহ, গৰ্ভাধান, পুংসবন প্ৰভৃতিক সংস্কাৰ কৰ্ম বোলা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৪ঃ ঋগ্‌বেদৰ কোন কোন সূক্তত প্ৰধানকৈ একেশ্বৰবাদৰ ধাৰণা নিহিত হৈ আছে?

.....

.....

প্ৰশ্ন নং ১৫ঃ বৈদিক যজ্ঞ মূলতঃ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন নং ১৬ঃ দৰ্শপৌৰ্ণমাস যাগৰ অনুষ্ঠান কোন তিথিত সম্পন্ন হয়?

.....

.....

প্ৰশ্ন নং ১৭ঃ আহিতাগ্নি পদৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন নং ১৮ঃ গৱাময়ন যাগৰ অনুষ্ঠান কিমান দিনত সম্পন্ন হয়?

.....

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো—

- সংস্কৃতিৰ তাৎপর্য সম্পর্কে গম পালো
- বৈদিক যুগৰ আর্থিক অৱস্থা— কৃষি, বাণিজ্য, উদ্যোগ আদিৰ বিষয়ে গম পালো।
- বৈদিক যুগৰ ৰাজনৈতিক অৱস্থা— সংগঠন, ৰজা, ৰাজবিষয়া, ৰাজ্যবোৰ, যুদ্ধ আৰু যুদ্ধৰ উপকৰণবোৰৰ বিষয়ে গম পালো।
- বৈদিক যুগৰ ধর্মীয় অৱস্থা, দেৱদেৱতা, বিভিন্ন সিদ্ধান্ত আৰু যাগ-যজ্ঞবোৰৰ বিষয়ে গম পালো।



৩.৮ অধিক জানিবলৈ

১) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়,* গুৱাহাটী ঃ প্রকাশন পৰিষদ, অসম।

২) শর্মা, থানেশ্বৰ (২০০৭), *বেদৰ সৌৰভ,* পুৰণিগুদাম।



৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বৈদিক যুগত বিশেষকৈ ঘেঁহু, ধান, মাহজাতীয় শস্য, তিল আদিৰ খেতি কৰা হৈছিল।

২ নং প্রশ্নৰ উত্তৰঃ বৈদিক যুগত হাবি ভাঙি বহু ঠাই কৃষিৰ উপযোগী ভূমিলৈ ৰূপান্তৰ কৰা হৈছিল।

৩ নং প্রশ্নৰ উত্তৰঃ বৈদিক কালত গৰু-গাইৰ উপৰিও ঘোঁৰা, ভেৰা, ছাগলী, গাধ, কুকুৰ, উট প্রভৃতি পালন কৰা হৈছিল।

৪ নং প্রশ্নৰ উত্তৰঃ বৈদিক কালত প্রচলিত উদ্যোগজাত প্রধান চাৰিবিধ সামগ্রী হ'ল— বাঢ়ৈসকলে কৰা কাঠৰ কাম, কমাৰসকলে প্রস্তুত কৰা লোৰ সঁজুলি, কুমাৰসকলে সজা মাটিৰ পাত্র আৰু চর্মকাৰসকলে পশুৰ ছালেৰে নির্মাণ কৰা সামগ্রীবোৰ।

৫ নং প্রশ্নৰ উত্তৰঃ বৈদিক কালত প্রচলিত এবিধ মুদ্রাৰ নাম হৈছে নিষ্ক।

৬ নং প্রশ্নৰ উত্তৰঃ বৈদিক কালৰ প্রধান তিনিখন ৰাজ্য হৈছে গন্ধাৰ, কেকয়, মদ্র আৰু কালী

৭ নং প্রশ্নৰ উত্তৰঃ বৈদিক কালত ৰাজ্যৰ গঠন-প্রণালীত থকা চাৰিটা সংস্থা হৈছে— গৃহ, গ্রাম, বিশ্ আৰু জনপদ।

৮ নং প্রশ্নৰ উত্তৰঃ বৈদিক কালত প্রৱর্তিত ৰাজতন্ত্রত নিযুক্ত চাৰিগৰাকী পদাধিকাৰী হৈছে—

ৰজাৰ পুৰোহিত, ধৰ্ণাধ্যক্ষ, দ্বাৰপাল আৰু দূত।

৯ নং প্ৰশ্নৰ উত্তৰঃ বৈদিক কালত ৰজাৰ কৰসংগ্ৰাহক বিষয়াজনক ভাগদুঘ বোলা হৈছিল।

১০ নং প্ৰশ্নৰ উত্তৰঃ বৈদিক কালৰ যুদ্ধত ব্যৱহৃত অস্ত্ৰবোৰৰ বিৱৰণ ঋগ্‌বেদৰ ষষ্ঠ মণ্ডলৰ অন্তিম সূক্তটিত (৬/৭৫) অন্তৰ্ভুক্ত হৈছে।

১১ নং প্ৰশ্নৰ উত্তৰঃ ঋগ্‌বেদৰ দুশ পঞ্চাশটা সূক্তত ইন্দ্ৰদেৱতাৰ স্তুতি সন্নিবিষ্ট হৈছে।

১২ নং প্ৰশ্নৰ উত্তৰঃ ঋগ্‌বেদত স্তুত দেৱতাসকলৰ শ্ৰেণী তিনিটা হৈছে— ১। দ্যুস্থানীয়, ২। অন্তৰীক্ষণস্থানীয় আৰু ৩। পৃথিৱীস্থানীয়।

১৩ নং প্ৰশ্নৰ উত্তৰঃ ঋগ্‌বেদত স্তুত পাঁচজন দ্যুস্থানীয় দেৱতা হ'ল সূৰ্য, বৰুণ, মিত্ৰ, বিষ্ণু আৰু অশ্বিনৌ। অন্তৰীক্ষস্থানীয় তিনিজন দেৱতা হৈছে— ইন্দ্ৰ, মৰুদ্‌গণ আৰু পৰ্জন্য। পৃথিৱীস্থানীয় তিনিজন দেৱতা হৈছে অগ্নি, সোম আৰু পৃথিৱী।

১৪ নং প্ৰশ্নৰ উত্তৰঃ ঋগ্‌বেদৰ দশম মণ্ডলৰ অন্তৰ্গত হিৰণ্যগৰ্ভসূক্ত (১০/১২১) আৰু বিশ্বকৰ্মাসূক্তত (১০-৮১) প্ৰধানকৈ একেশ্বৰবাদৰ ধাৰণা নিহিত হৈ আছে।

১৫ নং প্ৰশ্নৰ উত্তৰঃ বৈদিক যজ্ঞ মূলতঃ পাঁচ প্ৰকাৰৰ। এই কেইপ্ৰকাৰৰ যজ্ঞ হৈছে— হোম, সোম, ইষ্টি, পশু আৰু সত্ৰ।

১৬ নং প্ৰশ্নৰ উত্তৰঃ দৰ্শপৌৰ্ণমাস ইষ্টিৰ অনুষ্ঠান সম্পন্ন হয় অমাৱস্যা আৰু পূৰ্ণিমা তিথিত।

১৭ নং প্ৰশ্নৰ উত্তৰঃ আহিতাগ্নি পদৰ অৰ্থ হৈছে— যাৰ গাইপত্য অগ্নি প্ৰতিষ্ঠিত হৈছে। আহিতাগ্নিজনে এই গাইপত্য অগ্নিতেই আহিতাগ্নিজনে অগ্নিহোত্ৰ যাগ নিতৌ পুৱা-গধুলি সম্পন্ন কৰে।

১৮ নং প্ৰশ্নৰ উত্তৰঃ গৱাময়ন নামৰ সত্ৰ যাগৰ অনুষ্ঠান সম্পন্ন হয় তিনিশ একষষ্ঠি দিনত।



৩.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ সংস্কৃতি কাক বোলে? 'সংস্কৃতি'ৰ ব্যুৎপত্তিগত অৰ্থ কি?

প্ৰশ্ন ২ঃ বৈদিক কালৰ আৰ্থিক অৱস্থাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ বৈদিক কালৰ ৰাজনৈতিক অৱস্থাৰ বিষয়ে লিখক।

(খ) চুটি প্ৰশ্ন

প্ৰশ্ন ১ঃ বৈদিক কালৰ ধৰ্মীয় অৱস্থাৰ আভাস চমুকৈ লিখক।

প্ৰশ্ন ২ঃ বৈদিক কালৰ যুদ্ধ আৰু যুদ্ধৰ উপকৰণবিলাকৰ বিষয়ে চমু প্ৰবন্ধ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ বৈদিক কালৰ দেৱ-দেৱীৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ বৈদিক কালৰ যাগ-যজ্ঞৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৪ ঃ ঋগ্বেদ ঃ চমু পৰিচয়

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ঋক্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ
৪.৪ ঋগ্বেদৰ শাখা
৪.৪.১ শাকল সংহিতাৰ বিৱৰণ
৪.৫ ঋগ্বেদসংহিতাৰ বিভাজন
৪.৬ ঋগ্বেদ সংহিতাৰ গঠন তত্ত্ব
৪.৭ ঋগ্বেদৰ সংহিতা পাঠ আৰু পদপাঠ
৪.৮ ঋগ্বেদৰ ব্রাহ্মণ, আৰণ্যক, উপনিষদ
৪.৯ ঋগ্বেদৰ বিষয় বস্তু
৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১১ অধিক জানিবলৈ
৪.১২ অগ্রগতিৰ খতিয়ান
৪.১৩ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিশ্ব সাহিত্য তথা প্রাচীন ভাৰতীয় সাহিত্যৰ আদিতম সাহিত্য ঋগ্বেদৰ চমু আভাস লাভ কৰিব
- ঋগ্বেদৰ শাখাবোৰৰ বিষয়ে আভাস পাব
- ঋগ্বেদৰ শাকল সংহিতাৰ আভাস পাব
- অষ্টক আৰু মণ্ডল বিভাগৰ আভাস পাব
- ঋগ্বেদ সংহিতাৰ গঠন তত্ত্বৰ আভাস পাব
- সংহিতাপাঠ আৰু পদপাঠৰ আভাস পাব
- ঋগ্বেদীয় মন্ত্র, ব্রাহ্মণ,আৰণ্যক, উপনিষদ্ৰ আভাস পাব
- ঋগ্বেদৰ বিষয় বস্তুৰ আভাস পাব
- বৈদিক যুগৰ ধর্ম-কর্ম, জ্ঞান-গৰিমাৰ আভাস লাভ কৰিব।

৪.২ পৰিচয়

আপুনি ইতিমধ্যে আগৰ অধ্যায়ত বৈদিক সাহিত্যৰ কিছু আভাস পাই আহিছে। তাত কোৱা হৈছে যে ঋগ্বেদ কেৱল ভাৰতীয় সাহিত্যৰ নহয়, বিশ্ব সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন।

এই ঋগ্বেদ বৈদিক সভ্যতা আৰু সংস্কৃতিৰো উজ্জলতম নিদৰ্শন। ইয়াৰ ১০৫৫২টা মন্ত্ৰৰ মাজেৰে সেইকালৰ ধৰ্ম, ৰাজনীতি, সমাজনীতি, আৰ্থিক, সামাজিক অৱস্থাৰো আভাস পোৱা যায়। হাজাৰ হাজাৰ বছৰ আগতে বৈদিক যুগত ৰজা-প্ৰজা, জাতি-বৰ্ণ-নিৰ্বিশেষে সকলো আৰ্যাবৰ্ত নিবাসীৰ জীৱন-ধাৰণ প্ৰণালী কেনে আছিল তাৰ আভাসো ঋগ্বেদৰ অধ্যয়নৰ পৰা জানিব পাৰি।

ঋগ্বেদ প্ৰাচীন ভাৰতীয় ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, ধৰ্মীয় অৱস্থা, ৰাজনীতি, সমাজনীতি, সমৰনীতি আদিৰ আকৰ গ্ৰন্থ। ভাৰত বিদ্যাৰ যিকোনো দিশৰ অধ্যয়ন, চৰ্চা, অনুশীলন কৰিবলৈ হ'লে পোনতে ঋগ্বেদৰ মাজত নিহিত তথ্য-তত্ত্বৰ আভাস বা জ্ঞান লাভ অৱশ্যই কৰিব লাগিব। সাম, যজুস্ আৰু অথৰ্ববেদৰ আলোচনা কৰাৰ আগতে ঋগ্বেদৰ পঠন-পাঠন আৱশ্যক।

বৰ্তমান অধ্যায়ত আপুনি ঋগ্বেদৰ মহত্ত্ব, ঋগ্বেদৰ গঠন তত্ত্ব, বিভাজন, তাৰ মাজত নিহিত দেৱতাৰ চৰিত্ৰ, ঋষিসকলৰ আশা আকাংক্ষা, ঋগ্বেদৰ সাহিত্যিক মূল্য, ঐতিহাসিক তথ্য আদিৰ জ্ঞান আপুনি অৱশ্যই লাভ কৰিব পাৰিব।

৪.৩ ঋক্ শব্দৰ ব্যুৎপত্তি আৰু অৰ্থ

ঋচ্ (ঋক্), সামন্ আৰু যজুস্ শব্দই তিনিখন বেদক বুজায়। তাৰ ভিতৰত স্ত্ৰীবাচক ঋচ্ (ঋচ্+ক্বিপ্, কৰণ) শব্দই 'ইয়াৰ দ্বাৰা স্তুৰ কৰা যায়' এই অৰ্থ বুজায়। ঋচ্যতে স্তূয়তে য়য়া সা ঋক্। ঋক্ শব্দটো ঋচ্ ধাতুৰ পৰা নিষ্পন্ন হৈছে। ঋচ্ ধাতুৰ অৰ্থ পূজা কৰা, অৰ্চনা কৰা, প্ৰশংসা কৰা। ঋক্ শব্দই ঋগ্বেদ সংহিতাকে বুজায়।

৪.৪ ঋগ্বেদৰ শাখা

প্ৰথম অধ্যায়তে কৈ অহা হৈছে যে পৰাশৰ-পুত্ৰ বেদব্যাসে বেদ বিভাজন কৰিছিল আৰু পৈল নামে শিষ্যক ঋগ্বেদৰ ধাৰক, প্ৰচাৰক আৰু প্ৰসাৰক হিচাপে নিৰ্বাচন কৰিছিল। কালক্ৰমত পৈলৰ শিষ্য-প্ৰশিষ্যসকলৰ মাজত ঋগ্বেদৰ অধ্যয়ন আৰু প্ৰবচনত মত পাৰ্থক্যই দেখা দিলে। তাৰ ফলত কিছু সুকীয়া বৈশিষ্ট্যসূচক শাখা-প্ৰশাখাই গা কৰি উঠে। বিভিন্ন বৈদিক আৰু লৌকিক শাস্ত্ৰত ঋগ্বেদৰ অনেক শাখাৰ নাম পোৱা যায়। কূৰ্ম পুৰাণ, পতঞ্জলিৰ মহাভাষ্য, নিৰুক্তৰ ভাষ্যকাৰ দুৰ্গাচাৰ্যই ঋগ্বেদৰ শাখাৰ সংখ্যা একৈশখন বুলি কৈছে। (একবিংশতিধা বহ্বৃচাম্)। স্কন্দ পুৰাণৰ মতে ঋগ্বেদৰ শাখা চৌব্বিশখন। বামনজয়াদিত্যৰ মতে ঋগ্বেদৰ শাখা ত্ৰিশৰো অধিক। কিন্তু শৌনকে চৰণব্যূহত ঋগ্বেদৰ পাঁচখন শাখাৰহে নামোল্লেখ কৰিছে। সেই পাঁচ শাখা ঃ শাকল, বাষ্কল, আশ্বলায়ন, শাংখায়ন আৰু মাণ্ডুকায়ন। তাৰ মাজত একমাত্ৰ শাকলৰ পঠন-পাঠন, চৰ্চা,

অধ্যয়ন চলি আহিছে। শাকল শাখাৰ বিস্তৃত বিৱৰণ দিয়াৰ আগতে অন্য চাৰি শাখাৰ তেনেই চমু বর্ণনা দিয়া হল ঃ

বাষ্কল ঃ এই শাখাৰ অবিকৃত পাঠ সম্প্রতি পোৱা নাযায়। মাত্র তাৰ বৈশিষ্ট্য কিছু অ'ত ত'ত সিঁচৰিত হৈ থকা দেখা যায়। (১) শাকল সংহিতাৰ মতে ঋগ্বেদৰ অন্তিম মন্ত্র সমানী ৱ ঃ আকূতিঃ, কিন্তু বাষ্কলৰ মতে তচ্ছ্রেয়েৰাৱৃণীমহে। (২) শাকল শাখাতকৈ বাষ্কল শাখাৰ মন্ত্রৰ সংখ্যা অধিক। বালখিল্য সূক্ত এঘাৰটাক বাদ দি শাকল সংহিতাৰ মন্ত্র সংখ্যা ১,০১৭; কিন্তু বাষ্কল শাখাৰ সূক্ত সংখ্যা ১,০২৫। (৩) শাকল সংহিতাৰ প্রথম মণ্ডলৰ সূক্ত আৰু মন্ত্রৰ যি ক্রম দেখা যায় বাষ্কল শাখাত তাৰ ব্যতিক্রম দেখা যায়।

আশ্বলায়ন ঃ এই শাখা এসময়ত সমাজত প্রচলিত আছিল। প্রাপ্ত তথ্যানুসাৰে এই শাখাৰ পাণ্ডুলিপি যোধপুৰৰ এটি গ্রন্থাগাৰত সংৰক্ষিত আছে। কিন্তু ইয়াৰ অধ্যয়ন হোৱা নাই।

শাংখায়ন ঃ যিমান দূৰ জনা যায় শাকল সংহিতা আৰু শাংখায়নৰ মন্ত্রৰ সংখ্যাৰ মাজত কোনো পার্থক্য নাই। কিন্তু মন্ত্র চয়নৰ পার্থক্য আছে। শাকল সংহিতাত পৰিশিষ্ট আৰু বালখিল্য সূক্তবোৰক মূলৰ সৈতে যোগ কৰা নহয়; কিন্তু শাংখায়ন সংহিতাত এই দুই সূক্তসমষ্টিক অন্তর্ভুক্ত কৰা হয়।

মাণ্ডুকায়ন ঃ এই শাখাৰ মন্ত্র সংহিতা পোৱা নাযায়; কিন্তু ইয়াৰ সংহিতা, ব্রাহ্মণ আদি এসময়ত যে সমাজত প্রচলিত আছিল তাত সন্দেহ নাই।

৪.৪.১ শাকল সংহিতাৰ বিৱৰণ

শাকল ঃ অতীত কালত ঋগ্বেদৰ যে অনেক শাখা প্রশাখা আছিল তাত সন্দেহ নাই। কিন্তু অনেক বাৰ আমাৰ দেশৰ ওপৰত হোৱা বহিঃ আক্রমণ, বানপানী, ধুমুহা-বতাহ, সেমেকা জলবায়ু আদি প্রাকৃতিক দুর্যোগৰ হেতুকে দুই এক সংহিতাহে এতিয়ালৈ বর্তি আছে। তাৰ ভিতৰত শাকল সংহিতাহে অক্ষত অৱস্থাত পোৱা গৈছে। বহুতো সময়ত গ্রন্থ একোখনৰ ৰচক একোজন থাকে। কিন্তু ঋগ্বেদৰ দৰে গ্রন্থৰ ক্ষেত্রত ব্যতিক্রম দেখা যায়। ঋষিসকলে দর্শন কৰা কাব্যাকৃতিৰ অনুপম সংগ্রহ এটাকে ঋগ্বেদ 'সংহিতা' বোলা হৈছে। বর্তমান আমি ঋগ্বেদ সংহিতা বুলি মহাগ্রন্থখনৰ যি ৰূপ বা গঠনত পাইছোঁ তাৰ পৰা এইটো পৰিষ্কাৰভাবে বুজিব পাৰি যে এই গ্রন্থত সংগৃহীত সূক্তবোৰ সংকলনৰ সময়তকৈ বহুকালৰ আগতে ৰচনা কৰা হৈছিল। তাৰ মাজত অনেক নতুন আৰু পুৰণি সূক্ত আছে তাত সন্দেহ নাই। ভাৱ, ভাষা, শব্দাৱলী, শৈলী, ব্যাকৰণ, ছন্দ, অলংকাৰ আদি নানান কাৰণত তেনেদৰে ভাবিবৰ অৱকাশ আছে। Vedic Metre নামে গ্রন্থৰ গ্রন্থকাৰ ই ভার্ণোন্ আর্ণল্ডে কৈছে যে ঋগ্বেদ এখন গ্রন্থ নহয়, বৰঞ্চ ই 'এটা পুথিভঁৰাল' আৰু 'এক সাহিত্য'।

৪.৫ ঋগ্বেদ সংহিতাৰ বিভাজন

ঋগ্বেদ সংহিতাক দুই ধৰণে বিভাজন কৰা দেখা যায়। (১) অষ্টক বিভাজন আৰু (২) মণ্ডল বিভাজন

(১) **অষ্টক বিভাজন ঃ** এই বিভাজন অনুসৰি ঋগ্বেদ সংহিতাক আঠ অষ্টকত ভাগ কৰা হৈছে। প্ৰত্যেক অষ্টকক আকৌ আঠটাকৈ অধ্যায়ত ভাগ কৰা হৈছে। প্ৰতিটো অধ্যায়ক আকৌ কেইবাটাও বৰ্গত ভাগ কৰা হৈছে। একোটা বৰ্গ একাধিক মন্ত্ৰৰ সমষ্টি। এই বিভাজন অনুসৰি ঋক্‌সংহিতাত (শাকল শাখাত) আঠটা (৮) অষ্টক, চৌষষ্টিটা (৬৪) অধ্যায়, দুহাজাৰ ছটা (২০০৫) বৰ্গ আৰু ১০,৪৫০টা মন্ত্ৰ আছে। বালখিল্য সূক্ত যোগ হ'লে মুঠ মন্ত্ৰৰ সংখ্যা ১০,৫৫২ হয়গৈ।

অষ্টক বিভাজন অনুসৰি সূক্ত, বৰ্গ আৰু খনকৰ সংখ্যা তলৰ তলিকাত দেখুৱা হ'ল ঃ

অষ্টক	সূক্ত সংখ্যা	বৰ্গ সংখ্যা	ঋকৰ সংখ্যা
প্ৰথম	১২১	২৬৪	১৩৭৪
দ্বিতীয়	১১৯	২২১	১১৪৩
তৃতীয়	১২২	২২৫	১২০৯
চতুৰ্থ	১৪০	২৫০	১২৮৯
পঞ্চম	১২৯	২৩৮	১২৬৯
ষষ্ঠ	১২৪	৩১৩	১৬৫০
সপ্তম	১১৬	২৪৮	১২৩৫
অষ্টম	১৪৬	২৪৬	১২৮১
	১০১৭	২০০৫	১০৪৫০
বালখিল্য	১১	১৮	৮০
	১০২৮	২০২৩	১০৫৩০

(২) **মণ্ডল বিভাজন ঃ** মণ্ডল বিভাজন অধিক মহত্বপূৰ্ণ, ঐতিহাসিক আৰু বিজ্ঞানসন্মত। অষ্টক বিভাজন কৃত্ৰিম। ই কেৱল ছাত্ৰৰ বাবে বিশেষতঃ কণ্ঠস্থ কৰিবলৈ সহজ পন্থা এটা। বেদৰ ছাত্ৰ শিক্ষক আৰু গৱেষকে মণ্ডল বিভাগ অনুসৰণ কৰিহে ঋগ্বেদৰ উদ্ধৃতি দিয়ে। এই বিভাজন অনুসৰি ঋগ্বেদ দহটা মণ্ডলত বিভক্ত। দশধা বিভক্ত ঋগ্বেদক নিৰুক্ত আদিত দশতয়ী বুলিছে। মণ্ডলবোৰ একাধিক অনুবাকত বিভক্ত। অনুবাক একোটিত থাকে একাধিক সূক্ত। সূক্তবোৰ একাধিক ঋকৰ সমষ্টি। আটাইতকৈ দীঘল সূক্তটোত ৫৮টা ঋক্ আছে। বৈদিক ঋষি কবিসকলে এনে একোটি সূক্তেৰে এক বা একাধিক দেবতাক স্তুতি কৰিছিল। তলৰ তালিকাত এই বিভাগৰ মণ্ডল, অনুবাক, সূক্ত আৰু মন্ত্ৰ তুলি ধৰা হ'ল ঃ

মণ্ডল	অনুবাক	সূক্ত	মন্ত্র
প্রথম	২৪	১৯১	২০০৬
দ্বিতীয়	৪	৪৩	৪২৯
তৃতীয়	৫	৬২	৬১৭
চতুর্থ	৫	৫৮	৫৮৯
পঞ্চম	৬	৮৭	৭২৭
ষষ্ঠ	৬	৭৫	৭৬৫
সপ্তম	৬	১০৪	৮৪১
অষ্টম	১০	৯২	১৬৩৬
নৱম	৭	১১৪	১১০৮
দশম	১২	১৯১	১৭৫৮
বালখিল্য	—	+১১	+ ৮০
	৮৫	১০২৮	১০৫৫৬

ওপৰৰ তালিকাখনৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে দহটা মণ্ডলৰ ভিতৰত দ্বিতীয় মণ্ডলটোৱে ক্ষুদ্রতম আৰু প্রথম মণ্ডলটোৱে বৃহত্তম। দ্বিতীয় মণ্ডলত আছে ৪৩ টা সূক্ত আৰু ৪২৯ টা ঋক্। প্রথম মণ্ডলত আছে ১৯১ টা সূক্ত আৰু ২০০৬ টা ঋক্ মন্ত্র।

৪.৬ ঋগ্বেদ সংহিতাৰ গঠন তত্ত্ব

ঋগ্বেদ সংকলনৰ সময়ত সংকলকে এটা কথালৈ নজৰ ৰাখিছিল যে একোজন ঋষি বা তেওঁৰ কুলৰ ঋষিসকলে দর্শন কৰা সকলো মন্ত্র যেন একেটা মণ্ডল বা থূপতে ক্রমানুসাৰে শ্রেণীবদ্ধ কৰা হয়। এনেদৰে কোনো কোনো ঋষি আৰু তেওঁৰ কবি ঋষিসকলে দর্শন কৰা সূক্তৰে ভৰা মণ্ডলটোক সেই ঋষিৰ নামেৰে জনা গৈছিল। তেনে মণ্ডলক সেই ঋষিৰ কূপমণ্ডল বোলা হৈছিল। ঋগ্বেদৰ দহটা মণ্ডলৰ ভিতৰত দ্বিতীয় মণ্ডলৰ পৰা সপ্তম মণ্ডললৈ ছটা মণ্ডলক কুল মণ্ডল বোলা হয়। প্রথম মণ্ডলৰ মাজতো ভালেকেইজন ঋষিৰ ৰচনাক একোটা থূপতে সংকলন কৰি থোৱা হৈছে। অষ্টম মণ্ডলৰ দুটা ঋষি পৰিয়ালৰ মন্ত্রবোৰ দুটা গোটত সংগৃহীত হৈছে। নৱম মণ্ডল ব্যতিক্রম। তাত বিভিন্ন ঋষিয়ে স্তুতি কৰা সোম সূক্তবোৰ সংগৃহীত হৈছে, সেয়ে তাক সোম-পৱমান মণ্ডল বোলা হয়। প্রথমতে আমি কুল মণ্ডলকেইটাৰ বিষয়ে চমু আলোচনা কৰিম। আশ্বলায়ন শ্রৌতসূত্রত ঋগ্বেদৰ মণ্ডলকেইটাৰ নামবোৰ এইদৰে দিছেঃ

অথর্ষয় ঃ শতর্চিনো মাধ্যমা গৃৎসমদো ৱিশ্বামিত্রো ৱামদেৱঃ।

ভৰদ্বাজো ৱশিষ্ঠঃ প্রগাথাঃ পাৱমানাঃ ক্ষুদ্রসূক্তমহাসূক্তাঃ।।

আশ্বলায়নে কয় যে প্রথম মণ্ডলটো শতর্চিন নামে প্রসিদ্ধ। তাৰ পাছৰ ছটা মণ্ডল একোজন ঋষিৰ নামেৰে জনাজাত আৰু কুল মণ্ডল নামে পৰিচিত। ঋষিসকল ক্রমশঃ গৃৎসমদ, বিশ্বামিত্র,

বামদেৱ, (অত্রি) ভৰদ্বাজ আৰু বশিষ্ঠ। অষ্টম মণ্ডল প্রগাথ। নৱম মণ্ডল পৱমান। দশম মণ্ডল ক্ষুদ্রসূক্ত-মহাসূক্ত বুলি পৰিগণিত। কাত্যায়নেও সর্বানুক্রণীত আশ্বালায়নৰ উক্তি সমর্থন কৰিছে— 'শতর্চিন আদ্যে মণ্ডলেহন্ত্যে ক্ষুদ্রসূক্তমহাসূক্তা মধ্যমেষু মাধ্যমাঃ।'

দ্বিতীয় মণ্ডলৰ পৰা সপ্তম মণ্ডল পর্যন্ত কুলমণ্ডল কেইটাত চকু ফুৰালে এক প্রকাৰ নিয়ম মানি চলা যেন দেখা যায়। এহাতে এই মণ্ডলকেইটাত ক্রমশঃ সূক্ত আৰু মন্ত্রৰ সংখ্যা বাঢ়ি যায়। যেনে মন্ত্রৰ ক্রমশঃ সংখ্যা—৪২৯, ৬১৭, ৫৮৯, ৭২৭, ৭৬৫, ৮৪১। মাত্র চতুর্থ মণ্ডলত অলপ ব্যতিক্রম দেখা যায়। আনহাতে মণ্ডল কেইটাৰ সূক্ত চয়নতো এক প্রকাৰ সুস্থ প্রণালী মানি চলা যেন লাগে। সদায় মণ্ডলৰ আদিতে অগ্নি সূক্তবোৰ সন্নিৱিষ্ট হয়। তাৰ পাছতে ইন্দ্রসূক্তবোৰ দেখা যায়। তাৰ পাছত সঞ্চিত হয় বিশ্বেদেৱাঃ সূক্তবোৰ। ইয়াৰ পাছত সেই ঋষি পৰিয়ালৰ গৃহদেৱতাৰ স্তুতিগীতবোৰ পৰিৱেশন কৰা হয়। তাৰ পাছত অন্যান্য দেৱতাৰ স্তুতিগীতবিলাক ক্রমশঃ সংগৃহীত হয়। যিকোনো দেৱতা বিষয়ক সূক্তৰ আদিতে প্রথম সূক্তটো অধিক দীঘলীয়া হয় আৰু ক্রমশঃ পাছৰ সূক্তবোৰৰ ঋকৰ সংখ্যা হ্রাস হয়। কিন্তু কেতিয়াবা কোনো দেৱতাৰ সূক্তৰ শেষত অধিক দীঘলীয়া সূক্ত দেখা যায়। পণ্ডিতসকলে তাক Composite বা সংযুক্ত সূক্ত বুলিছে, যাক প্রক্ষেপ বুলিও কব পাৰি।

পণ্ডিতসকলে ঋগ্বেদৰ সংকলনৰ বিশেষভাবে আলোচনা কৰি যে ঋগ্বেদৰ কুল মণ্ডল (২-৭) কেইটাহে পোনতে সংকলিত হৈছিল। তাৰ পৰৱর্তী কালত নতুনকৈ দৃষ্ট মন্ত্রবোৰৰ এগোটকৈ কুল মণ্ডলৰ আগত আৰু পাছত সংযুক্ত কৰা হয়। প্রথম মণ্ডলৰ ৫১-১৯১ সূক্তবোৰ আগত আৰু অষ্টম মণ্ডলৰ প্রথম পঞ্চাশটা (১-৫০) সূক্ত কুল মণ্ডলৰ পাছত সংযোজিত। তাৰ পাছত প্রথম মণ্ডলৰ ১-৫০ সূক্তবোৰ আৰু ৫১-৯২ সূক্তবোৰ জোৰা দিয়া হয়। প্রথম আঠটা মণ্ডল প্রস্তুত হোৱাৰ পাছতহে পৱমান মণ্ডল বুলি জনাজাত নৱম মণ্ডল যুক্ত হয়। গতিকে দশম মণ্ডলৰ সংযোজন হোৱাৰ আগতে সংকলনৰ হাতত ঋগ্বেদৰ নটা মণ্ডল আছিল। পাশ্চাত্যৰ পণ্ডিতসকলে কয় যে প্রথম আৰু দশম মণ্ডলৰ আগতে দ্বিতীয়ৰ পৰা অষ্টম মণ্ডলৰ সংকলন হৈছিল। কিন্তু ভাৰতীয় পণ্ডিত কুনহান ৰাজাৰ মতে প্রথম মণ্ডলৰ সূক্তবোৰ ২ - ৮ মণ্ডলৰ সূক্তবোৰৰ সমানে পুৰণি। কাৰণ ২ - ৮ মণ্ডলৰ সূক্তবোৰৰ ঋষিসকলৰ অঙহী-বঙহীসকলে প্রথম মণ্ডলৰ সূক্তবোৰ দর্শন কৰিছে বুলি পৰম্পৰাগত সাক্ষ্য-প্রমাণ পোৱা যায়। কিন্তু দশম মণ্ডলৰ অর্বাচীনতা সম্বন্ধে সন্দেহৰ অৱকাশ নাই। কাৰণ (১) দশম মণ্ডলৰ সূক্তৰাজিৰ দ্রষ্টাসকল তুলনামূলকভাবে পাছৰ যুগৰ (২) দশম মণ্ডলৰ সূক্তৰাজিৰ দেৱতা (বিষয় বস্তু) নতুন ; (৩) দশম মণ্ডলৰ সূক্তবোৰৰ ভাষাত আৰু ছন্দতো নতুনত্বৰ স্বাক্ষৰ দেখা যায়।

অষ্টম মণ্ডলত প্রাপ্ত বালখিল্য সূক্ত এঘাৰটালৈ পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। এই সূক্তবোৰৰ ওপৰত সায়ণাচার্যই ভাষ্য লিখা নাই।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ ঋক্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ কি?

.....

.....

প্রশ্ন নং ২ঃ ঋগ্বেদৰ পাঁচটা শাখাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৩ঃ বর্তমান প্রচলিত ঋগ্বেদৰ শাখাটোৰ নাম কি?

.....

.....

প্রশ্ন নং ৪ঃ অষ্টক বিভাজন অনুসৰি ঋগ্বেদত কেইটা অষ্টক আছে?

.....

.....

প্রশ্ন নং ৫ঃ মণ্ডল নামৰ বিভাগ মতে ঋগ্বেদত মণ্ডলকেইটা আছে?

.....

.....

প্রশ্ন নং ৬ঃ ঋগ্বেদত মুঠতে কিমান সূক্ত আৰু ঋক্ মন্ত্র আছে?

.....

.....

প্রশ্ন নং ৭ঃ ঋগ্বেদৰ 'কুল মণ্ডল' বুলিলে কোনকেইটা মণ্ডলক বুজায়?

.....

.....

প্রশ্ন নং ৮ঃ 'প্রগাথ' মণ্ডল কোনটো আৰু পৰমান মণ্ডল কোনটো?

.....

.....

প্রশ্ন নং ৯ঃ ঋগ্বেদৰ মণ্ডলবোৰৰ সূক্তসংখ্যা কিমান?

.....

.....

প্রশ্ন নং ১০ঃ প্রথম আৰু দশম মণ্ডলৰ সূক্ত সংখ্যা কিমান?

.....

.....

৪.৭ ঋগ্বেদৰ সংহিতা পাঠ আৰু পদপাঠ

ঋগ্বেদ সংহিতাত দুই প্ৰকাৰৰ পাঠ দেখা যায়। সন্ধিযুক্তভাবে যাক উচ্চাৰণ কৰা হয় তাকে সংহিতা পাঠ বোলা হয়। সাধাৰণতে হোতা নামৰ পুৰোহিতে প্ৰাতৰনুবাক আদিত ঊষা, অগ্নি, অশ্বিদ্বয় আদিৰ উদ্দেশ্যত যেতিয়া বেদৰ মন্ত্ৰ পাঠ কৰে, তেতিয়া সন্ধি সমাসবদ্ধভাবে পাঠ কৰে, সেইটো সংহিতা পাঠৰ উদাহৰণ। কিন্তু পঠন-পাঠন, প্ৰবচন আদিৰ সময়ত মন্ত্ৰগত শব্দবোৰ বিশ্লেষণ কৰি কবলগীয়া হয়। এই বিশিষ্ট পাঠকে পদপাঠ বোলা হয়। পণ্ডিতসকলৰ মতে পদপাঠ ঋগ্বেদৰ প্ৰথম ভাষ্য।

পণ্ডিতসকলৰ মতানুসৰি পদপাঠৰ প্ৰবক্তা শাকল্য। এওঁক যাজ্ঞৱল্ক্যৰ সমকালীন বুলি কোৱা হয়। জনক ৰজাৰ সভাত তেওঁ যাজ্ঞৱল্ক্যৰ লগত ব্ৰহ্মোদ্যত ভাগ লৈ অপদস্থ হৈছিল। তেওঁৰ প্ৰকৃত নাম বেদমিত্ৰ শাকল্য। সম্ভৱতঃ তেওঁ ঋগ্বেদৰ শাকল সংহিতাৰো সৰ্বপ্ৰথমে অধ্যয়ন কৰে। কিন্তু কোনো নিশ্চয়তা ইয়াত নাই।

৪.৮ ঋগ্বেদৰ ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ্

প্ৰত্যেক বেদৰে নিজৰ নিজৰ মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ আছে। ঋগ্বেদৰ অন্তৰ্গত ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ সাহিত্যৰ আভাস তলত দিয়া হ'ল।

ব্ৰাহ্মণ ঃ —ঐতৰেয় ব্ৰাহ্মণ আৰু শাংখয়ন বা কৌষীতকী ব্ৰাহ্মণ।

আৰণ্যক ঃ —ঐতৰেয় আৰণ্যক আৰু কৌষীতকী আৰণ্যক

উপনিষদ ঃ— ঐতৰেয় উপনিষদ্ কৌষীতকী উপনিষদ্।

৪.৯ ঋগ্বেদৰ বিষয়বস্তু

ঋগ্বেদৰ প্ৰতিটো মন্ত্ৰতে ঋষিয়ে যি বিষয়ৰ বৰ্ণনা বা উপস্থাপন কৰিছে সেয়ে সেই মন্ত্ৰগতা দেৱতা (যা তেনোচ্যতে সা দেৱতা, কাত্যায়ন)।

ঋগ্বেদত অনেক দেৱতাৰ স্তুতি বা প্ৰশংসা কৰা হৈছে। তাত স্তুতি কৰা দেৱতা সকলক যাস্কই নিৰুক্তত তিনি প্ৰকাৰৰ বুলি কৈছে ঃ পৃথিৱীস্থানীয়, অন্তৰীক্ষস্থানীয় আৰু দ্যুলোকস্থানীয়। অগ্নি, ইন্দ্ৰ বা বায়ু আৰু সূৰ্যক ক্ৰমে তাৰ উদাহৰণ হিচাপে উল্লেখ কৰিছে। অগ্নিৰ উপৰিও অপ্, পৃথিৱী আৰু সোম পাৰ্থিব দেৱতা শ্ৰেণীৰ ভিতৰুৱা। ইন্দ্ৰ, বায়ুৰ উপৰিও ৰুদ্ৰ, মৰুৎসকল, অপাংনপাৎ,, পৰ্জন্য আদি অন্তৰীক্ষ বা মধ্যমস্থানীয় দেৱতা। সেইদৰে সূৰ্যৰ উপৰিও মিত্ৰ, বৰুণ, দ্যৌ, পূষা, সৰিতা, আদিত্য, অশ্বিদ্বয় ঊষা, ৰাত্ৰি প্ৰভৃতিক দ্যুলোকস্থানীয় দেৱতা বোলা হৈছে। ঋভু বিভু আৰু কাজ নামে আৰু তিনিজন দেৱতাৰ নাম পোৱা যায়।

ঋগ্বেদত উল্লেখিত অনেক দেৱতাৰ মাজত আমি ইয়াত মাত্ৰ মুখ্য দেৱতাৰ চমু আভাস তুলি ধৰিলো ঃ

ইন্দ্ৰ ঃ বৈদিক দেৱতাসকলৰ ইন্দ্ৰ মুখ্য দেৱতা। তেওঁ বৈদিক ঋষিসকলৰ মাজত জনপ্ৰিয়।

গুৰুত্ব, মহত্ত্ব, শৌয্য-বীর্য্য আদি সকলো গুণৰে আধাৰ ইন্দ্র। ঋগ্বেদৰ ১০২৮ টা সূক্তৰ ভিতৰত প্রায় আঢ়ৈশ সূক্তত ইন্দ্রৰ স্তুতি কৰা হৈছে। তদুপৰি আৰু অনেক সূক্তত অন্য দেৱতাৰ সৈতে যুগ্মভাৱেও স্তুতি কৰা হৈছে। ঋষিসকলে তেওঁৰ দৈহিক অৱয়ৱৰ বর্ণনা কৰিছে। তেওঁৰ ৰথ আৰু ঘোঁৰাৰ বর্ণনা কৰিছে। তেওঁৰ প্রমুখ অস্ত্র বজ্রৰ প্রশংসা কৰিছে। তেওঁৰ প্রিয় পানীয় সোমৰসৰ ভূৰি ভূৰি প্রশংসা কৰা হৈছে। ইন্দ্রই সোমৰস পান কৰি বজ্রাস্ত্রেৰে বৃত্র, শম্বৰ, অর্বুদ, নমুচি, শুষ্ণ, কৃষ্ণ, দাস, দস্যুসকলক নিঃশেষ কৰিছে। ইন্দ্রৰ বিবিধ বৈশিষ্টসূচক বিশেষণ, যেনে পুৰন্দৰ, শতক্রতু, বজ্রবাহু, বজ্রিন্, বৃত্রঘ্ন, মঘবন্ প্রভৃতি অতিশয় মহত্ত্বসূচক। বৃত্রক বা অহিক বধ কৰি তেওঁ পানীৰ সোঁত বোৱাইছিল। তেওঁ অনার্যৰে হোৱা যুদ্ধত আর্যসকলক ৰক্ষা কৰিছিল। তেওঁ ঋষি, ৰজা আৰু ভক্তসকলক প্রচুৰ ধন দিছিল।

অগ্নি ঃ অগ্নি পার্থিব দেৱতা সকলৰ ভিতৰত মুখ্য আৰু পৃথিৱীস্থ মানৱ কুলৰ সহজলভ্য দেৱতা। বৈদিক আর্যসকলৰ বাবে অগ্নি বৰ প্রিয়দেৱতা। ঋগ্বেদৰ প্রায় দুশ সূক্তত ঋষিসকলে অগ্নিৰ স্তুতি কৰিছে। তেওঁ দেৱদূত, হব্য বাহন আৰু বহ্নি। ঋত্বিকসকলে দেৱতালৈ প্রজ্বলিত অগ্নিত যি আহুতি দান কৰে সেইবোৰ তেওঁ দেৱতাসকলৰ ওচৰলৈ কঢ়িয়াই নিয়ে। আৱশ্যক হ'লে অগ্নিয়ে দেৱতাসকলক যজমানৰ বা ভক্তজনৰ যজ্ঞানুষ্ঠানলৈ মাতি আনে। অগ্নি দেৱলোকত সূর্যৰূপে, অন্তৰীক্ষত বিদ্যুৎৰূপে আৰু মর্ত্যত অগ্নিৰূপে বিৰাজ কৰে।

বৰুণ ঃ মাত্র বাৰটা সূক্তত স্তুতি কৰিলেও ঋগ্বেদত বৰুণৰ এক বিশেষ স্থান আছে। দেৱতাসকলৰ মাজত তেওঁ সম্রাট। ঋগ্বেদত বৰুণক নৈতিকজগতৰ নিয়ম-শৃংখলাৰ প্রণেতাৰূপে বর্ণনা কৰা হৈছে। তেওঁ বিশ্বৰ ঋত অর্থাৎ নিয়ম শৃংখলা ৰক্ষা কৰে। তেওঁ ধৃতব্রত, সর্বজ্ঞ আৰু সর্বশক্তিমান। সূর্য তেওঁৰ চকু আৰু অনুচৰ। বৰুণৰ নিত্য সহচৰ মিত্র। দুয়োকে আদিত্য দেৱতাও বোলা হয়। তেওঁলোকে অপৰাধীক দণ্ড বিহে।

অশ্বিযুগল ঃ ঋগ্বেদৰ দেৱতাসকলৰ ভিতৰত ইন্দ্র, অগ্নি, সোম আৰু বৰুণৰ পাছতে অশ্বিদ্বয়ে মহত্বপূর্ণ স্থান লাভ কৰিছে। তেওঁলোক ঘোঁৰাৰূপী মাতৃৰ পুত্র। সৰন্যু তেওঁলোকৰ মাতৃ। অশ্বিযুগল দেৱবৈদ্য। তেওঁলোক পৰোপকাৰী। এহাতে তেওঁলোকে ঋষি দধীচিৰ পৰা মধুবিদ্যা লাভ কৰিছে, আনহাতে দুয়ো চ্যৱান মুনিক যৌৱন দান কৰিছে। তেওঁলোকৰ অন্য নাম দস্র আৰু নাসত্য। তেওঁলোকে বিপদগ্রস্ত ভুজ্যুক ৰক্ষা কৰে। তেনে কাহিনী অনেক আছে, য'ত তেওঁলোকৰ সুকৃতি কীর্তন কৰা হৈছে।

ৰুদ্র ঃ ঋগ্বেদৰ অন্তর্গত মাত্র তিনিটা সূক্তত যদিও ৰুদ্রক বৈদিক ঋষিসকলে স্তুতি কৰিছে, তাৰ মাজতে ৰুদ্রৰ মহত্ব প্রকাশ পাইছে। ৰুদ্র বজ্রৰ দ্যোতক। বজ্রপাত, বজ্রনির্মোঘ ৰুদ্রকৃত কর্ম। তেওঁ নিজেও ধুমুহাৰ দেৱতা আৰু পুত্র বুলি কথিত মৰুৎ সকলো বতাহ-বৰষুণ-ধুমুহাৰ কাৰক। ক্রোধপৰায়ণ ৰুদ্রক সকলোৱে ভয় কৰে। পিছলৈ অৱশ্যে ৰুদ্র হৈ পৰে শিব-শঙ্কৰ।

মৰুৎসকল ঃ ঋগ্বেদৰ ত্রয়স্ত্রিংশ সূক্তত মৰুৎসকলৰ স্তুতি পোৱা যায়। সম্ভৱতঃ অত্রিসকল তেওঁলোকৰ পৰম ভক্ত আছিল; সেয়ে অত্রিসকলে মৰুৎসকলৰ স্তুতিত মগ্ন হৈ পৰিছিল।

তেওঁলোক একেজন নহয়, তেওঁলোক ঊন পঞ্চাশগৰাকী। তেওঁলোকক প্ৰায়ে 'ৰুদ্ৰাস'ঃ ৰুদ্ৰসকল আৰু 'পৃশ্নিমাতৰঃ' পৃশ্নিনামে পখৰা গাইৰ সন্তান বুলি কোৱা হয়। তেওঁলোক ইন্দ্ৰৰ সহকাৰী দেৱতা। তেওঁলোকে সুন্দৰ বেশ ভূষাৰে সুশোভিত বুলি জনাজাত। ধুমুহা, বতাহ, বৰষুণ, মেঘ, বিজুলীৰে তেওঁলোকৰ সম্বন্ধ বৰ গাঢ়তৰ।

ঊষা ঃ দেৱীসকলৰ মাজত অধিক শ্ৰদ্ধেয়া ঊষা। প্ৰায় কুৰিটা সূক্তত তেওঁৰ সৌন্দৰ্যৰ প্ৰশংসা গাইছে বৈদিক ঋষিসকলে। তেওঁক যুৱতীৰূপে ঋষিয়ে অৰ্চনা কৰিছে। সবিতাৰ মাহাত্ম্যও ঋগ্বেদত প্ৰকাশ পাইছে। পূষাৰ মহিমায়ো ঋষিৰ মনত প্ৰেৰণা দান কৰিছে। বিষ্ণুদেৱতাও সূৰ্য আৰু ঋষিসকলৰ প্ৰেৰণাৰ স্থল আছিল। সুধন্বা আঙ্গিৰসৰ পুণ ঋভুসকলেও নিজ কৰ্মৰ দ্বাৰা প্ৰশংসাযোগ্য হৈছে। দেৱগুৰু বৃহস্পতিয়ে সততে নিজৰ অনুযায়ী আঙ্গিৰস সকলোৰে ইন্দ্ৰৰ কামত সহযোগ কৰিছে। সোমদেৱতাৰ ১১৪ টা স্তুতিৰে ওলাই পৰিছে জনপ্ৰিয়তা আৰ্যসকলৰ মাজত।

যাগযজ্ঞৰ বৰ্ণনা ঃ ঋগ্বেদৰ অধিকসংখ্যক সূক্তত দেৱ-দেৱীৰ বীৰত্ব আৰু অঙ্গসৌষ্ঠৱৰ বৰ্ণনা থাকিলেও অগ্নি, সোম, বিশ্বেদেৱাঃ, আপ্ৰী আদি সূক্তৰ মাজেৰে অগ্ন্যাধান, আহুতি অৰ্পন, সোমৰস নিষ্কাষণ আদি যজ্ঞ কৰ্মৰ অঙ্গবোৰৰ বিৱৰণ পোৱা যায়। প্ৰকৃততে যজ্ঞৰে সৈতে সুস্পষ্টকৈ জড়িত চাৰিটা সূক্ত সমষ্টি হৈছ ঃ (১) আপ্ৰীসূক্তবোৰ, (২) বিশ্বেদেৱাঃ সূক্তবোৰ, (৩) পৰুচ্ছেপ সূক্তবোৰ (ঋঃ ১/১৭-১৩৯) আৰু (৪) বালখিল্য সূক্ত গোট (ঋঃ ৮/৪৯-৫৯)। এই সূক্তবোৰ ধৰ্মীয় ভাৱেৰে পুষ্ট।

অন্যান্য সূক্তৰ ভিতৰতো যজ্ঞকৰ্মত ব্যৱহৃত গ্ৰাৱন, মূষল আদিৰ স্তুতিও দেখা যায়। নৱম মণ্ডলটো সোমৰ বৰ্ণনাৰে ভৰা। তদুপৰি বিৱাহ বা সূৰ্যা সূক্তত (১০/৮৫) সূৰ্যাৰ বিয়াৰ বিৱৰণ আৰু যম-পিতৃ সূক্তবোৰত (১০/১৩-১৮) মৃতকৰ সংস্কাৰ কাৰ্যৰ বিৱৰণ পোৱা যায়।

ইতিহাসৰ ছাপ ঃ দেৱদেৱীৰ স্তুতিৰ মাজত ঋগ্বেদত সেইকালৰ ইতিহাসৰ বতৰা পোৱা যায়। ইন্দ্ৰ-বৃত্ৰৰ যুদ্ধক পণ্ডিতসমাজে পুৰাকল্প (Mythological) বুলি এৰিলেও হৰিয়ূপীয়াৰ যুদ্ধ (৬/২৭), আৰু দাশৰাজ্ঞ যুদ্ধৰ (৭/১৮;৩৩) বৰ্ণনাক ঐতিহাসিক ঘটনা বুলি কৈছে। এই যুদ্ধবোৰত ভৰত বংশীয় ৰজাসকলৰ সপক্ষে ইন্দ্ৰই যুদ্ধত অৱতীৰ্ণ হোৱা বুলি কোৱা হৈছে।

তদুপৰি ঋগ্বেদৰ অ'ত ত'ত প্ৰকীৰ্ণ অৱস্থাত আছে দানস্তুতিবোৰ। ৰজা আৰু কোঁৱৰসকলে ব্ৰাহ্মণ পুৰোহিতসকলক সময়ে সময়ে দিয়া দানৰ এই স্তুতিবোৰকো ইতিহাসৰ খণ্ডচিত্ৰ বুলিব পাৰি।

আখ্যান বা সংবাদসূক্ত ঃ ঋগ্বেদৰ পাতত আছে প্ৰায় একুৰিমান তথাকথিত সংবাদসূক্ত। তাৰে কেইটামান বিখ্যাত আৰু জনপ্ৰিয়। ইন্দ্ৰ-মৰুৎ সংবাদ (১/১৬৫), অগস্ত্য আৰু লোপামুদ্ৰা (১/১৭৯), বিশ্বামিত্ৰ আৰু নদীদ্বয় (৩/৩৩), ইন্দ্ৰ, অদিতি আৰু ৰামদেৱ (৪/১৮), যম-যমী সংবাদ (১০/১০), অগ্নি আৰু বিশ্বেদেৱাসকল (১০/৫১-৫৩), পুৰূৰবা আৰু উৰ্বশী (১০/৯৫) আৰু সৰমা আৰু পনিসকল (১০/০০৮) অধিক জনাজাত। এইবোৰৰ প্ৰতিধ্বনি লৌকিক সাহিত্যতো শুনা যায়।

দার্শনিক তথ্য ঃ ঋগ্বেদৰ পাতত আছে সৃষ্টিমূলক আৰু দার্শনিক ভাবপুষ্ট বহুতো সূক্ত আৰু মন্ত্র। এনে ভাবপুষ্ট সূক্ত ঋগ্বেদৰ প্রাচীন অংশত তেনেই দুর্লভ। কিন্তু আপেক্ষিকভাবে অর্বাচীন প্রথম আৰু দশম মণ্ডলতহে এনে সূক্ত বেছিকৈ চকুত পৰে। দশম মণ্ডলৰ দ্বিসপ্ততিতম (১০/৭২) সূক্তটোত আদিত্য দেৱতাৰ ৰিৱর্তন ক্রমত উৎপত্তিৰ কথা কোৱা হৈছে। তাত দেখুৱা সৃষ্টিৰ ক্রম হৈছে এনেকুৱা ঃ অসৎ উত্তানপাৎ < সৎভূঃ < আশা ঃ < দক্ষ < অদিতি < আদিত্যসকল আৰু মার্তণ্ড।

দ্ব্যশীতিতম সূক্তটিয়ে আদিম যজ্ঞানুষ্ঠানৰ ফলত বিকসিত সৃষ্টিৰ কথা কৈছে। সুবিখ্যাত পুৰুষসূক্তত (১০/৯০) প্রথম পুৰুষৰ পৰা বিবর্তনক্রমে হোৱা সৃষ্টিৰ কথা উল্লেখ আছে। বহুবিখ্যাত হিৰণ্যগর্ভ সূক্ত (১০/১২১), দেৱীসূক্ত (১০/১২৫), নাসদীয় সূক্ত (১০/১২৯), অস্যবামীয় সূক্ত (১/১৬৪) আদিৰ মাজতো সৃষ্টি তত্ত্বৰ মূঢ়ার্থ সোমাই আছে। এই সূক্তবোৰত নিহিত তত্ত্বই পৰৱর্তী ভাৰতীয় দর্শনৰ আধাৰশিলা স্থাপন কৰিছে।

নীতি কথা ঃ ঋগ্বেদত দেৱ-দেৱীৰ স্তুতিৰ মাজতো নীতিগর্ভ কথা উদ্‌গম হোৱাটো লক্ষ্যণীয় কথা। কেৱল নীতিমূলক সূক্ত বিৰল। ঋ ৯/১১২; ১০/৭১ ; ১০/৩৪ ; আৰু ১০/১১৭ এই চাৰিটা সূক্তকে নীতিগর্ভ সূক্ত বোলা হৈছে। যদিও এই সূক্তকেইটাত সদুক্তি আছে তথাপি শেষৰ সূক্তটোহে প্রকৃত নীতিমূলক সূক্ত। ঋ ১০/৭১ সূক্তটোৰ মাজতো নীতি বাক্য দেখা যায়।

সাঁথৰ ঃ ব্রহ্মোদ্য বা সাথঁৰ ঋগ্বেদ আদি প্রাচীন সাহিত্যৰ এক বৈশিষ্ট। এই জাতীয় সাহিত্য জন বা লোক সাহিত্যৰ নিকটৱর্তী। যাগ-যজ্ঞৰ সৈতে জড়িত বিদ্বৎ পৰিষদত এনে সাহিত্যৰ চর্চা হৈছিল যেন লাগে। ঋগ্বেদৰ অস্যৱামীয় সূক্ত (১/১৬৪)টো তাৰ নিদর্শন। ঋ ৮/২৯ সূক্তটোও তেনে লক্ষণযুক্ত। তাত প্রশ্নকর্তাই দেৱতাজনৰ বৈশিষ্ট্য উল্লেখ কৰে এনেদৰে—

'ত্রীণি এক উৰুগায়ো বিচক্রমে য়ত্রা দেৱাসো মদন্তি।'

উত্তৰদাতাই কব লাগে যে দেৱতাজন 'বিষ্ণু'।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১১ঃ ঋগ্বেদৰ পাঠ দুটাৰ নাম কি?

.....

.....

প্রশ্ন নং ১২ঃ ঋগ্বেদৰ ব্রাহ্মণ দুখনৰ নাম কি?

.....

.....

প্রশ্ন নং ১৩ঃ ঋগ্বেদৰ আৰণ্যক দুখনৰ নাম কি?

.....

.....

প্ৰশ্ন নং ১৪ঃ ঋগ্বেদৰ উপনিষদ্ দুখনৰ নাম কি?

.....

.....

প্ৰশ্ন নং ১৫ঃ ঋগ্বেদত স্তুতি কৰা দেৱতা পাঁচজনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ১৬ঃ ঋগ্বেদত ৰুদ্ৰদেৱতাৰ স্তুতি কেইটা সূক্তত কৰা হৈছে?

.....

.....

প্ৰশ্ন নং ১৭ঃ মৰুৎসকল বুলি ক'লে কিমানজন দেৱতাক বুজায়?

.....

.....

প্ৰশ্ন নং ১৮ঃ অশ্বিদ্বয়ৰ অন্য দুটা নাম কি কি?

.....

.....

প্ৰশ্ন নং ১৯ঃ অশ্বিদ্বয়ৰ মাতৃৰ নাম কি?

.....

.....

প্ৰশ্ন নং ২০ঃ সংবাদ সূক্ত এটাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ২১ঃ এটা দাৰ্শনিক সূক্তৰ নাম লিখক।

.....

.....



৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- ঋগ্বেদ প্ৰাচীন ভাৰতীয় সাহিত্যৰ ভিতৰত প্ৰাচীনতম।
- ঋগ্বেদৰ বহুত শাখাৰ মাজত এতিয়া কেৱল শাকল শাখাটোহে বৰ্তি আছে।
- ঋগ্বেদৰ বিভাজন দুই প্ৰকাৰে হৈছে ঃ অষ্টক আৰু মণ্ডল বিভাজন। পিছৰটো বিভাগ মহত্বপূৰ্ণ।
- মণ্ডল বিভাজন মতে ঋগ্বেদ দহ মণ্ডলত বিভক্ত।

- দহটা মণ্ডলত মুঠতে ১০২৮টা সূক্ত আৰু ১০,৫৫২টা মন্ত্র আছে।
- ঋগ্বেদৰ ভিতৰত ২—৭ মণ্ডল কেইটাহে অধিক পুৰণি।
- প্রথম, অষ্টম, নৱম মণ্ডলবোৰ পাছত যুক্ত হৈচে। দশম মণ্ডলটো অধিক অর্বাচীন।
- ঋগ্বেদ সংহিতাত দুটা পাঠ দেখা যায়; সংহিতা পাঠ আৰু পদপাঠ।
- ঋগ্বেদত অনেক ঋষিয়ে অনেক দেৱতাক কৰা স্তুতিবোৰ পোৱা যায়।
- ঋগ্বেদত প্রশংসিত দেৱতাসকলৰ মাজত ইন্দ্র, অগ্নি, সোম, বৰুণ, ৰুদ্র, অশ্বিদ্বয়, মৰুৎসকল, বিষ্ণু, সূর্য, ঊষা প্রধান।
- ঋগ্বেদৰ পাতত ইতিহাসৰো বতৰা আছে। সংবাদসূক্ত, দার্শনিক সূক্ত, নীতি কথা, সাঁথৰ আদিও আছে।



৪.১১ অধিক জানিবলৈ

১) Winternitz (1927), *History of Indian Literature*, Vol, 1, Calcutta : University of Calcutta.

২) Keith, A. B. (1970), *Religion and Philosphy of the Vedas and Upanishads*. HOS, 31 & 32, 1925, (Reprints).

৩) Macdonell, A. A. (1963), *Vedic Mythology*, Delhi : Indological Book House.

৪) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৫) শর্মা, থানেশ্বৰ (২০০৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, অসম ৰিচার্চ এণ্ড গ্লবেল, ষ্টাডি চেণ্টাৰ, পুৰিণ গুদাম।

৬) শর্মা, থানেশ্বৰ (২০০৮-০৯), *ঋগ্বেদ (অসমীয়া অনুবাদ) প্রথম আৰু দ্বিতীয় খণ্ড*, পুৰণিগুদাম ঃ বৈদিক ৰিচার্চ এণ্ড গ্লবেল ষ্টাডি চেণ্টাৰ।



৪.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ঋচ্ (ঋচ্ + ক্লিপ্) শব্দই স্তুতি কৰা বুজায়।

২ নং প্রশ্নৰ উত্তৰঃ শাকল, বাষ্কল, আশ্বলায়ন, শাংখ্যায়ন, মাণ্ডুকায়ন।

৩ নং প্রশ্নৰ উত্তৰঃ শাকল শাখা

৪ নং প্রশ্নৰ উত্তৰঃ আঠটা

৫ নং প্রশ্নৰ উত্তৰঃ দহটা

৬ নং প্রশ্নৰ উত্তৰঃ ১০২৮ টা সূক্ত ১০,৫৫২ টা মন্ত্র আছে।

৭ নং প্রশ্নৰ উত্তৰঃ দ্বিতীয়ৰ পৰা সপ্তমলৈকে ৬ টা মণ্ডল

৮ নং প্রশ্নৰ উত্তৰঃ অষ্টম মণ্ডলক প্রগাথ আৰু নৱম মণ্ডলক 'পৱমান' বোলা হয়।

৯ নং প্রশ্নৰ উত্তৰঃ ১০২৮ টা।

১০ নং প্রশ্নৰ উত্তৰঃ দুয়োটা মণ্ডলত ১৯১ টাকৈ সূক্ত আছে।

১১ নং প্রশ্নৰ উত্তৰঃ সংহিতা পাঠ আৰু পদপাঠ।

১২ নং প্রশ্নৰ উত্তৰঃ ঐতৰেয় আৰু কৌষীতকী

১৩ নং প্রশ্নৰ উত্তৰঃ ঐতৰেয় আৰু কৌষীতকী

১৪ নং প্রশ্নৰ উত্তৰঃ ঐতৰেয় আৰু কৌষীতকী ব্রাহ্মণোপনিষদ।

১৫ নং প্রশ্নৰ উত্তৰঃ ইন্দ্র, অগ্নি, বায়ু, বৰুণ আৰু বিষ্ণু।

১৬ নং প্রশ্নৰ উত্তৰঃ তিনিটা

১৭ নং প্রশ্নৰ উত্তৰঃ ঊনপঞ্চাশজন

১৮ নং প্রশ্নৰ উত্তৰঃ দস্র আৰু নাসত্য।

১৯ নং প্রশ্নৰ উত্তৰঃ সৰণ্যূ।

২০ নং প্রশ্নৰ উত্তৰঃ পুৰূৰৱা-ঊৰ্বশী সংবাদ (ঋ ১০/৯৫)

২১ নং প্রশ্নৰ উত্তৰঃ হিৰণ্য গৰ্ভসূক্ত (ঋ ১০/১২১)।



৪.১৩ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ ভাৰতীয় সাহিত্যৰ প্রাচীনতম নিদর্শন কি?

প্রশ্ন ২ঃ ঋগ্বেদৰ প্রাথমিক বিভাগ দুটা কি কি?

প্রশ্ন ৩ঃ বিভাগ দুটাৰ কোনটোৰ মহত্ব অধিক?

প্রশ্ন ৪ঃ ঋগ্বেদৰ দহ মণ্ডলৰ কোন অংশ অধিক প্রাচীন?

প্রশ্ন ৫ঃ ঋগ্বেদৰ কোন অংশ আপেক্ষিকভাবে নবীন?

প্রশ্ন ৬ঃ পদপাঠৰ মহত্ব কি আৰু ক'ত?

প্রশ্ন ৭ঃ দেৱতাসকলৰ বিভাগ কি কি?

প্রশ্ন ৮ঃ অগ্নিক কিয় হব্যবাহন বা বহ্নি বোলে?

প্রশ্ন ৯ঃ ইন্দ্রক বজ্রীন্ কিয় বোলে?

প্রশ্ন ১০ঃ ইন্দ্রক মধৱা কিয় বোলে?

প্রশ্ন ১১ঃ বৰুণক কিয় ধৃতব্রত বোলে?

প্রশ্ন ১২ঃ মৰুৎসকলৰ পিতৃ-মাতৃ কোন?

প্রশ্ন ১৩ঃ আদিত্যসকলৰ মাতৃ কোন?

প্রশ্ন ১৪ঃ ব্রহ্মোদ্য মানে কি?

প্রশ্ন ১৫ঃ সংবাদ সূক্তৰ অর্থ কি?

(খ) চুটি প্রশ্ন

প্রশ্ন ১ঃ ঋক্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ লিখক।

প্রশ্ন ২ঃ ঋগ্বেদৰ সংহিতা পাঠ আৰু পদপাঠৰ বিষয়ে লিখক।

প্রশ্ন ১ঃ ঋগ্বেদ সংহিতাৰ বিভাজন সম্পর্কে চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন

প্রশ্ন ১ঃ ঋগ্বেদ সংহিতাৰ বিষয়বস্তু সম্পর্কে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ৫ ঃ যজুর্বেদৰ পৰিচয়

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ যজুস্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ

৫.৪ কৃষ্ণ আৰু শুক্লভেদে যুজর্বেদৰ শ্রেণীবিভাগ

৫.৫ যজুর্বেদৰ শাখা

৫.৬ কৃষ্ণ যজুর্বেদৰ পৰিচয়—

- ৫.৬.১ তৈত্তিৰীয় সংহিতা
- ৫.৬.২ কাঠক সংহিতা
- ৫.৬.৩ মৈত্রায়ণী সংহিতা

৫.৭ শুক্ল যজুর্বেদৰ পৰিচয়

- ৫.৭.১ বাজসনেয়ী মাধ্যন্দিন সংহিতা
- ৫.৭.২ বাজসনেয়ী কাণ্বসংহিতা

৫.৮ যজুর্বেদৰ সংহিতা, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ গ্রন্থ

৫.৯ যজুর্বেদৰ ভাষ্য আৰু ভাষ্যকাৰসকল

৫.১০ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৫.১১ অধিক জানিবলৈ

৫.১২ অগ্রগতিৰ খতিয়ান

৫.১৩ আর্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- চাৰিবেদৰ অন্তর্গত যজুর্বেদৰ বিষয়ে কিছু আভাস পাব
- কৃষ্ণ যজুর্বেদ আৰু শুক্ল যজুর্বেদৰ তাৎপর্য সম্বন্ধে জানিব পাৰিব
- যজুর্বেদৰ অন্তর্গত যাগ-যজ্ঞৰ বিষয়ে জানিব পাৰিব
- অধ্বর্যুৰ কর্তব্যৰ আভাস পাব
- যজুর্বেদৰ অন্তর্গত ব্রাহ্মণাদি গ্রন্থৰ আভাস পাব।

৫.২ পৰিচয়

আপুনি ইতিমধ্যে আগৰ অধ্যায়ত যজুর্বেদৰ সামান্য পৰিচয় পাই আহিছে যে ঋক্‌বেদ, সামবেদৰ লগতে যজুর্বেদো ত্রয়ীৰ অন্তর্গত। ঋক্‌বেদ আৰু সামবেদৰ তুলনাত যজুর্বেদ অর্বাচীন। তথাপিও ঋক্‌বেদৰ পুৰুষসূক্ত (১০/৯০) চাৰিওখন বেদৰ নামোল্লেখ নাৰায়ণ ঋষিয়ে এনেদৰে কৰিছে—

তস্মাদ্ য়জ্ঞাৎ সর্ব্বহুত ঋচ ঃ সামানি জজ্ঞিৰে।

ছন্দাংসি জজ্ঞিৰে তস্মাদ্ য়জুস্তস্মাদজায়ত।। ১০/৯০/৯

যাগ-যজ্ঞৰ ফালৰ পৰা চাবলৈ গ'লে এই বেদৰ গুৰুত্ব সর্বাধিক যেন লাগে। ইয়াৰ সৈতে সংশ্লিষ্ট অধ্বর্যু নামৰ পুৰোহিতৰ নামানুসৰি ইয়াক আধ্বর্যৱ আৰু কর্মবেদো বোলা হয়। এই বেদত অন্যান্য শ্রৌতযাগৰ লগতে অগ্ন্যাধান, অগ্নিচয়ন, পিণ্ডপিতৃ-যজ্ঞ আদি যজ্ঞ আৰু যজ্ঞীয় কর্মবোৰৰ বিষয়ে বহল বিৱৰণ পোৱা যায়।

কৃষ্ণ যজুর্বেদতেই প্রাচীন ভাৰতীয় গদ্য সাহিত্যৰ নমুনা পোনতে পোৱা যায়। তাৰ পাছত ব্রাহ্মণ সাহিত্যবোৰত ইয়াৰ পৰাকাষ্ঠা দেখা যায়।

শুক্ল যজুর্বেদতকৈ কৃষ্ণ যজুর্বেদ অধিক পুৰণি। ভাৱ-ভাষা আৰু বিষয়বস্তু আদি সকলো ফালৰ পৰা বিবেচনা কৰিলে এই তত্ত্ব প্রমাণিত হয়। এই অধ্যায়ত আপুনি যজুর্বেদৰ অর্থ, শাখা বিভাগ তথা সংহিতা, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ গ্রন্থৰ বিষয়ে জানিব পাৰিব।

৫.৩ যজুস্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ

যাজনার্থক যজ্ ধাতুৰপৰা যজুস্ শব্দ নিষ্পন্ন হৈছে। যজুঃ মন্ত্রৰ দ্বাৰা যজ্ঞৰ দেৱ-দেৱীৰ উদ্দেশ্য আহুতি প্রদানাদি সকলো কর্ম সম্পন্ন কৰা হয়। বায়ু পুৰাণৰ এঠাইত কোৱা হৈছে যে যজ্ঞৰ সৈতে নিবিড় সম্পর্ক আছে কাৰণেই এই সংহিতাক যজুঃসংহিতা বোলা হয়।

য়চ্ছিষ্টঞ্চ য়জুর্ব্বেদে তেন য়জ্ঞময়ুজ্ঞত।

য়াজনাদ্ধি য়জুর্ব্বেদ ইতি শাস্ত্রস্য নির্ণয়ঃ।

জৈমিনিয়ে পূর্ব মীমাংসাত দিয়া লক্ষণ অনুসৰি ত্রয়ীৰ ব্যাখ্যা এনেকুৱা ঃ 'য়ত্রার্থেৱশেন পাদব্যৱস্থা, সা ঋক্', 'গীতিষু সামাখ্যা', 'শেষে যজুঃশব্দঃ'। গতিকে জৈমিনিৰ মতে 'ছন্দোবদ্ধ মন্ত্রবোৰ ঋক্', ছন্দোবদ্ধ গীতবোৰ সাম আৰু যিবোৰ ছন্দোবদ্ধও নহয়, গীতো নহয় সেইবোৰ যজুস্ শব্দ বাচ্য। অর্থাৎ গদ্যাত্মক মন্ত্রবোৰ যজুস্ মন্ত্র। সামবেদৰ ওপৰত ঋক্ মন্ত্রৰ প্রভাৱ অসীম। কাৰণ ৭৫ টা মন্ত্রৰ বাহিৰে বাকী সকলো মন্ত্র (প্রায় ১৮০০) ঋক্‌ৰ পুনৰাবৃত্তি। যজুস্ সংহিতাত কিছু ঋক্ মন্ত্র নোহোৱা নহয়; কিন্তু বেচিভাগ মন্ত্র মৌলিক। যজ্ঞত হোতা নামে ঋত্বিকে ঋঙ্ মন্ত্র মাতি দেৱতাসকলক যজ্ঞলৈ আৱাহন কৰে। উদ্‌গাতা নামে ঋত্বিকে সামগান গায় যজ্ঞত দেৱতাৰ প্রীতিৰ কাৰণে। যজুর্মন্ত্রৰ দ্বাৰা হোতাই মাতি অনা আৰু উদ্‌গাতাই গানেৰে প্রসন্ন কৰা দেৱতাৰ উদ্দেশ্যে অধ্বর্যুৰে হব্য দ্রব্যবোৰ আহুতি দিয়ে অগ্নিত। অকল সেয়ে নহয়, যজুর্বেদতে যজ্ঞৰ

সকলো প্ৰক্ৰিয়াৰ বিৱৰণ বিস্তৃতভাবে পোৱা যায়। বিশেষতঃ শ্ৰৌত যাগ-যজ্ঞবোৰৰ বাবে যজুর্বেদৰ অধ্যয়ন নিতান্ত অপৰিহাৰ্য।

যজুর্বেদীয় পুৰোহিতজনক অধ্বৰ্যু বোলা হয়। অধ্বৰ শব্দৰ অৰ্থ যজ্ঞ।

অধ্বৰং যুনক্তি সঃ অধ্বৰ্যুঃ। অৰ্থাৎ যজ্ঞৰ প্ৰক্ৰিয়া যুক্ত কৰে কাৰণে এই বেদৰ আচাৰ্যক অধ্বৰ্যু বোলা হয়। সেয়েহে এই বেদৰ নামো 'আধ্বৰ্যৰ' হৈছে।

৫.৪ কৃষ্ণ আৰু শুক্লভেদে যজুর্বেদৰ শ্ৰেণীবিভাগ

ওপৰত কৈ অহা হৈছে যে যজুর্বেদ দ্বিধা বিভক্ত। পুৰণি ভাগক কৃষ্ণযজুর্বেদ আৰু অৰ্বাচীন ভাগক শুক্ল যজুর্বেদ বোলা হয়। পুৰাণবিলাকত যজুর্বেদৰ কৃষ্ণ আৰু শুক্ল এই দুই বিভাগক লৈ মুখৰোচক আখ্যানৰ অৱতাৰণা কৰা হৈছে। তথাকথিত আখ্যানটো এনেকুৱা—

মহৰ্ষি কৃষ্ণদ্বৈপায়ন ঋষিয়ে অখণ্ডবেদক চাৰিভাগত সংকলন কৰি তেওঁৰ প্ৰধান শিষ্য পৈল, জৈমিনি, বৈশম্পায়ন আৰু সুমন্তক সেই বেদৰ একোখণ্ডৰ ধাৰক নিৰ্বাচন কৰে। ঋষিবৰে পৈলক ঋক্ বেদৰ ধাৰক নিৰ্বাচিত কৰে। সেইদৰে জৈমিনিক সামবেদৰ ধাৰক, বৈশম্পায়নক যজুর্বেদৰ ধাৰক আৰু সুমন্তক অথর্ববেদৰ ধাৰক নিযুক্ত কৰে। মহৰ্ষি বৈশম্পায়নে যজুঃসংহিতাৰ প্ৰসাৰন কৰিবৰ কাৰণে যাজ্ঞবল্ক্য প্ৰভৃতি শিষ্যসকলক যজুর্বেদৰ সম্যক জ্ঞান দান কৰে। সেই সময়ত মেৰু পৰ্বতৰ শৃঙ্গত ঋষিসকলৰ একোখন সম্মেলন হৈছিল। তাত ঋষিসকলে ভাগ লোৱাটো বাধ্যতামূলক আছিল। তাত ঋষিসকলে তেওঁলোকৰ আয়ত্তাধীন বিদ্যাৰ ওপৰত আলোচনা কৰিছিল। যিগৰাকী ঋষিয়ে উক্ত সম্মেলনত ভাগ লোৱাত ব্যৰ্থ হৈছিল, তেওঁৰ ব্ৰহ্মহত্যাৰ সমান পাপ হয় বুলি কোৱা হৈছিল। এবাৰ বৈশম্পায়নে তেনে সভাত ভাগ ল'ব নোৱাৰাৰ বাবে তেওঁৰো ব্ৰহ্ম হত্যাৰ সমান পাপ হোৱাৰ আশংকা হয়। তেতিয়া তেওঁ ছাত্ৰসকলক সুধিলে, কোনে তেনে পাপৰ পৰা গুৰুক মুক্ত কৰিবলৈ সক্ষম হ'ব? শিষ্যসকলে গুৰুক আসন্ন পাপৰ পৰা উদ্ধাৰ কৰিবলৈ ইচ্ছুক হ'ল। তেতিয়া যাজ্ঞৱল্ক্যই গুৰু বৈশম্পায়নক ক'লে, 'গুৰুদেব। আপোনাৰ এই হীনবীৰ্য শিষ্যসকলৰ কোনেও আপোনাক পাপমুক্ত কৰিবলৈ সক্ষম নহয়। আপুনি সম্মতি দিলে মই অকলে তপস্যা কৰি আপোনাক আসন্ন পাপৰ পৰা উদ্ধাৰ কৰিব পাৰিম।' বৈশম্পায়নে যাজ্ঞবল্ক্যৰ আত্মশ্লাঘাপূৰ্ণ কথা শুনি বৰ বিৰক্ত হ'ল। তেওঁ ক্ৰোধৰ বশৱৰ্তী হৈ ক'লে, 'যাজ্ঞৱল্ক্য ! তোমাৰ দৰে অহংকাৰী আৰু সহপাঠীৰ বৈগুণ্য প্ৰকাশ কৰা শিষ্যৰ মোৰ প্ৰয়োজন নাই। তুমি এই মুহূৰ্ত্তে মোৰ ওচৰত অধীত বিদ্যা ঘূৰাই দিয়া আৰু ইয়াৰ পৰা আঁতৰি যোৱা।' কিন্তু যাজ্ঞৱল্ক্য আছিল গুৰুভক্ত শিষ্য। তেওঁ গুৰুৰ আদেশ অমান্য কৰিব নোৱাৰিলে। তেতিয়া তেওঁ গুৰুৰ পৰা গৃহীত সকলো বেদবিদ্যা বমি কৰি উলিয়াই দিলে। বৈশম্পায়নে আন শিষ্যসকলক সেই বান্ত বিদ্যাবোৰ গ্ৰহণ কৰিবলৈ আদেশ দিলে। কিন্তু মানুহ হৈ আন এজনৰ বমি কৰা বস্তু গ্ৰহণ কৰিবলৈ যোৱা অনুচিত হৈ বুজি পাই শিষ্যসকলে তিত্তিৰি চৰাইৰ ৰূপ লৈ সেই বান্ত বিদ্যাবোৰ গ্ৰহণ কৰিলে। আন শিষ্যসকলে গ্ৰহণ কৰা সেই বেদ বিদ্যা তেতিয়াৰে পৰা তৈত্তিৰীয় সংহিতা বুলি পৰিগণিত হ'ল। দূষিত বস্তুৰূপ সেই সংহিতা কৃষ্ণ যজুর্বেদ বুলিও জনাজাত হ'ল।

শুক্ল যজুর্বেদৰ উদ্ভৱ ঃ যাজ্ঞৱল্ক্য ঋষিয়ে গুৰুকুলৰ পৰা বহিষ্কৃত আৰু বেদবিহীন হৈ দুশ্চিন্তাত পৰিল। তেওঁৰ মনত ভাৱ হ'ল যে ধর্ম আৰু ব্রহ্মবিদ্যাৰ আধাৰ চাৰিবেদ। 'বেদবিহীন-বিদ্যাহীন ব্রাহ্মণজন ব্রাহ্মণৰ কুলত জন্মিত অব্রাহ্মণ। এইদৰে মন মাৰি থাকোঁতে হঠাতে তেওঁৰ মনত পৰিল যে জ্যোতিষ্মান সূর্য্যদেৱ পুৱাবেলা ঋগ্বেদৰ মন্ত্রবোৰেৰে অলংকৃত হৈ আকাশত উদিত হয়। মধ্যাহ্ন কালত তেওঁ যজুর্মন্ত্রেৰে বিৰাজ কৰে আৰু সন্ধিয়া সামবেদেৰে প্রপূজিত হয়। তেওঁ কেতিয়াও বেদৰহিত অৱস্থাত নাথাকে। গতিকে তেওঁ সূর্য দেৱতাৰ ওচৰত বেদবিদ্যা গ্রহণ কৰিবলৈ সঙ্কল্প কৰিলে। তেওঁ সূর্যৰ উপাসনা কৰিবলৈ ধৰিলে। সূর্যদেৱ যাজ্ঞৱল্ক্যৰ স্তুতিত সন্তুষ্ট হ'ল। ব্রাহ্মণৰ ৱেশ ধাৰণ কৰি সূর্য দেৱতাই যাজ্ঞৱল্ক্যক যি বেদ শিকালে সেয়াই শুক্ল যজুর্বেদ নাম পালে। তাৰ আন নাম বাজসনেয়ী সংহিতা। 'বাজ'ৰ অর্থ সূর্যৰ কিৰণ আৰু 'সনি'ৰ অর্থ হ'ল ধন-ঐশ্বর্য্য। গতিকে সূর্য্যৰ কিৰণৰ পৰা লব্ধ ধনৈশ্বর্য্য ৰূপ বেদে 'বাজসনেয়ী' নাম পালে। ই বিশুদ্ধ বেদ, সেয়ে শুক্ল যজুর্বেদ নামে এই বেদ প্রসিদ্ধ হ'ল। আনহাতে সেইসময়ত যাজ্ঞৱল্ক্য আছিল প্রচুৰ গো-ধনৰ গৰাকী। সেয়ে তেওঁ আছিল বাজসন নামে প্রসিদ্ধ। তেওঁ দর্শন কৰা বেদৰ নাম সেয়েহে বাজসনেয়ী সংহিতা হ'ল।

কৃষ্ণ আৰু শুক্ল পদৰ তাৎপর্য ঃ কৃষ্ণ যজুর্বেদৰ সংহিতাবোৰৰ ভিতৰত তৈত্তিৰীয় সংহিতা প্রধান। এই বেদৰ মন্ত্রভাগৰ লগত গদ্যাত্মক ব্রাহ্মণ বাক্যবোৰ সানমিহলি হৈ আছে। এনেদৰে মন্ত্রভাগৰ লগত ব্রাহ্মণভাগ মিশ্রিত হৈ থকাৰ বাবে এই বেদৰ নাম কৃষ্ণ যজুর্বেদ হৈছে। কৃষ্ণ শব্দৰ অন্যতম অর্থ মিশ্রিত। আনহাতে যাজ্ঞৱল্ক্য দৃষ্ট বাজসনেয়ী সংহিতা কেৱল মন্ত্রৰ সংকলন। শুদ্ধ মন্ত্রৰ সংগ্রহ বুলি ইয়াক শুক্ল যজুর্বেদ বোলা হয়। কৃষ্ণ যজুর্বেদক ব্রহ্মসম্প্রদায় আৰু শুক্ল যজুর্বেদক আদিত্য সম্প্রদায় বোলা হয়। ওপৰৰ আখ্যানবোৰে প্রমাণ কৰে যে যজুর্বেদৰ তুলনাত কৃষ্ণ যজুর্বেদ অধিক প্রাচীন।

৫.৫ যজুর্বেদৰ শাখা

শৌনকৰ চৰণব্যূহৰ মতে কৃষ্ণ যজুর্বেদৰ শাখা আছিল সাতাইশটা। তাৰ ভিতৰত চৰক শাখাৰ ভেদ বাৰ প্রকাৰ। চৰক, আহ্ৱৰক, কঠ, প্রাচ্য কঠ, কপিষ্ঠল কঠ, চাৰায়নীয়, বার্ত্তন্তৱীয়, শ্বেতাশ্বতৰ, ঔপমন্যৱ, পাতাণ্ডনীয়, ঐন্দিনেয় আৰু মৈত্রায়নীয়। মৈত্রায়নীৰ উপ শাখা হ'ল মানৱ, দুন্দুভ, হাৰিদ্রৱীয়, বাৰাহ, ছাগলেয় আৰু শ্যামায়নীয়। এতিয়া এই শাখাবোৰৰ মাজত কঠ, কপিষ্ঠলকঠ আৰু মৈত্রায়নীয় শাখাৰ সংহিতা গ্রন্থ পোৱা যায়। তৈত্তিৰীয় শাখাৰ ঔখ্য আৰু খাণ্ডিকীয় নামে দুই শাখা আছিল। খাণ্ডিকীয়ৰ শাখা পাঁচখন ঃ আপস্তম্বী, বৌধায়নী, সত্যাষাঢ়ী, হিৰণ্যকেশী আৰু ঔধেয়ী। ইয়াৰে প্রথম চাৰি শাখাৰ কল্পসূত্রবোৰ পোৱা যায়। খাণ্ডিকীয়ৰ আৰু তিনিখন শাখাৰ নাম পোৱা যায় ঃ কালেয়, শাট্যায়নী আৰু ভাৰদ্বাজী। শাট্যায়ন ব্রাহ্মণৰ উল্লেখ অন্যত্র পোৱা যায়। ভাৰদ্বাজীৰ কল্পসূত্র পোৱা যায়।

শুক্ল যজুর্বেদৰ শাখা পোন্ধৰটাৰ নাম পোৱা যায় ঃ কাণ্ব, মাধ্যন্দিন, শাফেয়, তাপায়নীয়,

কলাপ, পৌণ্ড্রবৎস, অৰটিক পৰমাৰটিক, পাৰাশর্য, বৈধেয়, বৈর্নেয়, ঔধেয়, গালৱ, বৈজৰ আৰু কাত্যায়নীয়। সম্প্রতি এই শাখা সমূহৰ ভিতৰত কাণ্ব আৰু মাধ্যন্দিন শাখাহে প্রসিদ্ধ।

একালত পাঞ্জাৰ আৰু কাশ্মীৰত কঠ আৰু কপিষ্ঠলৰ প্রচলন আছিল। কঠ শাখাৰ প্রচলন কাশ্মীৰত এতিয়াও আছে। কলাপ শাখা বিন্ধ্য পর্বতৰ দক্ষিণত মহাৰাষ্ট্রত প্রচলিত আছিল। আপস্তম্বী আৰু হিৰণ্যকেশী প্রশাখা সহ তৈত্তিৰীয়ৰ প্রচলন দাক্ষিণাত্যত প্রচলিত আছে বুলি জনা যায়।

শুক্ল যজুর্বেদৰ মাধ্যন্দিন শাখা অঙ্গ, বঙ্গ, কান্যকুব্জ আৰু গুজৰাটত প্রচলিত আছিল একালত। অসমত সম্প্রতি শুক্ল যজুর্বেদীয় কাণ্ব শাখীয় ব্রাহ্মণৰ সংখ্যাই অধিক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ যজুর্বেদৰ বিভাগ দুটা কি কি?

.....

.....

প্রশ্ন নং ২ঃ যজুস্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ কি কি?

.....

.....

প্রশ্ন নং ৩ঃ যজুর্বেদৰ প্রথম ধাৰক কোন?

.....

.....

প্রশ্ন নং ৪ঃ যজুর্বেদৰ কৃষ্ণ আৰু শুক্ল ভেদ নির্ণয়ৰ কাৰণ কি?

.....

.....

প্রশ্ন নং ৫ঃ কৃষ্ণযজুর্বেদ আৰু শুক্লযজুর্বেদৰ দুখনকৈ শাখাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৬ঃ বাজসনেয়ী পদটোৰ অথ কি?

.....

.....

৫.৬ কৃষ্ণ যজুর্বেদৰ পৰিচয়

কৃষ্ণ যজুর্বেদৰ সাতাইশটা শাখাৰ ভিতৰত এতিয়া মাত্র তিনি-চাৰটা শাখাহে পোৱা যায়। তাৰে তৈত্তিৰীয় শাখাৰ সংহিতা, ব্রাহ্মণ, আৰণ্যক, উপনিষদ্ আৰু কল্পসূত্রবোৰ অক্ষত ৰূপত পোৱা গৈছে। আন কোনো বেদৰে তেনেকৈ সকলো গ্রন্থ উপলব্ধ হোৱা নাই। ভট্টভাস্কৰ আৰু

সায়নৰ ভাষ্যৰ সৈতে তৈত্তিৰীয় শাখাৰ সম্পূৰ্ণ সংহিতা গ্ৰন্থবোৰ পোৱা যায়। তৈত্তিৰীয় সংহিতাত সাতটা কাণ্ড, চৌচল্লিশটা প্ৰপাঠক, ছয়শ চৌচল্লিশ অনুবাদ, আৰু দুহেজাৰ এশ চৌৰাশীটা কণ্ডিকা আছে। সাধাৰণতে একোটা কণ্ডিকাত পঞ্চাশটা শব্দ থাকে। শৌনকে তেওঁৰ চৰণব্যুহ গ্ৰন্থত কৈছে —

'কাণ্ডাস্ত সপ্তৱিজ্ঞেয়াঃ প্ৰশ্নাশ্চাধিক্যকাশ্চতু ঃ।
চত্বাৰিংশণ্ডু ৱিজ্ঞেয়া অনুৱাকা ঃ শতানি ষট্।।
এক পঞ্চাশদধিকা ঃ সংখ্যাঃ পঞ্চাশদুচ্যতে।'

একেদৰে সমস্ত যজুর্বেদত সন্নিৱিষ্ট হৈছে এহেজাৰ নশ ঋগ্বেদৰ মন্ত্ৰ, বাকীবোৰ যজুর্মন্ত্ৰ। সেই মন্ত্ৰবোৰৰ পদৰ সংখ্যা একলাখ বিৰান্নবৈ হাজাৰ নব্বৈ (১৯২০৯০) আৰু আখৰৰ সংখ্যা দুই লাখ তেৰান্ন হাজাৰ আঠশ আঠষষ্টি (২,৫৩,৮৬৮)। বাক্যৰ সংখ্যা ঊনৈশ হাজাৰ চাৰিশ অষ্টাশী (১৯৪৮৮)। চৰণব্যুহ গ্ৰন্থত এইদৰে বৰ্ণনা কৰাৰ পাছত এই বেদত প্ৰক্ষেপ থকাৰ কোনো সম্ভাৱনা নাই।

৫.৬.১ তৈত্তিৰীয় সংহিতা

তৈত্তিৰীয় সংহিতাত প্ৰথমতে দৰ্শপৌৰ্ণমাস নামে ইষ্টিৰ বিৱৰণ পোৱা যায়। দৰ্শপৌৰ্ণমাসৰ অৰ্থ অমাৱস্যা আৰু পূৰ্ণিমা। 'দৰ্শঃ সূৰ্যেন্দুসঙ্গমঃ অৰ্থাৎ সূৰ্য আৰু চন্দ্ৰৰ সঙ্গমেই দৰ্শ বা অমাৱস্যা। পৌৰ্ণমাসী পূৰ্ণিমাৰ আন নাম। ইষ্টি নামে যজ্ঞৰ কাল অমাৱস্যা বা পূৰ্ণিমা। এই যজ্ঞ আধ্বৰ্যৱ মন্ত্ৰ, যাজমান মন্ত্ৰ আৰু হৌত্ৰমন্ত্ৰ— এই তিনি প্ৰকাৰ মন্ত্ৰেৰে সম্পন্ন কৰা হয়। এই তিনি প্ৰকাৰৰ মন্ত্ৰ ক্ৰমে অধ্বৰ্যু, যজমান আৰু হোতাই ইষ্টিয়াগত উচ্চাৰণ কৰে। এই সংহিতাৰ প্ৰতিপাদ্য বিষয়বোৰ 'কাণ্ডানুক্ৰমণিকা' নামে পুথিত চমুকৈ বৰ্ণনা কৰা হৈছে। উদ্দেশ্য অনুসৰি দেৱতাসকলৰ নামানুসাৰে উক্ত গ্ৰন্থত কাণ্ডবিলাক ভাগ কৰা হছে। বিবিধ কৰ্মৰ চৌচাল্লিশ প্ৰকাৰ কাণ্ডৰ নাম কোৱা হৈছে। তাৰ মাজত প্ৰজাপতি দেৱতাৰ নটা কাণ্ড, সোম দেৱতাৰ নটা কাণ্ড, অগ্নি দেৱতাৰ সাতটা কাণ্ড, বিশ্বেদেৱাঃসকলৰ ষোল্লটা কাণ্ড, ইয়াৰ পাছত শংনো মিত্ৰ ঃ শংৱৰুণঃ ইত্যাদি সাংহিতা উপনিষদ নামে ঋষি কাণ্ড, অন্তস্য পাৰে' ইত্যাদি 'যাজ্ঞিকী উপনিষদ্ নামে যাজ্ঞিক কাণ্ড আৰু 'ওঁ সহ নাৱৱতু সহনৌভুনক্তু' ইত্যাদি বাৰুণী উপনিষদ নামে বাৰুণ কাণ্ড সংগৃহীত হৈছে। এয়া মুঠতে চৌচল্লিশটা কাণ্ড।

৫.৬.২ কাঠক সংহিতা

কৃষ্ণ যজুর্বেদৰ অন্তৰ্গত অন্যতম সংহিতা কাঠক সংহিতা। ইয়াত আছে পাঁচ কাণ্ড ঃ ইঠিমিকা, মধ্যমিকা, ওৰীমিকা যাজ্যানুৱাক্য আৰু অশ্বমেধাদি অনুবচন কাণ্ড। কাণ্ডবোৰ 'স্থানক' নামৰ উপবিভাগত বিভক্ত। এই সংহিতাত মুঠতে চল্লিশটা স্থানক তেৰটা অনুবচন, আঠশ তিৰাল্লিশটা অনুবাক আছে।

প্ৰথম কাণ্ডৰ ওঠৰটা স্থানকত পশুবন্ধ, বাজপেয়, ৰাজসূয় প্ৰভৃতি যজ্ঞৰ বৰ্ণনা পোৱা যায়। দ্বিতীয় কাণ্ডৰ বাৰটা স্থানকত সাবিত্ৰী, পঞ্চচূড়, ল্বৰ্গ, দীক্ষিত, আয়ুষ্য আদিৰ আলোচনা পোৱা যায়। তৃতীয় কাণ্ডৰ দহটা স্থানকত পুৰোডাশ ব্ৰাহ্মণ, যজমান, সত্ৰ, প্ৰায়শ্চিত্ত, চাতুৰ্মাস্য, সৰ, সৌত্ৰামণী আদিৰ বিৱৰণ পোৱা যায়। চতুৰ্থ কাণ্ডতো এইবোৰ বিষয়ৰ পুনৰুক্তি ঘটিছে। পঞ্চম কাণ্ডত দৰ্শপৌৰ্ণমাস, অগ্নিষ্টোম, অগ্নিহোত্ৰ, আধান আদি যাগৰ বৰ্ণনা সন্নিৱিষ্ট হৈছে।

৫.৬.৩ মৈত্ৰায়ণী সংহিতা

মৈত্ৰায়ণী নামে কৃষ্ণ যজুৰ্বেদৰ অন্যতম শাখা বৰ্তমান। এই গ্ৰন্থত গদ্য-পদ্য মিশ্ৰিত, অৰ্থাৎ মন্ত্ৰ আৰু ব্ৰাহ্মণ মিহলি হৈ আছে। এই সংহিতা চাৰি কাণ্ডাত্মক। আদিম নামে প্ৰথম কাণ্ডত আছে এঘাৰটা প্ৰপাঠক। তাত দৰ্শপৌৰ্ণমাস, অধ্বৰ, আধান, পুনৰাধান, চাতুৰ্মাস্য আৰু বাজপেয়ৰ বিৱৰণ আছে। মধ্যম নামে দ্বিতীয় কাণ্ডত আছে তেৰটা প্ৰপাঠক। তাত কাম্য ইষ্টি, ৰাজসূয় আৰু অগ্নিচিতিৰ বৰ্ণনা কৰা হৈছে। উপৰি নামে তৃতীয় কাণ্ডত অগ্নিচিতি, অধ্বৰ বিধি, সৌত্ৰামনী আৰু অশ্বমেধৰ বৰ্ণনা আছে। চতুৰ্থটো খিল কাণ্ড। ইয়াত ৰাজসূয় যজ্ঞৰ সামগ্ৰী সংগ্ৰহৰ বৰ্ণনা আছে। ইয়াত মুঠতে ২১৪৪ টা মন্ত্ৰ আছে আৰু তাৰে ১৭০১ টা মন্ত্ৰ ঋগ্বেদৰ পৰা অনা।
ইয়াৰ উপৰিও কপিষ্ঠলকঠ নামেও অন্যতম যজুঃসংহিতা এখন আছে।

৫.৭ শুক্লযজুৰ্বেদৰ পৰিচয়

এতিয়া আপুনি যজুৰ্বেদৰ অন্য এটা ভাগ শুক্ল যজুৰ্বেদৰ বিষয়ে জানিব পাৰিব। ইয়াৰ দুটা ভাগ আছে। এটাৰ নাম-বাজসনেয়ী মাধ্যন্দিন সংহিতা আৰু আনটোৰ নাম কাণ্ব সংহিতা। তলত আপুনি এই দুইবিধ সংহিতাৰ চমু পৰিচয় পাব।

৫.৭.১ বাজসনেয়ী মাধ্যন্দিন সংহিতা

শুক্ল যজুৰ্বেদকে বাজসনেয়ী সংহিতা বোলা হয়। ইয়াৰ দুই শাখা। যথাক্ৰমে কাণ্ব আৰু মাধ্যন্দিন। মাধ্যন্দিন সংহিতা চল্লিশটা অধ্যায়ত বিভক্ত। শেষৰ পোন্ধৰটা অধ্যায় পিছৰ কালৰ ৰচনা। প্ৰত্যেক অধ্যায় কিছুসংখ্যক অনুবাক আৰু প্ৰত্যেক অনুবাক কিছু সংখ্যক কণ্ডিকাত বিভক্ত। চল্লিশটা অধ্যায়ত তিনিশ তিনিটা অনুবাক আৰু এহেজাৰ নশ পোন্ধৰটা কণ্ডিকা আছে।

প্ৰথম অধ্যায়ত দৰ্শপৌৰ্ণমাসেষ্টি যাগৰ বৰ্ণনা আছে। দ্বিতীয় অধ্যায়ত পিণ্ড পিতৃ যজ্ঞৰ বিৱৰণ আছে। তৃতীয় অধ্যায়ত অগ্ন্যাধান, অগ্নিহোত্ৰ আৰু চাতুৰ্মাস্য যাগৰ বৰ্ণনা আছে। চতুৰ্থৰ পৰা অষ্টম অধ্যায়লৈ সোমযাগৰ প্ৰকৃতি অগ্নিষ্টোমৰ বিৱৰণ

আছে। নৱম আৰু দশম অধ্যায়ত ৰাজপেয় আৰু ৰাজসূয়ৰ বর্ণনা আছে। সৌত্রামণী যাগৰো বর্ণনা দশম অধ্যায়ত পোৱা যায়। একাদশৰ পৰা অষ্টাদশ অধ্যায়লৈ অগ্নিচয়নবিধিৰ সম্যক বর্ণনা আছে। মাজৰ ষোড়শ অধ্যায়টো ৰুদ্রাধ্যায় বুলি জনাজাত। তাত ৰুদ্রৰ মাহাত্ম্য কথিত হৈছে। ঊনবিংশ অধ্যায়ৰ পৰা পঞ্চবিংশ অধ্যায়লৈ সৌত্রামণী যাগ আৰু অশ্বমেধ যজ্ঞৰ বর্ণনা সন্নিৱিষ্ট হৈছে। ষড়্বিংশ অধ্যায়ৰ পৰা ঊনবিংশ অধ্যায়লৈ পূর্ব নির্দিষ্ট যজ্ঞানুষ্ঠানৰ অতিৰিক্ত মন্ত্রবোৰ সন্নিৱিষ্ট হৈছে। ত্রিংশ অধ্যায়ত পুৰুষমেধ যজ্ঞৰ মন্ত্র আছে। একত্রিংশ অধ্যায়ত আছে পুৰুষসূক্ত, য'ত ঋগ্বেদৰ তুলনাত চাৰিটা অধিক মন্ত্র আছে। দ্বাত্রিংশ আৰু ত্রয়স্ত্রিংশ অধ্যায়ত সর্বমেধ যজ্ঞৰ মন্ত্র আছে। চতুস্ত্রিংশ অধ্যায়ত শিৱ সংকল্প মন্ত্র সন্নিৱিষ্ট হৈছে। পঞ্চত্রিংশ অধ্যায়ত পিতৃমেধৰ মন্ত্রবোৰ পোৱা যায়। ষটত্রিংশ আৰু ঊনচত্বাৰিংশ অধ্যায়ত প্রৱর্গ্যযাগৰ বিতং বিৱৰণ আছে। চত্বাৰিংশ অধ্যায়টোত ঈশাৱাস্যোপনিষদ্ নামে একমাত্র মন্ত্রোপনিষদ্ অন্তর্ভুক্ত হৈছে।

৫.৭.২ বাজসনেয়ী কাণ্বসংহিতা

বাজসনেয়ী সংহিতাৰ কাণ্বশাখাৰ বিষয়বস্তু মাধ্যন্দিন শাখাত সন্নিৱিষ্ট বিষয়ৰ লগত প্রায় একেই। কাণ্বসংহিতাও চল্লিশটা অধ্যায়ত বিভক্ত। এই কাণ্ব সংহিতা মহাৰাষ্ট্রত বহুলভাৱে প্রচলিত। মাধ্যন্দিন সংহিতা উত্তৰ ভাৰততে সর্বাধিক প্রচলিত।

৫.৮ যজুর্বেদৰ সংহিতা, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ গ্রন্থ

কৃষ্ণযজুর্বেদ ঃ

সংহিতা—	তৈত্তিৰীয়,
	কাঠক
	কপিষ্ঠল-কঠ
	মৈত্রায়ণী
ব্রাহ্মণ—	তৈত্তিৰীয়
আৰণ্যক—	তৈত্তিৰীয়,
উপনিষদ্—	তৈত্তিৰীয়,
	মহানাৰায়ণ
	মৈত্রায়ণী
	শ্বেতাশ্বতৰ
	কঠোপনিষদ্
শুক্লযজুর্বেদ—	বাজসনেয়ী সংহিতাৰ অন্তর্গত

কাণ্ব সংহিতা
মাধ্যন্দিন সংহিতা
ব্রাহ্মণ— শতপথ
আৰণ্যক— বৃহদাৰণ্যক
উপনিষদ— বৃহদাৰণ্যক উপনিষদ্
ঈশোপনিষদ্

৫.৯ যজুর্বেদৰ ভাষ্য আৰু ভাষ্যকাৰসকল

যজুর্বেদৰ ভাষ্যকাৰ অনেক। তাৰ ভিতৰত মুখ্য ভাষ্যকাৰ কেইজনৰ চমু পৰিচয় তলত দিয়া হ'ল ঃ

১) ভৰস্বামী—আচার্য ভৰস্বামীয়ে কৃষ্ণবেদৰ অন্তর্গত তৈত্তিৰীয় সংহিতাৰ এখন ভাষ্য ৰচনা কৰিছিল। তৈত্তিৰীয় সংহিতাৰ প্রসিদ্ধ ভাষ্যকাৰ ভট্টভাস্কৰ মিশ্রই তেওঁৰ নামোল্লেখ কৰিছে।

২) গুহদেৱ দেৱৰাজযজ্বহি নিঘণ্টুভাষ্যত আৰু ৰামানুজে বেদার্থসংগ্রহত গুহদেৱক তৈত্তিৰীয় সংহিতাৰ ভাষ্যকাৰ বুলি নামোল্লেখ কৰিছে।

৩) ভট্টভাস্কৰমিশ্র—ভট্টভাস্কৰে তৈত্তিৰীয় সংহিতাৰ ওপৰত জ্ঞানযজ্ঞ বুলি এখন সুখ্যাত ভাষ্য ৰচনা কৰে। তেওঁৰ ভাষ্যই ভাষ্যকাৰৰ শাস্ত্রবৈদগ্ধ্য বাৰুকৈয়ে প্রকাশ কৰিছে। তেওঁৰ ভাষ্যত কেৱল মন্ত্রৰ যাজ্ঞিক অর্থকে পোৱা নাযায়, তাৰ আধ্যাত্মিক অর্থও ভাষ্যকাৰে সুন্দৰকৈ তুলি ধৰিছে। ভট্ট ভাস্কৰ সায়নৰ পূর্ববর্তী কালৰ লোক। সম্ভৱতঃ তেওঁ খৃষ্টীয় একাদশ শতিকাত জন্মগ্রহণ কৰিছিল।

৪) সায়নাচার্য্য—সমগ্র তৈত্তিৰীয় সংহিতাৰ ওপৰত সায়নাচার্য্যই ভাষ্য ৰচনা কৰিছিল। মন কৰিবলগীয়া কথা এয়ে যে তেওঁ ঋগ্বেদ আদিৰ আগতে অর্থাৎ সর্বপ্রথমে তৈত্তিৰীয় সংহিতাৰ ভাষ্য ৰচনা কৰিছিল, যিহেতুকে তেওঁ তৈত্তিৰীয় শাখাৰ ব্রাহ্মণ আছিল।

শুক্লযজুর্বেদৰ ভাষ্যকাৰসকলৰ ভিতৰত কেইজনমানৰ চমু পৰিচয় এয়া ঃ

১) উৱট—উৱট আছিল আনন্দপুৰ নিবাসী বজ্রটৰ পুত্র। তেওঁ অৱন্তী ৰাজ্যত ভোজে শাসন কৰা সময়ত মাধ্যন্দিন সংহিতাৰ ওপৰত মন্ত্রভাষ্য নামৰ ভাষ্য লিখে। তেওঁৰ আবির্ভাৱ কাল খৃষ্ট্রীয় একাদশ শতিকা।

২) মহীধৰ—মহীধৰে মাধ্যন্দিন সংহিতাৰ ওপৰত 'বেদদীপ' নামে এটি ভাষ্য লিখে। তেওঁ কাশীৰ ব্রাহ্মণ কুলত জন্মগ্রহণ কৰে। তেওঁ আছিল উৱটৰ অনুগামী। তেওঁৰ আৱির্ভাব কাল খৃষ্টীয় ষোড়শ শতিকা।

৩) হলায়ুধ— হলায়ুধে কাণ্ব সংহিতাৰ ওপৰত ব্রাহ্মণসর্বস্ব নামে এটি ভাষ্য লিখে। তেওঁ বঙ্গাধিপতি লক্ষ্মণসেনৰ (খৃঃ ১৭৭০-১৮০০) ৰাজসভাত ধর্মাধিকাৰী পদত অধিষ্ঠিত আছিল।

৪) অনন্তাচার্য— কাশীবাসী ব্রাহ্মণ অনন্তাচার্যই ষোড়শ শতিকাত কাণ্ব সংহিতাৰ উত্তৰার্ধৰ (২১-৪০) অধ্যায়ৰ ওপৰত ভাষ্য ৰচনা কৰে। তেওঁৰ ভাষ্যত মহীধৰৰ প্রভাৱ সুস্পষ্ট।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ তৈত্তিৰীয় সংহিতাত কেইটা কাণ্ড আছে?

.....

.....

প্রশ্ন নং ৮ঃ তৈত্তিৰীয় সংহিতাত প্রথমতে কি যাগৰ বর্ণনা আছে?

.....

.....

প্রশ্ন নং ৯ঃ ইষ্টি যাগত প্রয়োগ হোৱা মন্ত্র তিনি প্রকাৰৰ নাম কি কি?

.....

.....

প্রশ্ন নং ১০ঃ কাঠক সংহিতাত সন্নিৱিষ্ট পাঁচটা কাণ্ডৰ নাম কি কি?

.....

.....

প্রশ্ন নং ১১ঃ অধুনা লুপ্ত কৃষ্ণ যজুর্বেদৰ তিনিটা শাখাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১২ঃ শুক্লযজুর্বেদৰ প্রাচীন শাখা কিমান আছিল?

.....

.....

প্রশ্ন নং ১৩ঃ শুক্ল যজুর্বেদৰ এতিয়াও প্রচলিত শাখা দুটাৰ নাম কি?

.....

.....

প্রশ্ন নং ১৪ঃ কৃষ্ণযজুর্বেদৰ ভাষ্যকাৰ দুজনৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১৫ঃ শুক্লযজুর্বেদৰ ভাষ্যকাৰ দুজনৰ নাম লিখক।

.....

.....



৫.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- যজুর্বেদ ত্রয়ী বিদ্যাৰ অন্তর্গত তৃতীয় বেদ।
- যজুর্বেদৰ পাঠ কৃষ্ণ আৰু শুক্লভেদে দুই প্রকাৰ।
- কৃষ্ণযজুর্বেদ শুক্ল যজুর্বেদতকৈ অধিক প্রাচীন
- দুয়ো ভাগ বেদতে অধ্বর্যু নামে ঋত্বিকৰ যজ্ঞানুষ্ঠানত কৰণীয় কার্য আৰু কর্তব্যৰ বিৱৰণ আছে।
- ঋক্ আৰু সামবেদৰ তুলনাত যজুর্বেদ অর্বাচীন।
- এই বেদৰ সময়ত আর্যধর্মৰ যজ্ঞীয় অনুষ্ঠানসমূহ মহাপয়োভৱেৰে সমাজত সম্পাদন কৰা হৈছিল।
- এই বেদৰ শাখা বহুত ঃ শৌনকৰ চৰণব্যূহৰ মতে কৃষ্ণযজুর্বেদৰ শাখা আছিল সতাইশটা আৰু শুক্লযজুর্বেদৰ পোন্ধৰটা।
- সাহিত্যিক দিশৰ পৰা চালে জনা যায় যে যজুর্বেদৰ গদ্য সর্বপ্রাচীন।



৫.১১ অধিক জানিবলৈ

১) Macdonell, A. A. (1997), *A History of Sanskrit Literature*, Delhi : Motilal Banarsidass.

২) Muller, Max (1926), *A History of Ancient Sanskrit LIterature*, Delhi : Oxford & IBH Publishing Co., HOS.

৩) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৪) শর্মা, থানেশ্বৰ (২০০৭), *বেদৰ সৌৰভ*, পুৰণি গুদাম ঃ বৈদিক ৰিচার্চ এণ্ড গ্লবেল ষ্টাডি চেণ্টাৰ।



৫.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কৃষ্ণ আৰু শুক্ল।

২ নং প্রশ্নৰ উত্তৰঃ যাজনার্থক যজ্ ধাতুৰ পৰা যজুস্ শব্দ নিষ্পন্ন হৈছে। যজ্ঞৰ দেৱ-দেৱীৰ আহুতি প্রদানাদি সকলো কর্ম সম্পাদন কৰা হয় যজুঃ মন্ত্রৰ দ্বাৰা। যজ্ঞৰ লগত নিবিড় সম্পর্ক থকা কাৰণেই এই সংহিতাখনক যজুঃ সংহিতা বুলি কোৱা হয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ বৈশম্পায়ন।

৪ নং প্ৰশ্নৰ উত্তৰঃ কৃষ্ণ মানে মন্ত্ৰ-ব্ৰাহ্মণৰ মিশ্ৰণ। য'ত কেৱল মন্ত্ৰ ভাগহে সন্নিৱিষ্ট হৈছে, সেয়ে শুক্ল যজুর্বেদ। কৃষ্ণ যজুর্বেদত সংহিতাভাগৰ লগতে ব্ৰাহ্মণভাগো সংপৃক্ত হৈ আছে।

৫ নং প্ৰশ্নৰ উত্তৰঃ তৈত্তিৰীয়, কাঠক; কাণ্ব আৰু মাধ্যন্দিন।

৬ নং প্ৰশ্নৰ উত্তৰঃ বাজসনেয়ী পদটোত 'বাজ'ৰ অৰ্থ সূৰ্যৰ কিৰণ আৰু সনিৰ অৰ্থ ধন-ঐশ্বৰ্য। গতিকে সূৰ্যৰ কিৰণৰ পৰা লব্ধ ধন-ঐশ্বৰ্য ৰূপ বেদেই হ'ল বাজসনেয়ী। আনহাতে, যাজ্ঞৱল্ক্যৰ আন এটা নাম আছিল বাজসন অৰ্থাৎ প্ৰচুৰ গো-ধনৰ অধিকাৰী। তেওঁ দৰ্শন কৰা বেদৰ নাম সেয়েহে বাজসনেয়ী হ'লগৈ।

৭ নং প্ৰশ্নৰ উত্তৰঃ সাতটা।

৮ নং প্ৰশ্নৰ উত্তৰঃ দৰ্শপৌৰ্ণমাস।

৯ নং প্ৰশ্নৰ উত্তৰঃ আধ্বৰ্যৱ মন্ত্ৰ, যাজমান মন্ত্ৰ আৰু হৌত্ৰ মন্ত্ৰ।

১০ নং প্ৰশ্নৰ উত্তৰঃ ইঠিমিকা, মধ্যমিকা, ওৰীমিকা যাজ্যানুৱাক্যা আৰু অশ্বমেধাদি অনুবচন কাণ্ড।

১১ নং প্ৰশ্নৰ উত্তৰঃ চৰক, আহ্ৱৰক আৰু চাৰায়নীয়।

১২ নং প্ৰশ্নৰ উত্তৰঃ পোন্ধৰটা।

১৩ নং প্ৰশ্নৰ উত্তৰঃ কাণ্ব আৰু মাধ্যন্দিন।

১৪ নং প্ৰশ্নৰ উত্তৰঃ ভট্টভাস্কৰ আৰু সায়ণাচার্য্য।

১৫ নং প্ৰশ্নৰ উত্তৰঃ উৱট আৰু মহীধৰ।



৫.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ কাঠক সংহিতাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ মৈত্ৰায়নী সংহিতাৰ বিষয়ে চমুকৈ লিখক।

(খ) চুটি প্ৰশ্ন

প্ৰশ্ন ১ঃ যজুস্ শব্দৰ ব্যুৎপত্তি আৰু অৰ্থ চমুকৈ লিখক।

প্ৰশ্ন ২ঃ কৃষ্ণ যজুর্বেদৰ চমু পৰিচয় দাঙি ধৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ কৃষ্ণ আৰু শুক্লভেদে যজুর্বেদৰ শ্ৰেণীবিভাগ কৰক।

প্ৰশ্ন ২ঃ যজুর্বেদৰ ভাষ্য আৰু ভাষ্যকাৰসকলৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৬ ঃ সামবেদৰ পৰিচয়

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সামন্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ

৬.৪ সামবেদৰ শাখা

- ৬.৪.১ কৌথুম শাখা
- ৬.৪.২ ৰাণায়নীয় শাখা
- ৬.৪.৩ জৈমিনীয় শাখা

৬.৫ সামৰ ভাগ

৬.৬ ঋক্ আৰু সামৰ সম্বন্ধ

- ৬.৬.১ স্বৰ লিপি
- ৬.৬.২ ঋকৰ সামলৈ পৰিৱর্তন

৬.৭ সামবেদৰ ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ

৬.৮ সামবেদৰ ভাষ্য আৰু ভাষ্যকাৰ

৬.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৬.১০ অধিক জানিবলৈ

৬.১১ অগ্রগতিৰ খতিয়ান

৬.১২ আর্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামবেদৰ বিষয়ে অনেক তথ্যৰ আভাস লাভ কৰিব
- মার্গ সঙ্গীতৰ আধাৰশিলা কি তাৰ আভাস পাব
- ভাৰতীয় সংগীতৰ সপ্ত স্বৰৰ জ্ঞান লাভ কৰিব
- যাগ-যজ্ঞত কিদৰে মার্গ সংগীত পৰিৱেশিত হৈছিল তাৰ আভাস লাভ কৰিব
- কেনেকৈ ঋক্বোৰৰ পৰা সাম গান নির্মাণ হয় তাৰ আভাস লাভ কৰিব
- সামবেদৰ লগত সম্বন্ধ থকা গান্ধর্ব বেদৰো আভাস পাব।

৬.২ পৰিচয়

আপুনি আগৰ অধ্যায়বোৰত বৈদিক সাহিত্যৰ পৰিচয় আৰু ঋক্‌বেদৰ পৰিচয় লাভ কৰিছে। এতিয়া আপুনি সামবেদৰ পৰিচয় লাভ কৰিব পাৰিব।

বেদ চাৰিখন ঃ ঋগ্বেদ, সামবেদ, যজুৰ্বেদ আৰু অথর্ববেদ। ইয়াৰ ভিতৰত সামবেদে বিশিষ্ট স্থান অধিকাৰ কৰি আছে। ভগৱান কৃষ্ণই গীতাৰ বিভূতি যোগত 'বেদানাং সামৱেদোহস্মি' বুলি কৈছে। অর্থাৎ বেদ কেইখনৰ ভিতৰত সামবেদ শ্রেষ্ঠ। যজ্ঞত উদ্‌গাতাসকলে সামবেদৰ সাম গানবোৰ গীতৰূপে পৰিৱেশন কৰে। চাৰিওবেদৰ ভিতৰত যি গীতাংশ আছে সেয়ে সামগান বা সামগীত (গীতিষু সামাখ্যা)। ভাৰতীয় মার্গীয় বা শাস্ত্রীয় সংগীতৰ উদ্ভৱস্থলো সামগীত। মার্গীয় সংগীতৰ যি সাত প্রকাৰ স্বৰ আছে, তাৰো আধাৰ বা উৎস বৈদিক সপ্তস্বৰ। গতিকে বৈদিক সাহিত্য—সংগীতৰ বুৰঞ্জীত সামবেদে এক অনুপম বৈশিষ্ট্য ধাৰণ কৰি আছে। একে কাৰণত গান্ধর্ববেদক সামবেদৰ উপবেদ বুলি কৈছে। ভৰতে নাট্যবেদ ৰচনা কৰা সময়তো—

জগ্রাহ পাঠ্যম্ ঋগ্বেদাৎ সামভ্যো গীতমেৱ চ।

যজুর্বেদাদভিনয়ং ৰসানথর্বনাদ্ অপি।। — বুলি কৈছে।

গতিকে কেৱল বৈদিক সাহিত্যতে নহয়, লৌকিক সাহিত্যৰ মাজতো সামবেদে মহত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। সেইবাবে আমি সামবেদৰ অধ্যয়ন গুৰুত্বসহকাৰে কৰা উচিত।

৬.৩ সামন্ শব্দৰ ব্যুৎপত্তি আৰু অর্থ

এতিয়া আপুনি সামন্ শব্দটোৰ বিষয়ে জানিব পাৰিব। 'সামন্' শব্দটো 'সা' আৰু 'অম'ৰ সন্মিলনৰে গঠিত হৈছে। 'সা' শব্দই স্ত্রীজনোচিত আৰু 'অম'ই পুৰুষোচিত (পুংলিঙ্গ উচিত) বৃত্তিক প্রতিনিধিত্ব কৰে। ঐতৰেয় ব্রাহ্মণত (১২/১২) ঋক্ আৰু সামন্ শব্দ দুটা ক্রমশঃ 'সা' আৰু 'অম'ৰ ৰূপত আছিল বুলি কৈছে। অথর্ববেদৰ বিৰাহ সূক্তত (১৪/২/৭১) সদ্য বিবাহিত দৰাজনে কইনাজনীক কয় ঃ 'মই পুৰুষ 'অম', তুমি নাৰী 'সা', মই সাম, তুমি, ঋক্, মই দ্যৌ, তুমি পৃথিৱী, আহা আমি প্রজাক জন্ম দিওঁ। ঋক্ আৰু সামৰ মাজত যে অভেদ সম্পর্ক আছে সেই বিষয়ে কোৱা হৈছে— 'ঋক্ সাম্নাং যোনিঃ' অর্থাৎ ঋক্ সামবোৰৰ উৎস বা আধাৰ। এই কথা পাছত আৰু অধিক স্পষ্ট হৈ পৰিব।

৬.৪ সামবেদৰ শাখা

পৰম্পৰাগত জনশ্রুতি অনুসৰি আদিতে সামবেদৰ হাজাৰখন শাখা আছিল (সামৱেদস্য কিল সহস্রভেদা আসন্)। অনধ্যায়ৰ ফলত তাৰে বহুত নষ্ট হ'ল। অধ্যেতাসকল কোনো অজ্ঞাত কাৰণবশতঃ ইন্দ্রৰ বজ্রপাতৰ বলি হ'ল। তাৰ ফলতো বহুতো শাখাধ্যায়ী বিনষ্ট হ'ল। বিষ্ণু পুৰাণত ৩/৬/১-৮ প্রাপ্ত তথ্য অনুসাৰে বেদব্যাসে বেদৰ বিভাজন কৰি জৈমিনিৰ হাতত সামবেদ অর্পণ

কৰে। জৈমিনিয়ে দুই শাখাৰ সৃষ্টি কৰিলত নিজ পুত্ৰ সমুন্ত আৰু সুমন্তৰ পুত্ৰ সুকৰ্মাই এক এক শাখা অধ্যয়ন কৰে। সুকৰ্মাই এহেজাৰ শাখাৰ সৃষ্টি কৰে। তেওঁ হিৰণ্যনাভ কৌশল্য আৰু পৌষ্পিঞ্জি প্ৰভৃতি শিষ্যসকলক সেই শাখাবোৰৰ ধাৰক নিযুক্ত কৰে। তেওঁৰ শিষ্যসকল উদীচ্য আৰু প্ৰাচ্য সামগ নামে দুভাগ হয়। পৌষ্পিঞ্জিৰ শিষ্য হ'ল লোকাক্ষি কুথুমি, কুসীদী আৰু লাঙ্গলি। হিৰণ্যনাভৰ শিষ্যই সামবেদৰ ২৪খন পাঠভেদ চৰ্চা কৰে।

আন এক সূত্ৰমতে এহেজাৰ শাখাৰ অধিকাংশ নষ্ট হোৱাত কেইটামান শাখাহে বাকী থাকে ঃ আসুৰায়নীয় বা সুৰায়নীয়, বাৰ্ত্তান্তৰেয়, প্ৰাঞ্জল, ঋগ্‌বৰ্ণভেদ প্ৰাচীনযোগ্য, ৰানায়ণীয় আৰু শাত্যায়নীয়সকল। ৰাণায়নীয় শাখাৰ ন প্ৰকাৰৰ ভেদ হ'ল— ৰাণায়নীয়, শাঠ্যায়নীয়, সত্যমুদ্ভৰ, খল্বল, মহাখল্বল, লাঙ্গল, কৌথুম, গৌতম আৰু জৈমিনিয়। আন এক মতানুসৰি ৰাণায়নীয়ৰ সপ্তভেদ ঃ সাত্যমুগ্য, ৰাণায়নীয়, কালাপ, মহাকালাপ, লাঙ্গলায়ন, শার্দুল আৰু কৌথুম। কৌথুমৰ আকৌ ছয় প্ৰকাৰ ভেদ ঃ কৌথুম, আসুৰায়ণ, বাতায়ন, প্ৰাঞ্জলিদ্বৈতভৃৎ, প্ৰাচীনযোগ্য আৰু নৈগেয় কৌথুম— এয়া চৰণব্যূহত পোৱা তথ্য।

পণ্ডিতসকলৰ মতানুসৰি সম্প্ৰতি তিনিটা শাখাৰ সামবেদ সংহিতা পোৱা যায়, যথাঃ কৌথুম, জৈমিনীয় আৰু ৰাণায়নীয়। ইয়াৰ কৌথুম শাখা বঙ্গ আৰু গুজৰাটত প্ৰচলিত হৈ আছে। জৈমিনীয় শাখা কৰ্ণাটকত প্ৰচলিত হৈ আছে; আৰু ৰাণায়নীয় শাখা মহাৰাষ্ট্ৰত বৰ্তি আছে।

৬.৪.১ কৌথুম শাখা

বৰ্তমান ভাৰতবৰ্ষত প্ৰচলিত সামবেদৰ শাখাবোৰৰ ভিতৰত কৌথুম শাখা বঙ্গ আৰু গুজৰাটত বৰ্তি আছে।

বৰ্তমান সামবেদৰ কৌথুম শাখাক কেন্দ্ৰ কৰিয়েই সামবেদৰ অনুশীলন, অধ্যয়ন আৰু গৱেষণা পণ্ডিতসকলে চলাই আছে। এই শাখাত মুঠতে ১৮১০ (মতান্তৰ অনুসৰি ১৮৭৫) সাম মন্ত্ৰ আছ। তাৰে ৭৫ টা মন্ত্ৰক বাদ দি বাকীবোৰ (১৭৩৫ টা মন্ত্ৰ) ঋগ্বেদৰ পৰা ধাৰ কৰা। ঋগ্বেদৰো অষ্টম আৰু নৱম মণ্ডলৰ পৰাই অধিকাংশ মন্ত্ৰ সামবেদত উদ্ধৃত কৰা হৈছে। এই মন্ত্ৰসমূহৰ সৰহখিনি গায়ত্ৰী ছন্দত গ্ৰথিত। এই মন্ত্ৰবোৰ দুটা ভাগত বিভক্ত— আৰ্চিক আৰু গান। আৰ্চিকৰো ভাগ দুটা— পূৰ্বাচিক আৰু উত্তৰাৰ্চিক।

পূৰ্বাৰ্চিক ভাগত আছে ৫৮৫ টা ঋক্। তাৰে ৪৫ টা ঋক্ ঋগ্বেদৰ শাকল সংহিতাত পোৱা নাযায়। ওপৰোক্ত মন্ত্ৰবোৰ ছটা প্ৰপাঠকত বিভক্ত। একোটা প্ৰপাঠকত দহটাকৈ দশতি আছে। একোটা দশতিত দহটাকৈ ঋক্ আছে। মন্ত্ৰবোৰ উপাস্য দেৱতা সংকলিত আৰু সজোৱা হৈছে। ১—১২ এই বাৰটা দশতিত অগ্নিৰ স্তুতিগীত পোৱা যায়। পৰৱৰ্তী ৩৮টা দশতিত ইন্দ্ৰ দেৱতাৰ স্তুতিগীত পোৱা যায়। পাছৰ এঘাৰটা দশতিত পৱমান সোমৰ স্তুতি সংগৃহীত হৈছে। এইদৰে আগ্নেয় কাণ্ড, ঐন্দ্ৰকাণ্ড আৰু পাৱমান কাণ্ডত একাদিক্ৰমে ১১৪,৩৫২ আৰু ১১৯ টা ঋক্ মন্ত্ৰ পোৱা যায়। মুঠ মন্ত্ৰৰ সংখ্যা ৫৫৮

টা। ইয়াৰ পাছত পোৱা আ�ৰণ্যককাণ্ডত আৰু মহানাম্ন্যার্চিকত ক্ৰমে ৫৫ টা আৰু ১০ টা মন্ত্ৰ আছে।

উত্তৰার্চিকত চাৰিশমান সামন্ আছে। তাত আছে মুঠতে ১২২৫ টা মন্ত্ৰ। ইয়াৰে ৩১ টা মন্ত্ৰ ঋগ্বেদৰ শাকল সংহিতাত পোৱা নাযায়। উত্তৰার্চিক নটা প্ৰপাঠক বা অধ্যায়ত বিভক্ত। প্ৰপাঠক একোটাত দুটা বা তিনিটা অৰ্ধ বুলি উপবিভাগ থাকে। সচৰাচৰ একোটা সামত ঋক্ থাকে তিনিটা। এই আৰ্চিকৰ সামগামবোৰ প্ৰধান সোম যাগবোৰত গোৱা হয়।

সেই যাগবোৰ হ'ল—দশৰাত্ৰ, সম্বৎসৰ, একাহ, অহীন, সত্ৰ, প্ৰায়শ্চিত্ত আৰু ক্ষুদ্ৰ। দুয়ো আৰ্চিকত মন্ত্ৰবোৰহে লিপিবদ্ধ হৈ আছে। সিবোৰৰ প্ৰাণ স্বৰূপ গানবোৰ পৰম্পৰা অনুসৰি পুৰুষানুক্ৰমে মুখ বাগৰি চলি আহিছে। পূৰ্বৰে পৰা সামগানবোৰ কণ্ঠ আৰু যন্ত্ৰ দুয়োটাৰে সমাগমত গোৱা হয়।

দুয়োখন আৰ্চিকত লিখিত গানবোৰৰ গেয় ৰীতি, ছন্দ-মাত্ৰা আদিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। সাম গানৰ সুৰবোৰ যথাযথভাবে শিকাৰ ওপৰত নজৰ দিয়া হয়। সামগায়ক উদ্গাতা হ'বলৈ পোনতে সামগানবোৰ শিকিব লাগে। তাকে কৰিবলৈ হ'লে পূৰ্বার্চিকৰ মন্ত্ৰবোৰ আয়ত্ত কৰিব লাগে। ঋক্বোৰ সামৰ যোনি। সেয়ে কেইটামান ঋকেই নিৰ্দিষ্ট সামৰ আধাৰ হ'ব পাৰে। সেইবাবে পূৰ্বার্চিকত সংগৃহীত ৫৮৫ টা ঋকক দুগুণ বা ততোধিক সামৰূপে গাব পাৰি। সামবেদীয় ব্ৰাহ্মণত সামবোৰৰ কাৰ্যকৰী গুণাগুণ আৰু সেইবোৰ দৃষ্ট হোৱাৰ গুৰিত থকা 'পুৰাকল্প'বোৰ পঢ়িবলৈ পোৱা যায়। 'বৃহৎ' আৰু 'ৰথন্তৰ' নামে দুটা প্ৰসিদ্ধ সাম আছে। দুয়োটাৰ ঋষি ক্ৰমে ভৰদ্বাজ আৰু বশিষ্ঠ। বৃহৎ সামৰ খ্যাতি ইমানেই বেছি যে ভগৱান কৃষ্ণই গীতাত নিজকে উৎকৃষ্ট সাম 'বৃহৎ' বুলি কৈছে।

সামবেদীয় পৰম্পৰাত চাৰিখন 'গান' গ্ৰন্থ হাত বাগৰি আহিছে। তাৰে এখন **গ্ৰামগেয়** গান। ইয়াৰ গানবোৰ গাঁৱত গাব পাৰি। ই কৌথুমৰ পূৰ্বাচিকৰ সম্বন্ধীয়। ই সোতৰটা প্ৰপাঠকত বিভক্ত। দ্বিতীয় গান গ্ৰন্থ '**আৰণ্যগেয়** গান'। ইয়ো পূৰ্বাচিকৰ সহযোগী। ইয়াৰ গানবোৰ সাধাৰণ লোকে শুনিবলগীয়া নহয়। এই গানবোৰ বিপজ্জনক, সেয়ে এইবোৰ গান মৰুভূমি বা অৰণ্যৰ মাজতহে গাব লাগে। ই ছয় প্ৰপাঠকত বিভক্ত।

তেনেদৰে উত্তৰার্চিকৰ দুখন গান গ্ৰন্থ আছে। প্ৰথমখন ঊহগান, ই গ্ৰামগেয়ৰে তুল্য। ইয়াত আছে তেইশটা প্ৰপাঠক। আনখন ঊহ্যগান, আৰণ্যগেয়ৰ দৰে। ইয়াত ছটা প্ৰপাঠক আছে। ঊহ গানে গ্ৰামগেয়ৰ আৰু ঊহ্যগানে আৰণ্যগেয়ৰ ক্ৰম অনুসৰণ কৰে।



গ্ৰামগেয় ঃ গাঁৱত গাবৰ যোগ্য।



আৰণ্যগেয় ঃ হাবিত গাব লগীয়া।

৬.৪.২ ৰাণায়নীয় শাখা

ৰাণায়নীয় শাখাৰ প্ৰচলন মহাৰাষ্ট্ৰত সীমাবদ্ধ। বৰ্তমান এই শাখা কেনেভাবে তাত প্ৰচলিত হৈ আছে, তাক জনা নাযায়। সাতৰলেকাৰে কৌথুম আৰু ৰাণায়নীয় গানত দেখা প্ৰভেদৰ সঙ্কেত এনেদৰে দিছে ঃ

কৌথুম	**ৰাণায়নীয়**
হাউ	হাবু
ৰাই	ৰায়ী

৬.৪.৩ জৈমিনীয় শাখা

পণ্ডিত বাৰ্ণেলে তামিলনাড়ু আৰু কেৰেলাত সামবেদৰ জৈমিনীয় শাখা আৱিষ্কাৰ কৰে। কৌথুম শাখাৰ লগত জৈমিনীয়ৰ প্ৰভেদ আছে। জৈমিনীয়ৰ উত্তৰাৰ্চিকত ১৮৪ টা ঋক্ কম আছে। দুয়ো শাখাৰ গানৰ বঢ়া-টুটা অৱশ্যে আছে।

৬.৫ সামৰ ভাগ

সাম গানৰ ভাগ পাঁচটা ঃ (১) প্ৰস্তাৱ—ই মন্দ্ৰৰ আৰম্ভণি ভাগ। 'হুঁৰে আৰম্ভ হয়। প্ৰস্তোতা নামে ঋত্বিকে ইয়াক গায়। (২) উদ্গীথ সামবেদীয় প্ৰধান ঋত্বিক উদ্গাতাই ইয়াক গায়। ইয়াৰ আৰম্ভ হয় ওম্কাৰ বা প্ৰণৱেৰে। (৩) প্ৰতিহাৰ-প্ৰতিহৰ্তা নামে ঋত্বিকে ইয়াক গায়। কেতিয়াবা ইয়াক দুভাগ কৰি গোৱা হয়। (৪) উপদ্ৰৱ—এইভাগো উদ্গাতাই গাব লাগে। (৫) নিধন—প্ৰস্তোতা উদ্গাতা আৰু প্ৰতিহৰ্তা—তিনিও একেলগে এই অংশ গায়।

তলত ইয়াৰ উদাহৰণ দিয়া হ'ল। সামবেদৰ প্ৰথম মন্ত্ৰটো ঃ

অগ্ন আ য়াহি ৰীতয়ে গৃণানো হব্য দাতয়ে।
নি হোতা সৎসি বৰ্হিষি।।

সাম গানত ইয়াৰ ৰূপ হয় ঃ (১) হুঁ ওগ্রাঈ (প্ৰস্তাৱ) (২) ওঁম আয়াহি ৰীতয়ে গৃণানো হব্যদাতয়ে (উদ্গীথ) (৩)যি হোতা সৎসি বৰ্হিষি ওম্ (প্ৰতিহাৰ) (৪) নি হোতা সৎসি ব (উপদ্ৰৱ) (৫) হিষি ওম্ (নিধন।।)



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সামন্ শব্দৰ ব্যুৎপত্তি আৰু অৰ্থ কি?

.....

.....

প্রশ্ন নং ২ঃ সামবেদৰ প্রচলিত শাখা তিনিটাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৩ঃ কৌথুম শাখাৰ আর্চিকৰ ভাগ দুটাৰ নাম কি?

.....

.....

প্রশ্ন নং ৪ঃ কৌথুম শাখাত মুঠ মন্ত্রৰ সংখ্যা কিমান?

.....

.....

প্রশ্ন নং ৫ঃ কৌথুম শাখাৰে সম্বন্ধ থকা গান চাৰিখনৰ নাম কি?

.....

.....

৬.৬ ঋক্ আৰু সামৰ সম্বন্ধ

ঋক্বেদত থকা পদবদ্ধ মন্ত্রবোৰক সামবেদত গান কৰি গোৱা হয়। সাম আৰু ঋক্ৰ পতি-পত্নীবৎ সম্বন্ধ। উপনিষদবোৰত এই ঋক্ আৰু সামৰ এক সম্বন্ধৰ কথা কোৱা হৈছে।

'ৱাক্ চ প্রাণশ্চ, ঋক্ চ সাম চ। ছান্দোগ্য উপনিষদ, ১/১/৫

'ৱাগেৱ সা প্রানোৎমস্তৎসাম'।। ছান্দোগ্য উপনিষদ, ১/৭

'বাণী আৰু প্রাণ ক্রমশঃ ঋক্ আৰু সাম। বাণী ঋক্ আৰু প্রাণ সাম।' বাণী আৰু প্রাণৰ যেনেকুৱা সম্বন্ধ ঋক্ আৰু সামবো তেনেকুৱা সম্বন্ধ।

স্বৰমণ্ডল ঋক্ৰ অর্থ হৈছে পাদবদ্ধ মন্ত্র। এই মন্ত্রবোৰ ষড়্জ, মধ্যম আদি স্বৰত গোৱা হয়। সেয়ে জৈমিনিয়ে কৈছে গীতিষু সামাখ্যা' (জৈমিনীয় সূত্র, ২/১/৩৬) বেদমন্ত্রৰ গানকে সাম নাম দিয়া হৈছে। ছান্দোগ্য উপনিষদৰ শালাৱত্য-দাল্ভ্যৰ সংবাদত কোৱা হৈছেঃ

কা সাম্নো গতিৰিতি? স্বৰ ইতি হোৱা চ (ছাঃ উঃ, ১/৮/৪)'সামৰ গতি কি? স্বৰেই সামৰ গতি। স্বৰ নোহোৱাকৈ সাম নহয়। সামৰ স্বৰূপ স্বৰ। সামৰ স্বৰ মণ্ডলৰ গণনা নাৰদীয় শিক্ষাত এনেদৰে পোৱা যায় ঃ

সপ্ত স্বৰাঃ ত্রয়ো গ্রামাঃ মূর্চ্ছনাস্ত্বেকবিংশতিঃ।
তানা একোনপঞ্চাশৎ ইত্যেতৎ স্বৰমণ্ডলম্।।

সাত স্বৰ, তিনি গ্রাম, একৈশ মূর্চ্ছনা, তাম ঊন পঞ্চাছ—এয়ে হ'ল স্বৰমণ্ডল। সপ্তস্বৰৰ বিষয়ে নাৰদীয় শিক্ষাত কোৱা হৈছেঃ

য়ঃ সামগানাং প্রথমঃ স ৱেণোর্মধ্যমঃ স্বৰ।
য়ো দ্বিতীয়ঃ স গান্ধাৰঃ তৃতীয় ঋষভঃ স্মৃতঃ।
চতুর্থঃ ষড়্জ ইস্তাহুঃ পঞ্চমো ধৈৱতো ভৱেৎ।

ষষ্ঠো নিষাদো বিজ্ঞেয়ঃ, সপ্তমঃ পঞ্চমঃ স্মৃতঃ।।

এইদৰে নাৰদীয় শিক্ষাত ধৈৱত আৰু নিষাদৰ স্থান পৰিৱৰ্তন দেখুৱাইছে। নাৰদীয় শিক্ষাত সাম-স্বৰ আৰু আধুনিক সঙ্গীত শাস্ত্ৰৰ স্বৰৰ সম্বন্ধ এনেদৰে দেখুওৱা হৈছে—

১. প্ৰথমঃ (ৱেনোঃ) মধ্যমঃ (ম)
২. দ্বিতীয়ঃ গান্ধাৰঃ(গ)
৩. তৃতীয়ঃ ঋষভঃ (ৰে)
৪. চতুৰ্থঃ ষড়জঃ (সা)
৫. পঞ্চমঃ ধৈৱতঃ (ধ)
৬. ষষ্ঠঃ নিষাদঃ (নি)
৭. সপ্তমঃ পঞ্চমঃ (প)

আকৌ সামবিধান ব্ৰাহ্মণত কোৱা হৈছে যে প্ৰজাপতিয়ে সৃষ্টিৰ সৃজন কৰোঁতে স্বৰবোৰ বিভিন্ন প্ৰাণীক দান কৰে। গতিকে দেৱতাসকলে ক্ৰুষ্ট স্বৰ, মানুহে প্ৰথম, গন্ধৰ্বই দ্বিতীয়, জন্তুবোৰে তৃতীয়, পিতৃ আৰু পক্ষীবোৰে চতুৰ্থ, দৈত্যসকলে পঞ্চম, বিৰিখবোৰে অন্ত্য স্বৰক উপজীৱিকাৰূপে লাভ কৰে।

৬.৬.১ স্বৰ লিপি

সামবেদৰ স্বৰলিপি ঋগ্বেদৰ তুলনাত বৰ জটিল। ঋগ্বেদত মাত্ৰ তিনিটা স্বৰ পোৱা যায় ঃ উদাত্ত, অনুদাত্ত আৰু স্বৰিত। সামবেদত হ'লে সুৰ, স্বৰগ্ৰাম আৰু সামৰো ইঙ্গিত আছে। কোৱা হয় যে ঋগ্বেদৰ তিনি স্বৰৰ পৰাই সামবেদৰ সপ্তস্বৰৰ উদ্ভৱ হৈছে। গতিকে সামবেদৰ সপ্তস্বৰক ঋগ্বেদৰ তিনিস্বৰৰ মাজত ভগাব পাৰি। ভৰতে নাট্য শাস্ত্ৰত তাকে কৰিছে ঃ নিষাদ আৰু গান্ধাৰ উদাত্ত স্বৰৰ পৰা, ঋষভ আৰু ধৈৱত অনুদাত্তৰ পৰা আৰু ষড়জ, মধ্যম আৰু পঞ্চম স্বৰ স্বৰিতৰ পৰা উদ্ভৱ হৈছে। এই সপ্তস্বৰক বুজাবলৈ লিপিত ১,২,৩, ৰ ব্যৱহাৰ কৰা হয়। দীপ্ত, আয়ত, মৃদু, মধ্যা আৰু কৰুণা এই পাঁচ শ্ৰুতিৰ অৰিহণা সপ্তস্বৰৰ মূলত আছে।

৬.৬.২ ঋকৰ সামলৈ পৰিৱৰ্তন

ঋকৰ সামলৈ পৰিৱৰ্তন কৰোঁতে আঠ প্ৰকাৰ উপায়ৰ সহায় লোৱা হয়। সেইবোৰ ক্ৰমশঃ (১) বিকাৰ, (২) বিশ্লেষণ, (৩) বিকৰ্ষণ, (৪) অভ্যাস (৫) বিৰাম (৬) স্তোম (৭) লোপ (৮) আগম

(১) এটা আখৰ বা বৰ্ণৰ অস্তিত্ব থকাতো তাৰ ঠাইত অন্য বৰ্ণৰ উচ্চাৰণক বিকাৰ বোলে, যেনে 'অগ্নে'ৰ ঠাইত 'ওগ্নায়ি'ৰ উচ্চাৰণ। (২) সন্ধি ভঙাকেই বিশ্লেষণ বোলে; যেনে— 'ৰীতয়ে'ৰ ঠাইত 'বোয়ি তোয়াহগ্নি' উচ্চাৰণ। (৩) সংক্ষিপ্ত সুৰৰ

ঠাইত দীর্ঘসুৰ বা দূর্ঘসুৰৰ ঠাই চুটি সুৰৰ উচ্চাৰণক বোলে বিকর্ষণ, 'য়ে'-ৰ ঠাইত 'য়া উচ্চাৰণ, ৩য়ি' (৪) বিশেষ সুৰ এটাত ৰৈ যোৱাকে বোলে বিৰাম; যেনে— 'গৃণানো হব্যদাতয়ে'ৰ ঠাইত 'গৃণানোহ'। ব্যদাতয়ে'। (৫) কোনো বর্ণৰ বাৰে বাৰে কৰা উচ্চাৰণক বোলে অভ্যাস; যেনে— 'তোয়াহয়ি' তোয়াহয়ি' 'তোয়াহয়ি' বোলা। (৬) যদি মন্ত্রত নথকা বর্ণ বা শব্দৰ উচ্চাৰণ কৰা হয়, যেনে— 'ঔ', 'হোৱা', 'হুডিৱা' আদি উচ্চাৰণ। (৭) বর্ণৰ বিলুপ্তিক লোপ বোলে। (৮) অতিৰিক্ত সুৰৰ সংযোজনক আগম বোলে।

৬.৭ সামবেদৰ ব্রাহ্মণ, আৰণ্যক, উপনিষদ

ছাত্রসকলৰ সুবোধৰ বাবে সামবেদৰ ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ গ্রন্থৰ নাম তলত দিয়া হ'ল ঃ

সামবেদৰ ব্রাহ্মণ ঃ

তাণ্ড্য বা পঞ্চবিংশ ব্রাহ্মণ, ষড়বিংশ ব্রাহ্মণ ছান্দোগ্য বা মন্ত্র ব্রাহ্মণ,

জৈমিনীয় বা তলবকাৰ ব্রাহ্মণ

সামবিধান ব্রাহ্মণ

দেৱতাধ্যায় ব্রাহ্মণ

আর্ষেয় ব্রাহ্মণ

বংশ ব্রাহ্মণ

আৰণ্যক—ছান্দোগ্য (ছান্দোগ্য ব্রাহ্মণৰ প্রথম দুই প্রপাঠক)

উপনিষদ্—ছান্দোগ্য (ছান্দোগ্য ব্রাহ্মণৰ শেষৰ ছয় প্রপাঠক।)

৬.৮ সামবেদৰ ভাষ্য আৰু ভাষ্যকাৰসকল

১) সুখ্যাত ৱেদৱিদ্ পণ্ডিত সায়নাচার্যই ঋগ্বেদ, যজুর্বেদৰ তৈত্তিৰীয় সংহিতা আৰু অথর্ববেদৰ শৌনক সংহিতাৰ ভাষ্য ৰচনা কৰাৰ উপৰিও সামবেদৰ কৌথুম শাখাৰ সংহিতাৰ ওপৰতো ভাষ্য ৰচনা কৰে।

২) সায়নৰ উপৰিও মাধৱ নামে এজনা পণ্ডিতে সামবেদৰ ভাষ্য লিখে। তেওঁ সামবেদৰ দুয়োটা আর্চিকৰ ওপৰত ভাষ্য লিখে। ভাষ্যৰ নাম 'বিৱৰণ'। প্রথম খণ্ডৰ নাম 'ছন্দসিকা বিৱৰণ' আৰু দ্বিতীয় খণ্ডৰ ভাষ্য উত্তৰবিৱৰণ বুলি বিখ্যাত।

৩) তৃতীয়জন ভাষ্যকাৰৰ নাম ভৰতস্বামী। তেওঁৰ ভাষ্য এতিয়াও প্রকাশিত হোৱা নাই। ভৰতস্বামী কাশ্যপগোত্রীয় ব্রাহ্মণ আছিল। পিতৃ-মাতৃ যথাক্রমে নাৰায়ণ আৰু যজ্ঞদা। তেওঁ সমগ্র সামবেদৰ ওপৰত ভাষ্য লিখে।

৪) গুণ বিষ্ণুৱে সামবেদী সকলৰ নিত্য-নৈমিত্তিক কর্মানুষ্ঠানত প্রযুক্ত সাম মন্ত্রসমূহৰ ওপৰত ভাষ্য লিখে। তেওঁ ৰচনা কৰা ছান্দোগ্যমন্ত্রব্যাখ্যা বঙ্গীয় সংস্কৃত পৰিষদে প্রকাশ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ সামগানৰ ভাগকেইটা কি কি?

.....

.....

প্রশ্ন নং ৭ঃ নাৰদীয় শিক্ষাত সামগানৰ সপ্তস্বৰৰ নাম কি কি?

.....

.....

প্রশ্ন নং ৮ঃ ঋকৰ পৰা সামৰৈ পৰিৱর্তন কৰা উপায়বোৰৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৯ঃ সামবেদৰ ভাষ্যকাৰসকলৰ নাম লিখক।

.....

.....



৬.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সামবেদ আৰু ঋগ্বেদৰ মাজত থকা নিবিড় সম্বন্ধ সম্পর্কে আভাস পালোঁ।
- 'সাম' শব্দৰ ব্যুৎপত্তি আৰু অর্থৰ আভাস পালো।
- সামবেদৰ শাখাৰ আভাস পালোঁ
- কৌথুম শাখাৰ দুই আর্চিক আৰু চাৰিখন গানৰ বিষয়ে বিশেষ তথ্য লাভ কৰিলোঁ।
- ৰাণায়নীয় আৰু জৈমিনীয় শাখাৰ লগত কৌথুম শাখাৰ ভেদ সম্বন্ধে থোৰতে জানিলো।
- সামৰ ভাগ আৰু সামগানৰ সুৰৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- সামৰ স্বৰলিপিৰ আভাস পালোঁ।
- ঋকৰ সামলৈ পৰিৱর্তনৰ আভাস পালোঁ।
- সাম বেদৰ পৰম্পৰাগত ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদৰ নামবোৰ জানিলোঁ।
- শেষত সামবেদৰ ভাষ্য আৰু ভাষ্যকাৰ সকলৰ কথাও জানিলোঁ।



৬.১০ অধিক জানিবলৈ

১) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৰাহাটী ঃ অসম প্রকাশন পৰিষদ।

২) শর্মা, থানেশ্বৰ (১৯৯৪), *সামবেদৰ জিলিঙনি*, গুৰাহাটী ঃ অসম আর্য সমাজ।

৩) শর্মা, থানেশ্বৰ (২০০৮), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, দ্বিতীয় বর্ধিত সংস্কৰণ*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) শর্মা, থানেশ্বৰ (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ অসম বেদ বিদ্যালয়।

৬.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ সান + অন সামন্। 'সা'ই ঋকক বুজায়, অন্ সাম।

২ নং প্রশ্নৰ উত্তৰঃ জৈমিনীয়, কৌথুম আৰু ৰাণায়নীয়।

৩ নং প্রশ্নৰ উত্তৰঃ পূর্বাচিক আৰু উত্তৰার্চিক।

৪ নং প্রশ্নৰ উত্তৰঃ ১৮৭৫ টা

৫ নং প্রশ্নৰ উত্তৰঃ উহ, উহ্য, গ্রামগেয় আৰু অৰণ্যগেয়।

৬ নং প্রশ্নৰ উত্তৰঃ প্রস্তাৱ, উদ্গীথ, প্রতিহাৰ, উপদ্রৱ আৰু নিধন।

৭ নং প্রশ্নৰ উত্তৰঃ প্রথম, দ্বিতীয়, তৃতীয়, চতুর্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম।

৮ নং প্রশ্নৰ উত্তৰঃ বিকাৰ, বিশ্লেষণ, বিকর্ষণ, অভ্যাস, বিৰাম, স্তোম, লোপ, আগম।

৯ নং প্রশ্নৰ উত্তৰঃ সামবেদৰ ভাষ্যকাৰসকল হ'ল সায়ণাচার্য, মাধৱ আৰু ভৰতস্বামী।

৬.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ সাম শব্দৰ ব্যুৎপত্তি আৰু তাৎপর্য ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ সামবেদৰ প্রচলিত শাখা কি কি আৰু ক'ত প্রচলিত হৈ আছে?

(খ) চুটি প্রশ্ন

প্রশ্ন ১ঃ কৌথুম শাখাৰ দুই আর্চিকৰ বিৱৰণ লিখক।

প্রশ্ন ২ঃ সাম বেদৰ চাৰিখন গান গ্রন্থ কি কি?

প্রশ্ন ৩ঃ জৈমিনীয় শাখাৰ লগত কৌথুম শাখাৰ পার্থক্য কি কি?

প্রশ্ন ৪ঃ সামৰ ভাগবোৰ কোনে কেনেকৈ গায়?

প্রশ্ন ৫ঃ সামৰ সুৰবোৰৰ নাম লিখক।

(গ) ৰচনাধর্মী প্রশ্ন

প্রশ্ন ১ঃ সাম গান কেনেকৈ ঋকৰ পৰা উদ্ভৱ হয় লিখক।

প্রশ্ন ২ঃ ভাৰতীয় মার্গ সঙ্গীতত সামগানৰ প্রভাৱ সম্বন্ধে লিখক।

প্রশ্ন ৩ঃ সামবেদৰ মহত্ত্ব ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ অথর্ববেদৰ পৰিচয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ অথর্ববেদৰ বিভিন্ন সংজ্ঞা
৭.৪ অথর্ববেদৰ শাখা-প্রশাখা
৭.৫ শৌণক সংহিতা আৰু পৈপ্পলাদ সংহিতাৰ তুলনা
৭.৬ শৌণক সংহিতাৰ বিভাজন
৭.৭ শৌণক সংহিতাৰ সূক্তচয়ন প্রণালী
৭.৮ শৌণক সংহিতাৰ বিষয়বস্তু
৭.৯ অথর্ববেদৰ ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ গ্রন্থ
৭.১০ অথর্ববেদৰ ভাষ্য
৭.১১ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৭.১২ অধিক জানিবলৈ
৭.১৩ অগ্রগতিৰ খতিয়ান
৭.১৪ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- বৈদিক সাহিত্যৰ অন্তর্গত অথর্ববেদৰ পৰিচয় পাব
- জন-সমাজত অথর্ববেদ, অথর্ববেদৰ জনপ্রিয়তাৰ আভাস পাব
- আয়ুর্বেদ, শল্য চিকিৎসা, ৰাজনীতিশাস্ত্র আদিলৈ অথর্ববেদৰ অৰিহণাৰ আভাস পাব
- ধর্মীয় আৰু সামাজিক ক্ষেত্রত অথর্ববেদৰ মাজত থকা অন্ধবিশ্বাসৰ আভাস পাব
- সর্বোপৰি অথর্ববেদত থকা যাদুমন্ত্র আৰু ক্রিয়া-কলাপৰ আভাস পাব
- শান্তি, পৌষ্টিক, সাংমনস্য আদি মাঙ্গলিক যাদুৰ (white Magic) আভাস পাব
- লগতে ধোৰ, অভিচাৰ আদি অমঙ্গলীয় কৃষ্ণযাদুৰ আভাসো ইয়াৰ পৰা পাব।

৭.২ পৰিচয়

ইতিমধ্যে আমি বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয় দিওঁতে অথর্ববেদৰো সাধাৰণ পৰিচয় দি আহিছোঁ। ত্রয়ী বুলি খ্যাত ঋক্, সাম আৰু যজুর্বেদৰ কথা আলোচনা কৰোতে কৈ অহা হৈছে যে এচাম পণ্ডিতে অথর্ববেদক ত্রয়ীৰ অন্তর্ভুক্ত কৰিব নোখোজে আৰু আন এচামে অথর্ববেদৰ

মন্ত্রভাগ পাদবদ্ধ বুলি তাকো ঋক্‌বেদৰ লক্ষণযুক্ত বুলি ক'ব খোজে।

পণ্ডিতসকলে কয় যে ঋক্, সাম আৰু যজুর্বেদৰ তুলনাত অথর্ববেদে সাধাৰণ জনগণৰ মাজত প্ৰচলিত আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, ধর্ম-দর্শনৰ অধিক আভাস দিয়ে আৰু কোৱা হৈছে যে অন্য তিনি বেদে মাত্ৰ আমুষ্মিক ফলদান কৰে; কিন্তু অথর্ববেদে ঐহিক আৰু আমুষ্মিক-দুয়ো প্ৰকাৰ ফলদান কৰে।

অথর্ববেদ সাধাৰণতে যাদুবিদ্যাৰ বেদ (veda of magic) বুলি জনাজাত। মানুহৰ জীৱনৰ প্ৰতি খোজতে মুখামুখি হোৱা সমস্যাবোৰ সমাধান কৰিবলৈ অথর্ববেদত বিভিন্ন ক্ৰিয়া-কলাপৰ বিধান নির্দিষ্ট কৰা আছে। শান্তি-পৌষ্টিক আদি মাঙ্গলিক কর্মৰে মানুহৰ কল্যাণ সাধন কৰিবলৈ অথর্ববেদে বিধি ব্যৱস্থা দিয়ে। একেদৰে স্বাৰ্থসিদ্ধিৰ বাবে আগ বাঢ়োতে সন্মুখীন হোৱা বাধা-বিঘিনি নিৰস্ত কৰিবলৈ সম্পন্ন কৰিবলগীয়া অবিচাৰ ক্ৰিয়াৰো বিধান দিয়া হৈছে অথর্ববেদত। এইদৰে অথর্ববেদে বৈদিক সমাজত জনসাধাৰণৰ মাজত চলিত জনপ্ৰিয় আচাৰ ব্যৱহাৰৰ সম্যক আভাস দিয়ে। এই বেদত তদানীন্তন কালৰ চিকিৎসা-বিদ্যাৰো আভাস পোৱা যায়।

৭.৩ অথর্ববেদৰ বিভিন্ন সংজ্ঞা

আমি আজি যাক অথর্ববেদ বুলি জানো তাৰ প্ৰাচীনতম নাম অথর্বাঙ্গিৰস। অথর্ব আৰু আঙ্গিৰস এই দুই নামৰ সন্মিলনত অথর্বাঙ্গিৰস নামটো নিষ্পন্ন হৈছে। শতপথ ব্ৰাহ্মণত পাৰিপ্লৱ আখ্যানৰ প্ৰসঙ্গত প্ৰাপ্ত তথ্য মতে একালত অথর্ব আৰু আঙ্গিৰস নামে দুখন সুকীয়া বেদ আছিল। এই শব্দ দুটাই বৈদিক কালত প্ৰচলিত দুই প্ৰকাৰ ক্ৰিয়াক প্ৰতিনিধিত্ব কৰে। অথর্ব শব্দটোৱে ভৈষজ্যবিদ্যা (ভেষজানি), শান্তি আৰু পৌষ্টিক, সাংমনস্য প্ৰভৃতি মাঙ্গলিক ক্ৰিয়াক বুজায়। আনহাতে আঙ্গিৰস শব্দই শত্ৰুৰ অপকাৰ সাধন কৰা মাৰণ-উচাটন প্ৰভৃতি অমঙ্গলীয়া অভিচাৰ ক্ৰিয়া-কলাপক বুজায়। গতিকে অথর্ব শব্দই সমাজৰ মঙ্গল কামনা কৰা বাবে ইয়াক শুদ্ধ বা শুক্ল ইন্দ্ৰজাল-বিদ্যা (White Magic) বোলা হয়। আনহাতে আঙ্গিৰস শব্দই মানুহৰ অমঙ্গলজনক মাৰণাদিক বুজায় কাৰণে তাক অশুদ্ধ বা কৃষ্ণ ইন্দ্ৰজাল-বিদ্যা (Black Magic) বোলা হয়। এই বেদৰ আন এটা নাম হ'ল ভৃগ্বঙ্গিৰস। ভৃগু নামৰ ঋষিজনৰ প্ৰাধান্য অনুসৰি অথর্বাঙ্গিৰস নামৰ সলনি বেদখনৰ নাম পিছলৈ ভৃগ্বঙ্গিৰস হৈছিলগৈ। তদুপৰি এই বেদক বুজাবলৈ ব্ৰহ্মবেদো বোলা হয়। দার্শনিক তথ্যসমৃদ্ধ হোৱা হেতুকেই এই বেদক ব্ৰহ্মবেদ বোলা হৈছে।

এই বেদক ক্ষত্ৰবেদ আৰু ভিষগ্‌বেদ বুলিও জনা যায়। ইয়াৰ উপৰিও অথর্বদেক পঞ্চকল্পী বোলা হয়। বিষ্ণু পুৰাণৰ মতে অথর্ববেদৰ পাঁচটা খণ্ড আছে; সেইবোৰ হ'ল ঃ লক্ষত্ৰকল্প, বৈতানকল্প, সংহিতাকল্প, আঙ্গিৰসকল্প আৰু শান্তিকল্প।

৭.৪ অথর্ববেদৰ শাখা-প্ৰশাখা

অথর্ববেদৰ শাখা সম্বন্ধে বিভিন্ন গ্ৰন্থত বিভিন্ন তথ্য পোৱা যায়। মুক্তিকোপনিষদে

অথর্ববেদৰ পঞ্চাশটা শাখা আছিল বুলি কয়। কিন্তু এই গ্ৰন্থত শাখাবোৰৰ নাম উল্লেখ কৰা নাই। বিষ্ণু, বায়ু আৰু ভাগৱত পুৰাণত অথর্ববেদৰ বিভিন্ন শাখাৰ নাম উল্লেখ কৰা হৈছে। বিষ্ণু পুৰাণত কৈছে যে বেদব্যাসে বেদৰ বিভাজন কৰি সুমন্ত নামে তেওঁৰ শিষ্যক অথর্ববেদৰ ধাৰক পাতে। সুমন্তৰে প্ৰচাৰৰ বাবে অথর্ববেদৰ শিক্ষা দিয়ে কবন্ধক। কবন্ধৰ শিষ্য আছিল দুজন— পথ্য আৰু দেৱদর্শ। ভাগৱতত কবন্ধৰ কথা নকৈ পথ্য আৰু দেৱদর্শক সুমন্তৰ শিষ্য বুলি কৈছে। মৌদ্গ, ব্ৰহ্মবলি, পিপ্পলাদ আৰু শৌক্তায়নি দেৱদর্শৰ শিষ্য বুলি কৈছে বিষ্ণু পুৰাণত। তেওঁলোকে প্ৰত্যেকে একোটি শাখা প্ৰতিষ্ঠা কৰে। সেইদৰে পথ্যৰ শিষ্য জাজালি, কুমুদ আৰু শৌনকে নতুন শাখা প্ৰতিষ্ঠা কৰে। শৌনকে তেওঁৰ শাখাক দ্বিধা বিভক্ত কৰি বভ্রু আৰু সৈন্ধৱায়নক বেদ প্ৰচাৰৰ দায়িত্ব দিয়ে। সৈন্ধবায়নৰ পৰা মুঞ্জিকেশ আদিয়ে অথর্ববেদৰ শাখাৰ প্ৰসাৰৰ দায়িত্ব লাভ কৰে। শৌনকৰ চৰণব্যূহৰ মতে অথর্ববেদৰ নটি শাখা আছিল। সেইসকলৰ নাম যথাক্ৰমে পৈপ্পলাদ, দামোদ, তোত্তায়ন, জাৱাল, শৌনক, ব্ৰহ্মপলাশ, কৌনখী, দেৱদর্শী আৰু চাৰণৱিদ্যা। অথর্ব পৰিশিষ্টত (৪৯/৪) এইসকলৰ নাম ভিন্নভাবে দিছে। তাত কৈছে ঃ 'তত্র ব্ৰহ্মাৱেদস্য নৱ ভেদা ভৱন্তি। তদ্ যথা পৈপ্পলাদাঃ। স্তৌদাঃ মৌদাঃ। শৌনকীয়াঃ। জাজলাঃ। জলদাঃ ব্ৰহ্মাৱদঃ। দেৱদর্শাঃ। চাৰণৱৈদ্যঃ চেতি।' কিন্তু সম্প্ৰতি আমি অথর্ববেদৰ দুটা শাখাহে পাওঁ— পৈপ্পলাদ আৰু শৌনকীয় বা শৌনক। পৈপ্পলাদ শাখাৰ আৱিষ্কাৰ পলমকৈ হোৱাত আধুনিক কালত শৌনক শাখাক অৱলম্বন কৰিহে অথর্ববেদৰ অনুশীলন, অধ্যয়ন আৰু গৱেষণা আগবাঢ়িছে।

৭.৫ শৌনক সংহিতা আৰু পৈপ্পলাদ সংহিতাৰ তুলনা

ৰুডল্ফ্ ৰোট্ আৰু উইলিয়াম ড্বুইট্ লুইট্নিৰ যৌথ উদ্যোগত ১৮৫৬ চনতে শৌনক সংহিতা বার্লিনৰ পৰা প্ৰকাশিত হয়। পৈপ্পলাদ সংহিতাৰ পাণ্ডুলিপি কাশ্মীৰত আবিষ্কৃত হয় আৰু ১৯০১ খৃষ্টাব্দত তাৰ প্ৰতিলিপি প্ৰকাশিত হয়। ১৯৩৬-৪০ খৃষ্টাব্দৰ ভিতৰত পণ্ডিত ৰঘুবীৰে অখণ্ড ভাৰতৰ লাহোৰৰ (এতিয়া পাকিস্তানৰ অন্তর্গত) পৰা পৈপ্পলাদ সংহিতাৰ পুনর্মুদ্রণ কৰে। তেতিয়ালৈকে পণ্ডিতসকলে ধাৰণা কৰিছিল যে পৈপ্পলাদ সংহিতা কেৱল কাশ্মীৰতে প্ৰচলিত আছিল।

১৯৫৭-৫৮ চনত অধ্যাপক দুর্গামোহন ভট্টাচার্যই উৰিষ্যাৰ বালাসোৰ জিলাৰ বাসুদেৱপুৰত উৰিয়ালিপিত সাঁচিপাতত লিখা পৈপ্পলাদ সংহিতাৰ পাণ্ডুলিপি আবিষ্কাৰ কৰে। কাশ্মীৰী অথর্ববেদতকৈ উৰিয়া পৈপ্পলাদ সংহিতাৰ পাঠ সর্বাংশ বিশুদ্ধ আৰু নির্ভুল। বায়ুদেৰ পুৰত ব্ৰাহ্মণসকলে আজিও এই সংহিতাৰ আবৃত্তি কৰে।

দুয়োখন সংহিতা তুলনা কৰি দেখা যায় যে—

(১) শৌনক সংহিতা বিশটা কাণ্ডত বিভক্ত। ইয়াত ৭৩১টা সূক্ত আছে, তাৰ মন্ত্ৰ সংখ্যা ৫৯৮৭। পৈপ্পলাদ সংহিতাৰ উৰিয়া পাঠত বিশটা কাণ্ডত প্ৰায় ৮০০০ মন্ত্ৰ আছে; কাশ্মীৰী পাঠত মুঠতে ৬৫০০ মন্ত্ৰ আছে।

(২) পৈপ্পলাদ সংহিতাৰ প্রথম মন্ত্র—

* শন্নো দেৱীৰভিষ্ট য় আপো ভৱন্ত পীতয়ে।

শং য়োৰভি স্রৱ ন্তনঃ।।

শৌনক সংহিতাৰ প্রতীক মন্ত্রঃ

য়ে ত্রিষপ্তাঃ পৰিয়ন্তি ৱিশ্ৱা ৰূপাণি ৱিভ্রতঃ।

* ৱাচস্পতির্বলা তেষাং তন্ৱো অদ্য দধাতু মে।।

(৩) দুই সংহিতাৰ মাজত বিষয়ৱস্তুৰ সামঞ্জস্য দেখা যায় যদিও পৈপ্পলাদ সংহিতাৰ মন্ত্রৰ অনুপাতে বিষয়ৱস্তুৰ আধিক্য অৱশ্যে অনস্ৱীকার্য।

(৪) শৌনক সংহিতাৰ শেষত পোৱা কুন্তাপসূক্তৱোৰ (২০/১২৭-১৩৬) পৈপ্পলাদ সংহিতাত পোৱা নাযায়।

৭.৬ শৌনক সংহিতাৰ বিভাজন

অথর্ৱবেদৰ শৌনক সংহিতাত আছে ৭৩১টা মুক্ত আৰু প্রায় ছহাজাৰ মন্ত্র। এই সংহিতা কুৰিটা কাণ্ডত বিভক্ত। প্রতিটো কাণ্ড ভালেমান অনুৱাকত বিভক্ত। অনুৱাক একোটা কেইটিমান সূক্তৰ সমষ্টি।

গ্রন্থৰ বিকাশৰ প্রতি চকু ৰাখি পণ্ডিতসকলে এই ৱেদক মোটামুটিকৈ তিনিটা প্রধান বিভাগত ভাগ কৰিছে। প্রথমৰ পৰা সপ্তম কাণ্ডক লৈ প্রথম ভাগ, অষ্টমৰ পৰা দ্ৱাদশ কাণ্ডকলৈ দ্ৱিতীয় ভাগ আৰু ত্রয়োদশৰ পৰা ৱিংশ কাণ্ডক লৈ তৃতীয় ভাগটো কৰা হৈছে।

শৌনক সংহিতাৰ গাঁথনিক প্রক্রিয়া ৱেছ প্রণালীৱদ্ধ ৱুলিৱ পাৰি। প্রথম পাঁচ কাণ্ডত ক্রমশঃ চাৰিটা, পাঁচটা, ছটা, সাতটা আৰু আঠটা ঋক্ থকা সূক্তৰ সংখ্যা অধিক। ইয়াৰ ৱ্যতিক্রম অৱশ্যে আছে। ষষ্ঠ আৰু সপ্তম কাণ্ডত সেই সংখ্যা নিম্নমুখী হৈছে।

অষ্টম কাণ্ডৰ পৰা দ্ৱাদশ কাণ্ড পর্যন্ত কাণ্ডৱোৰত সুদীর্ঘ সূক্তৱোৰ পোৱা যায়। তাত কুৰিটাৰ অধিক মন্ত্র থকা সূক্ত অধিক। ত্রয়োদশ কাণ্ডৰ পৰা অষ্টাদশ কাণ্ডলৈ কোনো এটা বিষয়ৰ মন্ত্রৱোৰ সংকলিত হৈছে। ঊনৱিংশ আৰু ৱিংশ কাণ্ডক খিলকাণ্ড ৱুলি কোৱা হয়। ৱিংশ কাণ্ডৰ পৰিশিষ্ট ৰূপে কুন্তাপ সূক্তৱোৰ (২০/১২৭-১৩৬) সন্নিৱিষ্ট হৈছে।

৭.৭ শৌনক সংহিতাৰ সূক্তচয়ন প্রণালী

প্রথমৰ পৰা সপ্তম কাণ্ডলৈ প্রাপ্ত সূক্তৱোৰত দশ সংস্কাৰৰ লগতে সপত্ন-নাশন, দীর্ঘায়ু লাভ, সাংমনস্য আদি বিষয়ৰ মন্ত্রই সৱহ। তৃতীয় কাণ্ডৰ বেছিভাগ মন্ত্রতে শত্রু-সম্মোহন, স্ৱৰাজ্যত ৱজাৰ পুনঃ প্রতিষ্ঠা, ৱাষ্ট্রধাৰণ, কৃষি-ৱাণিজ্য আদিৰ উন্নয়নৰ মন্ত্রৱোৰ সন্নিৱিষ্ট হৈছে। চতুর্থ কাণ্ডত সংকলিত হৈছে, পাপমোচন, অপামার্গ বনস্পতিৰ প্রয়োগ আদি বন আৰু আন বহু বিষয়ৰ মন্ত্র। অষ্টম কাণ্ডত ৱাক্ষস পিশাচাদি নিৱাৰণ, শত্রু ভয় নাশন, নৱমত মধুৱিদ্যা, কাম,

অতিথি সৎকাৰ বিষয়ক মন্ত্ৰ, দশম কাণ্ডত মণিবন্ধন, বশাগৌ বিষয়ক মন্ত্ৰ, একাদশ কাণ্ডত ব্ৰহ্মৌদন মন্ত্ৰ, বিবিধ শান্তিকৰ্ম উচ্ছিষ্ট ব্ৰহ্মৰ মহত্বই ঠাই পাইছে। দ্বাদশ কাণ্ডত আছে বহু বিখ্যাত ভূমি সূক্ত। এইদৰে মুখ্যতঃ অধ্যাত্ম্য বিদ্যা বিষয়ে ঠাই পাইছে ত্ৰয়োদশ কাণ্ডত। চতুদৰ্শ কাণ্ডত বিৱাহ বিষয়ক, পঞ্চদশ কাণ্ডত ব্ৰাত্যবিষয়ক মন্ত্ৰ ষোড়শ কাণ্ডত শান্ত্যদককৰ্ম আৰু দুঃস্বপ্ননালন সপ্তদশ কাণ্ডত আভ্যুদয়িক বিষয়ক মন্ত্ৰ আৰু অষ্টাদশ কাণ্ডত পিতৃমেধ যজ্ঞ বিষয়ক মন্ত্ৰবোৰ সংকলিত হৈছে। ঊনবিংশ আৰু বিংশ কাণ্ডত বিভিন্ন মণি ধাৰণ বিষয়কে ধৰি আন ভালেমান দেৱতাৰ স্তুতিবিষয়ক মন্ত্ৰ আছে। ঊনবিংশ কাণ্ডত ৰাত্ৰি আৰু কালবিষয়ক সূক্তও অন্তৰ্ভুক্ত হৈছে। বিংশ কাণ্ডত প্ৰাপ্ত কুন্তাপ সূক্তবোৰ মৌলিক, কিন্তু দুৰ্বোধ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ অথৰ্ববেদৰ বিবিধ নামবোৰ লিখক।

.....

.....

প্ৰশ্ন নং ২ঃ অথৰ্ববেদৰ এটি শাখাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৩ঃ শৌনক আৰু পৈপ্পলাদ সংহিতাৰ মাজত কি কি বিষয়ত পাৰ্থক্য দেখা যায়?

.....

.....

প্ৰশ্ন নং ৪ঃ শৌনক সংহিতাৰ কেইটা কাণ্ডত বিভক্ত? কিমান সূক্ত আৰু মন্ত্ৰ তাত আছে?

.....

.....

প্ৰশ্ন নং ৫ঃ ত্ৰয়োদশ, চতুৰ্দশ, পঞ্চদশ, ষোড়শ, সপ্তদল আৰু অষ্টাদশ কাণ্ডত পোৱা বিশেষ বিষয়বোৰ উল্লেখ কৰক।

.....

.....



জানি থোৱা ভাল

- জাৰ্মান পণ্ডিত ৰুডল্‌ফ ৰোটে শৌনক সংহিতা সম্পাদন কৰি ১৮৫৬ খৃষ্টাব্দত বাৰ্লিনৰ পৰা প্ৰকাশ কৰে।
- ভাৰতীয় পণ্ডিত শংকৰ পাণ্ডুৰঙ্গ পণ্ডিতে সায়নভাষ্যসহ শৌনক

সংহিতা বোম্বেৰ পৰা চাৰি খণ্ডত প্ৰকাশ কৰে ১৮৯৫-৯৮ খৃষ্টাব্দত।

- পাশ্চাত্য পণ্ডিত ডব্লিউ ডি হুইটনিয়ে শৌনক সংহিতাৰ ইংৰাজী অনুবাদ দুটা খণ্ডত ১৯০৫ খৃষ্টাব্দত হাৰ্ভাৰ্ডৰ পৰা প্ৰকাশ কৰে।

৭.৮ শৌনক সংহিতাৰ বিষয়বস্তু

অথর্ববেদৰ বিষয়বস্তুৰ বৈচিত্র্য চমকপদ। এই বিষয় বস্তুবোৰক (১) আধ্যাত্মিক, (২) আধিদৈবিক আৰু (৩) আধিভৌতিক— এই তিনি ভাগত ভগাব পাৰি। প্ৰথম ভাগত আত্ম-ব্ৰহ্মচিন্তা, দেৱ-দেৱতা, যজ্ঞ, কালৰ চিন্তা, দ্বিতীয় ভাগত আৰু ৰাজকৰ্ম, শত্ৰু নাশ, বিবিধ সংস্কাৰ আদি তৃতীয় ভাগত পৰে। যাদু মন্ত্ৰবোৰো আধিভৌতিক। পাশ্চাত্য বৈদিক পণ্ডিত মৰিচ ব্লুমফিল্ডে তেওঁৰ 'অথর্ববেদ এণ্ড গোপথ ব্ৰাহ্মণ' নামে গ্ৰন্থত অথর্ববেদৰ বিষয়সমূহ সূচীবদ্ধ কৰিছে এনেদৰে (১) ভৈষজ্যা সূক্তা, (২) আয়ুষ্য সূক্ত, (৩) পৌষ্টিক সূক্ত, (৪) আভিচাৰিক আৰু কৃত্যাপ্ৰতিহৰণ সূক্ত, (৫) স্ত্ৰীকৰ্ম, (৬) ৰাজকৰ্ম বিষয়ক সূক্ত, (৭) ব্ৰাহ্মণ্য সূক্ত, (৮) প্ৰায়শ্চিত্ত সূক্ত, (৯) সাংমনস্য সূক্ত, (১০) দাৰ্শনিক বিষয়ৰ সূক্ত আৰু (১১) ব্ৰাত্য বিষয়ক সূক্ত। তলত এইবোৰ বিষয়ৰ নিৰ্বাচিত কিছুমানৰ পৰিচয় দিয়া হ'ল ঃ

ভৈষজ্য সূক্ত ঃ আমাৰ দেশত প্ৰচলিত চিকিৎসা বিদ্যাৰ ইতিহাসত অথর্ববেদে এক বিশেষ স্থান লাভ কৰি আছে। ঋগ্বেদ আৰু যজুর্বেদত ছেগা-চোৰোকাকৈ চিকিৎসা বা ভৈষজ্য শাস্ত্ৰৰ উল্লেখ দেখা যায় যদিও অথর্ববেদৰ দৰে সিবোৰত ব্যাপক আলোচনা কৰা হোৱা নাই। অথর্ববেদত বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে নানান বন, বৃক্ষ, লতাৰ নামোল্লেখ দেখা যায়। তাত বেমাৰবোৰক কোনো অসুৰৰ কাম বুলি কোৱা হৈছে। অনিষ্টনিৰাৰক শান্তি মন্ত্ৰতো লতা-গুল্মৰ নাম পোৱা যায়। তাত জ্বৰক তক্মন্ বোলা হৈছে। তক্মন্ এজন অসুৰ। সেই অসুৰক বিকাৰণ কৰিবলৈ বহুতো মন্ত্ৰ অথর্ববেদত আছে। অথর্ববেদৰ ৫/২২/২ মন্ত্ৰত কোৱা হৈছে ঃ

'হে অসুৰহু তুমি আক্ৰমণ কৰা মানুহসকলক জ্বলা জুইৰ দৰে উত্তাপিত কৰা, তেওঁলোকৰ শৰীৰ পীতবর্ণ কৰা। হে তক্মনহু তুমি দুর্বল আৰু অসমর্থ জনৰ গাৰ পৰা আৰু এই ঠাইৰ পৰা দূৰলৈ যোৱা। তুমি হয় পাতালত সোমোৱা নহয় বিনষ্ট হোৱা।'

এইদৰে অথর্ববেদত বিধান কৰা অথর্বনীয় মন্ত্ৰ পঢ়ি তক্মন্ দেৱতাক জ্বৰত আক্ৰান্ত মানুহৰ গাৰ পৰা আঁতৰি যাবলৈ কৈছিল।

অথর্ববেদৰ কালত কেৱল জ্বৰ গুচোৱাৰ বাবেই যে উক্ত ধৰণে ব্যৱস্থা কৰা হৈছিল তেনে নহয়, সেই যুগত শল্য চিকিৎসা আৰু অস্থি চিকিৎসাৰ উন্নতিৰ অভিসো অথর্ববেদত পোৱা যায়। লতা আদিৰে ভঙা হাড় জোৰা দিছিল। অস্থি সন্ধিকাৰক ভেষজ উদ্ভিদৰ দেৱতাক সম্বোধন কৰি এটা সূক্তত ঋষিয়ে কৈছে ঃ

'তোমাৰ মজ্জাৰ লগত মজ্জা জোৰা লাগক, অঙ্গৰ সৈতে অঙ্গ জোৰা লাগক; মাংস আৰু হাড়ৰ যি ভাগ (আঘাতত) ছিন্ন হৈছে, সি আগৰ দৰে হওক।' (৪/১২/৩)

আয়ুষ্য সূক্ত বা আয়ুসসম্বন্ধীয় মন্ত্র ঃ অথর্ববেদত পাৰিবাৰিক উৎসৱ, চূড়াকৰণ, গোদান, উপনয়ন আদি সংস্কাৰ কর্মত পুৰোহিতে কর্মযুক্ত ব্যক্তিৰ দীর্ঘায়ু কামনা কৰিছিল। তেনে এটা মন্ত্র (৩/১১/৪)ত কোৱা হৈছে ঃ

'শতং জীৱ শৱদো ৱর্ধমানঃ শতং হেমন্তাঞ্জততমু ৱসন্তান্।
শতং তে ইন্দ্রো অগ্নিঃ সবিতা বৃহস্পতিঃ শতায়ুষা।
হবিষাহার্ষমেনম্।।'

'অর্থাৎ তুমি এশ বছৰ আয়ুসৰ বৃদ্দি লাভ কৰি জীয়াই থাকা, শত হেমন্ত, শত বসন্ত আৰু শত বছৰ ইন্দ্র, অগ্নি, সবিতা বৃহস্পতিয়ে এই হবিসেৱে আনন্দ লাভ কৰি শতায়ুৱে জীয়াই ৰাখক।'

পৌষ্টিক মন্ত্র ঃ ঘৰ দুৱাৰ সাজিবলৈ, হলকর্ষণ কৰিবলৈ, শস্যৰ বীজ সিঁচিবলৈ যাওঁতে বা বাণিজ্যলৈ ওলাওঁতে নানা প্রকাৰ আশিস্ ভিক্ষা কৰা হৈছিল। উদাহৱণস্বৰূপে, অথর্ববেদৰ ৩/২৮ আৰু ৩/১৫ সূক্তত ক্রমে পশুৰ পুষ্টি কামনা আৰু বাণিজ্যৰ পুষ্টি কামনা কৰা হৈছে।

স্ত্রীকর্মবিষয়ক সূক্ত ঃ অথর্ববেদৰ চতুদর্শ কাণ্ডত স্ত্রীসম্বন্ধীয় বহুতো কর্মৰ আভাস পোৱা যায়। বহু পত্নীক পুৰুষৰ আস্থা স্থিৰে ৰাখিবলৈ সতিনী-হননৰ কাৰণে নানান যাদুমন্ত্রৰ আশ্রয় লোৱা হৈছিল। সিবিলাকক বশীকৰণ মন্ত্রও বোলা হয়। প্রেমিক পুৰুষে তেওঁৰ প্রতি বিমুখ কামিনীৰ মন আকর্ষণ কৰিবলৈ সেই নাৰীৰ মাটিৰে মূর্তি সাজি শনৰ গুণেৰে যুক্ত ধনুত বাণ যোজনা কৰি সেই মৃন্ময় মূর্তিৰ বুকুত বিন্ধিছিল আৰু মন্ত্রৰ প্রয়োগ কৰিছিল। তেওঁ কৈছিল ঃ চিত্তত বিকাৰ ঘটোৱা কামে তোমাক উদ্বিগ্ন কৰক, তুমি যেন শয্যাত মোৰ বিৰোধ নকৰা।'

ৰাজকর্ম বিষয়ক সূক্ত ৰাজকার্যত, ৰজাৰ স্বার্থৰক্ষাত, ৰাজনীতি, সমৰনীতি আদিত প্রযুক্ত অনেক মন্ত্র অথর্ববেদত পোৱা যায়। এই বেদত ৰজাৰভিষেকত প্রযুক্ত ভালেমান মন্ত্র আছে। ৰজাই অভিষেকৰ সময়ত প্রজা পালনৰ বাবে প্রতিজ্ঞাবদ্ধ হৈছিল ঃ

ভূতো ভূতেষু পয় আ দধতি স ভূতানামধিপতির্বভূৱ।
তস্য মৃত্যুশ্চৱতি ৰাজসূযং স ৰাজা ৰাজ্যমনুমন্যতামিদম্।। (৪/৮/১)

অর্থাৎ 'তেওঁ প্রাণীসকলৰ অধিপতি হৈছিল আৰু প্রাণী হৈ প্রাণীৰ বাবে জল গ্রহণ কৰিছিল। মৃত্যু বা ধর্মৰাজে তেওঁৰ ৰাজসূয় অনুষ্ঠিত কৰে। ৰাজসূয়ত তেওঁ ৰজা হৈ ৰাজ্য গ্রহণ কৰক। ৰণত জয় সুনিশ্চিত কৰিবলৈ ৰাজ-পুৰোহিতে যুদ্ধলৈ ওলোৱা ৰজাৰ প্রতিটো ৰণৰ সঁজুলি মন্ত্রপূত কৰি দিয়াৰ প্রথা আছিল।

সাংমনস্য সূক্ত ঃ পৰিয়াল বা সমাজৰ লোকৰ মাজত মিলাপ্রীতি ৰক্ষাৰ বাবেও কেতবোৰ মন্ত্রৰ প্রয়োগ কৰা হৈছিল। তাৰে উদাহৰণ পোৱা যায় ৩/৩০ সূক্ততঃ

অনুব্রতঃ পিতুঃ পুত্রো মাত্রা ভৱতু সংমনাঃ।
জায়া পত্যে মধুমতীং ৱাচং ৱদতু শন্তিৱাম্।।
মা ভ্রাতা ভ্রাতৰং দ্বিক্ষন্মা স্বসাৱমুত স্বসা।
সম্যহতঃ সব্রতা ভূত্বা ৱাচং ৱদত (৩/৩০/২-৩) ভদ্রয়া।।

অর্থাৎ পুত্রই পিতৃ আৰু মাতৃৰ প্রতি সমনা হওক, পত্নীয়ে পতিৰ প্রতি শান্ত হৈ মধুময়

মাত মাতক। ভায়েকে ভায়েকৰ প্ৰতি, ভনীয়েকে ভগ্নীৰ প্ৰতি বিদ্বেষ ভাব নলওক। সকলোৰে সমান কাৰ্যত ব্ৰতী হৈ ভদ্ৰতাৰে মাত মাতক।'

আভিচাৰিক আৰু কৃত্যাপ্ৰতিহৰণ সূক্ত ঃ এই শ্ৰেণীৰ মন্ত্ৰ সাধাৰণতে পিশাচ, বাতুধনে আৰু অন্য শত্ৰুৰ বিপক্ষে প্ৰয়োগ কৰা হয়। অথর্ববেদত ভূতপ্ৰেত, দৈত্য-দানৰ ৰাক্ষস আৰু মানৰ শত্ৰুৰ মাজত কোনো বিশেষ পাৰ্থক্য পৰিলক্ষিত নহয়। এইসকলৰ বিপৰীতে আভিচাৰিক মন্ত্ৰ দ্ৰব্যসহ প্ৰয়োগ কৰা হয়। তাৰ বিপৰীতে অভিচাৰৰ লক্ষ্য ব্যক্তিৰ স্বাৰ্থৰক্ষাৰ বাবে কৰা আন প্ৰকাৰ মন্ত্ৰ আৰু দ্ৰব্যৰ প্ৰয়োগ কৰা হৈছিল যাক কৃত্যাপ্ৰতিহৰণ মন্ত্ৰ বোলা হয়। ইয়াৰে প্ৰথম বিধৰ উদাহৰণ পোৱা যায় অথর্ববেদৰ ১/৭; ৮/২৮ সূক্তত আৰু দ্বিতীয় বিধৰ উদাহৰণ পোৱা যায় ১০/১/৬ আদি মন্ত্ৰত।

দাৰ্শনিক বিষয়ৰ সূক্ত ঃ ঋগ্বেদ কেৱল যাদুবিদ্যাৰ বেদ নহয়। ঋগ্বেদৰ দশম মণ্ডলৰ দৰে ইয়াতো এনে কিছুমান সূক্ত বা মন্ত্ৰ আছে যিবোৰত সৃষ্টিতত্ব আৰু অধ্যাত্ম বিষয়ৰ আলোচনা কৰা হৈছে। যেনে ব্ৰহ্মৌদন, উচ্ছিষ্ট ব্ৰহ্ম কাল, স্কম্ভ আদি সূক্ত। ব্ৰহ্মৌদন সূক্তত ব্ৰহ্মৌদনক লোকজিৎ আৰু স্বৰ্গ্য বোলা হৈছে।

ইমমোদনং নি দধে ব্ৰাহ্মণেষু বিষ্টাৰিনং লোকজিতং স্বৰ্গ্যম্ (৪/৩৪/৮)।ব্ৰহ্মচাৰীসূক্তত (১১/৫) সকলো লোক ব্ৰহ্মচাৰীৰ তপোবলত সৃষ্টি বুলি ধাৰণা পোৱা যায়। কোৱা হৈছে ঃ আচার্যো ব্ৰহ্মচাৰী ব্ৰহ্মচাৰী প্ৰজাপতিঃ।

প্ৰজাপতির্ৰি ৰাজতি বিৰাড্ ইন্দ্ৰোৎ ভৱদ্ৱশী।। (১১/৫/১৬)

উচ্ছিষ্টব্ৰহ্মসূক্ত (১১/৭)ত কোৱা হৈছে ঃ

'নাম, ৰূপ, লোক, ইন্দ্ৰ, অগ্নি, আপঃ, সমুদ্ৰ-এনে কি নাই যি উচ্ছিষ্টত আহিত নহয়?'

একে সূক্তৰ সপ্তদশ ঋকত কোৱা হৈছে যে ঋত, সত্য আদি উচ্ছিষ্টতে নিহিত হৈ আছে ঃ

ঋতং সত্যং তপো ৰাষ্ট্ৰং শ্ৰমো ধৰ্মশ্চ কৰ্ম চ।
ভূতং ভবিষ্যদুচ্ছিষ্টে ৱীৰ্যং লক্ষ্মীৰ্বলং বলে।।
ঋত, সতা, তপঃ ৰাষ্ট্ৰ, শ্ৰম, ধৰ্ম, কৰ্ম, ভূত, ভবিষ্যৎ,
বীৰ্য, লক্ষ্মী আৰু বল- সকলো উচ্ছিষ্টৰ বলতে লভ্য।

অথর্ববেদৰ ঊনবিংশ কাণ্ডত তিনিটা (৫২-৫৪) কাল সূক্ত আছে। তাত কালকে সকলোৰে মূল উৎস বোলা হৈছে। এটা মন্ত্ৰত কোৱা হৈছে ঃ 'কালৰ সাতটা চক্ৰ, তাৰ সাতটা নাভি আছে। অমৃতত্ব কালৰূপী ৰথচক্ৰৰ বিধাৰক মধ্যদণ্ড। কালে সকলো সৃষ্টিক বহন কৰে। প্ৰথম দেৱতা এই কালে শীঘ্ৰতাৰে গমন কৰে।'

ব্ৰাত্য বিষয়ক সূক্ত অথর্ববেদৰ পঞ্চদশ কাণ্ডক ব্ৰাত্যকাণ্ড বোলা হয়। তাত ওঠৰটা সূক্তত ব্ৰাত্যৰ মাহাত্ম্য কীৰ্তন কৰা হৈছে। সেই বৰ্ণনাৰ পৰা বুজা যায় যে ব্ৰাত্য সকল আছিল আৰ্য সমাজৰ পৰা দূৰত থকা এক শ্ৰেণীৰ ব্ৰহ্মচাৰী। তেওঁলোকৰ বিষয়ে কৰা বৰ্ণনাই ব্ৰাত্যেসকলক ব্ৰহ্মৰ শাৰীলৈ তুলিছে। পৈপ্পলাদ সংহিতাত 'ব্ৰাত্যেৱা ইদমগ্ৰ আসীৎ' বোলা কথাযাৰে ব্ৰাত্যসকল সৃষ্টিৰ আদিম লোক বুলি ধাৰণা দিয়ে।

৭.৯ অথর্ববেদৰ ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ গ্রন্থ

এতিয়া আপুনি অথর্ববেদৰ ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ গ্রন্থসমূহৰ নাম জানিব পাৰিব।

অথর্ববেদৰ ব্রাহ্মণ— গোপথ ব্রাহ্মণ

আৰণ্যক— অথর্ববেদৰ কোনো আৰণ্যক গ্রন্থ নাই।

উপনিষদ্— প্রশ্ন উপনিষদ্, মুণ্ডক উপনিষদ্ আৰু মাণ্ডূক্য উপনিষদ্

৭.১০ অথর্ববেদৰ ভাষ্য

অথর্ববেদৰ শৌনক সংহিতাৰ ওপৰত এটা মাত্র ভাষ্য পোৱা যায়। সেই ভাষ্যটি চতুর্দশ শতিকাত সায়নাচার্যই ৰচনা কৰে। সেই ভাষা সহ শৌনক সংহিতা চাৰি খণ্ডত বোম্বেৰ পৰা প্রকাশ কৰে শঙ্কৰ পাণ্ডুৰঙ্গ পণ্ডিতে। সেই গ্রন্থ দুষ্প্রাপ্য হোৱাত বিশ্ববন্ধু শাস্ত্রীয়ে সম্পাদনা কৰা শৌনক সংহিতা সায়ন ভাষ্যসহ পাঁচ খণ্ডত হোচিয়াৰপুৰৰ পৰা প্রকাশিত হয় ১৯৬০-৬২ চনত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ অথর্ববেদৰ শৌনক সংহিতাৰ বিষয়বোৰ কি কি ভাগত ভগোৱা হৈছে?

.....

.....

প্রশ্ন নং ৭ঃ অথর্ববেদৰ আয়ুষ্য সূক্তৰ বিষয়বস্তু কি?

.....

.....

প্রশ্ন নং ৮ঃ অথর্ববেদৰ দুই সংহিতাৰ প্রথম মন্ত্র দুটা লিখক।

.....

.....

প্রশ্ন নং ৯ঃ অথর্ববেদৰ দার্শনিক সূক্ত দুটাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১০ঃ অথর্ববেদৰ উপনিষদ্ গ্রন্থকেইখন কি কি?

.....

.....

৭.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- অথর্বসংহিতা আন কেইখন বেদৰ তুলনাত কিছু পৃথক।
- অন্য তিনিবেদক Veda of the classes বুলিব পাৰি আৰু অথর্ববেদক Veda of the masses বুলিব পাৰি।
- অধিকাংশ লোকে অথর্ববেদক যাদুবিদ্যাৰ বেদ বোলে আৰু ইয়াৰ বিষয়বস্তু যে যাদুবিদ্যা বিষয়ক তাৰ আভাস পালে।
- অথর্ববেদত দার্শনিক তত্ত্বও বিদ্যমান।
- অথর্ববেদক ক্রমে অথবাঙ্গিৰস, ভৃগ্বঙ্গিৰস ব্রহ্মবেদ, ক্ষত্রবেদ, ভিষগ্‌বেদ আৰু পঞ্চকল্পী বোলা হৈছিল।

৭.১২ অধিক জানিবলৈ

১) Bloomfield, Maurice (1975), *The Atharva Veda and the Gopatha Brahmana*, Allahabad : Arsha Prakashan.

২) Bloomfield, Maurice (1967), *Hymns of the Atharva veda SBE*, Delhi : 42, Matilal Banarsidass.

৩) Winternitz (1927), *A History of Indian Literature*, Eng. Tr. Mrs. Ketkar, S., Calcutta University.

৪) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিচয়।

৫) শর্মা, থানেশ্বৰ (১৯৯৮), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ অসম বেদ বিদ্যালয়।

৭.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ অথর্বাঙ্গিৰস, ভৃগ্বাঙ্গিৰস, ব্রহ্মবেদ, ক্ষত্রবেদ, ভিষগ্‌বেদ, পঞ্চকল্পী।

২ নং প্রশ্নৰ উত্তৰঃ পৈপ্পলাদ, দামোদ, তোত্তায়ন, জাৰাল, শৌনক, ব্রহ্মপলাশ, কৌনখী, দেৱদর্শী আৰু চাৰণবিদ্যা।

৩ নং প্রশ্নৰ উত্তৰঃ মন্ত্রৰ সংখ্যা, প্রাৰম্ভিক মন্ত্র আদি বিষয়ত পার্থক্য দেখা যায়।

৪ নং প্রশ্নৰ উত্তৰঃ শৌনক সংহিতা বিশটা কাণ্ডত বিভক্ত। তাত ৭৩১টা সূক্ত আৰু ছহেজাৰ মন্ত্র আছে।

৫ নং প্রশ্নৰ উত্তৰঃ অধ্যাত্মবিদ্যা, বিৰাহ, ব্রাত্য, শান্ত্যদককর্ম, আভ্যুদয়িক আৰু পিতৃমেধবিষয়ক মন্ত্রবোৰ ক্রমে বর্ণিত হৈছে।

৬ নং প্রশ্নৰ উত্তৰঃ ১) ভৈষজ্য সূক্ত, ২) আয়ুষ্য সূক্ত, ৩) পৌষ্টিক সূক্ত, ৪) আভিচাৰিক আৰু কৃত্যাপ্রতিহৰণ সূক্ত, ৫) স্ত্রীকর্মবিষয়ক সূক্ত, ৬) ৰাজকর্মবিষয়ক সূক্ত, ৭) ব্রাহ্মণ্য সূক্ত, ৮) প্রায়শ্চিত্ত সূক্ত, ৯) সাংমনস্য সূক্ত, ১০) দার্শনিক বিষয়ৰ সূক্ত আৰু ১১) ব্রাত্যবিষয়ক সূক্ত।

৭ নং প্রশ্নৰ উত্তৰঃ পাৰিবাৰিক উৎসৱ, চূড়াকৰণ, গোদান, উপনয়ন আদি সংস্কাৰ কর্মত পুৰোহিতে সেই কর্মৰ লগত সংযুক্ত ব্যক্তিৰ দীর্ঘায়ু কামনা কৰি যিবোৰ মন্ত্র উচ্চাৰণ কৰিছিল তেনে মন্ত্রৰ বিষয়েই আয়ুষ্য সূক্তত আলোচনা কৰা হৈছে।

৮ নং প্রশ্নৰ উত্তৰঃ শৌনক ঃ- যে ত্রিষপ্তাঃ পৰিয়ন্তি বিশ্বা ৰূপাণিবিভ্রতঃ।
বাচস্পতির্বলা তেষাং তন্বো অদ্য দধাতু নঃ।।
পৈপ্পলাদঃ শন্নো দেবীৰভিষ্টয় আপো ভৱন্তু পীতয়ে।

৯ নং প্রশ্নৰ উত্তৰঃ কাল সূক্ত (অ১৯/৫৩), স্কম্ভসূক্ত (১০/৭)।

১০ নং প্রশ্নৰ উত্তৰঃ প্রশ্ন উপনিষদ্, মুণ্ডক উপনিষদ্, মাণ্ডুক্য উপনিষদ্



৭.১৪ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ অথর্ববেদৰ সংজ্ঞা দাঙি ধৰক।

প্রশ্ন ২ঃ অথর্ববেদক কিয় ব্রহ্মবেদ বোলা হয় লিখক।

(খ) চমু প্রশ্ন

প্রশ্ন ১ঃ অথর্ববেদৰ শাখা-প্রশাসাৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ঃ শৌনক সংহিতাৰ বিভাজন কৰি দেখুৱাওঁক।

(গ) ৰচনাধর্মী প্রশ্ন

প্রশ্ন ১ঃ শৌনক সংহিতাৰ বিষয়বস্তুৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ২ঃ শৌনক সংহিতা আৰু পৈপ্পলাদ সংহিতাৰ তুলনা কৰক।

*** ***** ***